৫.০ পঞ্চম অধ্যায়

# প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প

৫.১ হাতীদাঁত-শিল্প

৫.২ মৃৎ শিল্প

৫.৩ বাঁহ-বেত শিল্প

৫.৪ কাঠ-শিল্প

৫.৫ অন্যান্য লোকশিল্প

৫.৬ প্ৰাকৃতিক সমলেৰে নিৰ্মিত শিল্পত ৰূপাঙ্গ

৫.৭ সামগ্ৰিক আলোচনা

## ৫.০ পঞ্চম অধ্যায়

# প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প

### ৫.১ পৰিচয় ঃ

মানৱ সভ্যতাৰ বিকাশ আৰু উত্তৰণৰ আদিম অৱস্থাৰপৰাই মানুহে প্ৰকৃতিৰ লগতে সহাৱস্থান কৰি আহিছে। প্ৰকৃতিৰ উপাদানবিশেষক নিজৰ জীৱনৰ কামত আহিব পৰাকৈ তথা ব্যৱহাৰযোগ্য কৰি জীৱন-প্ৰবাহ সুচল কৰিবলৈ মানুহে অহৰহ প্ৰচেষ্টা কৰি আহিছে। এনে প্ৰচেষ্টাৰ ফলতেই সামাজিক প্ৰাণী হিচাপে মানুহে প্ৰকৃতিৰ মাটি, পানী, গছ-গছনি, জীৱ-জন্তুৰ পৰা পৰা লাভ কৰা উপাদানবিশেষৰ সহায়ত জীৱন-যাত্ৰাৰ কামত আহিব পৰা কিছুমান সা-সঁজুলি, নিত্য ব্যৱহাৰ্য কেতবোৰ সামগ্ৰী তৈয়াৰ কৰি ল'বলৈ শিকিলে। কালক্ৰমত মানুহৰ দ্বাৰা নিৰ্মিত সেই সা-সামগ্ৰীবোৰেই শিল্প হিচাপে তথা পৰম্পৰাগত সাংস্কৃতিক সমল হিচাপে মানৱ সমাজত কৰ্ষিত আৰু বিকশিত হৈ আহিবলৈ ধৰে।

প্ৰকৃতিৰ মাজত শিল্পবস্তু নিৰ্মাণৰ সকলো উপকৰণ ঠাহ খাই আছে। সভ্যতাৰ একোটা স্তৰত মানুহে প্ৰকৃতিৰ গৰ্ভত নিহিত হৈ থকা খনিজ সম্পদসমূহকো নিষ্কাষণ তথা শোধন কৰি শিল্পৰ নিৰ্মাণত ব্যৱহাৰ কৰিবলৈ শিকিলে। তেনে শিল্প-সামগ্ৰীসমূহৰ বিষয়ে পূৰ্বৱৰ্তী অধ্যায়ত 'ধাতুকেন্দ্ৰিক লোকশিল্প' অভিধাৰে ইতিমধ্যে আলোচনা কৰা হৈছে। এই অধ্যায়ত বৰপেটা অঞ্চলত নিৰ্মিত হৈ অহা তথা প্ৰকৃতিৰ পৰা প্ৰত্যক্ষ ৰূপত লাভ কৰা কেতবোৰ উপাদান, যেনে — মাটি, বাঁহ-বেত, কাঠ, হাতী-দাঁত আদিৰে নিৰ্মিত শিল্পসমূহৰ বিষয়ে অধ্যয়ন কৰা হৈছে। লগতে প্ৰাকৃতিক সূতাৰে প্ৰস্তুত কৰা বয়ন শিল্পৰ বিষয়েও এই অধ্যায়ত আলোচনা দাঙি ধৰা হৈছে।

### ৫.২ হাতীদাঁত-শিল্প ঃ

ঐতিহাসিক কালৰ পৰাই অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষ জুৰি হাতীদাঁত-শিল্পই বিশেষ খ্যাতি আৰু প্ৰসিদ্ধি লাভ কৰি আহিছে। ভাৰতবৰ্ষৰ বিভিন্ন অৰণ্যাঞ্চল হাতীৰ বিচৰণভূমি হোৱা হেতুকে এই শিল্পই তাহানি কালৰ পৰাই শিল্পপ্ৰেমীসকলক আকৃষ্ট কৰি আহিবলৈ সক্ষম হৈছে। তদুপৰি দেশ-বিদেশৰ পৰা, বিশেষকৈ আফ্ৰিকাৰ পৰা আমদানিকৃত সমস্ত হাতী দাঁত ৰাজস্থান আৰু গুজৰাটলৈ আহে। হাতী

দাঁতৰ কেঁচামালৰ এনে সুলভতাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় খনিকৰ-শিল্পীসকলেও এই শিল্পত বিশেষ ব্যুৎপত্তি লাভ কৰিছিল। মধ্যযুগীয় ভাৰতবৰ্ষৰ জীৱনধাৰাত এই শিল্পজাত সামগ্ৰীসমূহৰ ব্যাৱহাৰিক প্ৰমাণ বিভিন্ন সংগ্ৰহালয় বা প্ৰাচীন ৰাজপ্ৰসাদত সংগৃহীত ইয়াৰ শৈল্পিক সমলসমূহে দাঙি ধৰে। সেই তেতিয়াৰ পৰা অতি সাম্প্ৰতিক কাললৈকে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত এই শিল্পৰ পৰম্পৰা অব্যাহত আছে যদিও অসমৰ পৰিপ্ৰেক্ষিতত এই শিল্পৰ স্থিতি সম্প্ৰতি একেবাৰে সংকটাপন্ন। আহোম শাসনৰ কালছোৱাত এই শিল্পৰ স্থিতি গজগজীয়া আছিল। ইংৰাজ শাসনৰ সময়তো শিল্পটোৰ অস্তিত্বৰ প্ৰসংগ বিশেষ চিন্তনীয় বুলি বিবেচিত হোৱা নাছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰশাসনিক বিভিন্ন কাৰক আৰু নীতি-নিৰ্দেশনাৰ ফলত এই শিল্পই অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত লাহে লাহে ভাবুকিৰ মুখামুখি হ'বলৈ ধৰে। পৰৱৰ্তী সময়ত অসমৰ কেৱল বৰপেটাতহে এই শিল্প কেইগৰাকীমান মুষ্টিমেয় সংখ্যক লোকে জীয়াই ৰাখিবলৈ সক্ষম হৈছিল। কিন্তু বৰ্তমান এই শিল্প মৃত্যুমুখী যাত্ৰাৰ দিশেৰে ধাৱমান হৈছে। এই উপ-অধ্যায়ত ভাৰতবৰ্ষৰ লগতে অসম তথা বৰপেটাৰ হাতীদাঁত শিল্পৰ ইতিহাস, এই শিল্পৰ লগত জড়িত বৰপেটাৰ প্ৰধান শিল্পীসকলৰ পৰিচয়, হাতীদাঁত-শিল্পৰ শৈল্পিক সমলসমূহ, নিৰ্মাণ-পদ্ধতি, শিল্পজাত সামগ্ৰীসমূহ নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বিবিধ সঁজুলি আদি ভিন্ন দিশ সামৰি আলোচনা আগবঢ়োৱা হৈছে।

**৫.২.১ হাতী-দাঁত শিল্পৰ ইতিহাস ঃ**

ভাৰতবৰ্ষত হাতীদাঁত-শিল্পৰ প্ৰাচীনত্বৰ বিষয়ে বিভিন্ন প্ৰাচীন গ্ৰন্থত ইয়াৰ উল্লেখৰ পৰা অনুমান কৰিব পাৰি। ভাগৱত শাস্ত্ৰ, শঙ্কৰদেৱৰ দ্বাৰা অনূদিত ভাগৱতৰ দশম স্কন্ধ আদিত হাতীদাঁত শিল্পৰ কথা উল্লেখ পোৱা যায়। পৌৰাণিক কাহিনী অনুসৰি প্ৰাগজ্যোতিষৰ ৰজা ভগদত্তই যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত বিভিন্ন বয়-বস্তুৰ লগতে হাতীদাঁত উপহাৰ হিচাপে প্ৰেৰণ কৰিছিল। ভাৰতৰ, বিশেষকৈ দিল্লী, কলকাতা আদিত থকা সংগ্ৰহালয়সমূহত সংৰক্ষিত হৈ থকা হাতীদাঁতৰ শিল্পসমূহেও অতীতৰ ভাৰতত হাতীদাঁত শিল্পৰ যে ব্যাপক চৰ্চা আছিল, সেই কথাৰ প্ৰমাণ দিয়ে। তদুপৰি ভাৰতবৰ্ষৰ ভিন্ন স্থানৰ পৰা দেশ-বিদেশৰ অন্য প্ৰান্তৰলৈ হাতীদাঁতৰ শিল্প-সামগ্ৰীৰ ৰপ্তানিও কৰা হৈছিল। ভাৰতৰ পৰা হাতীদাঁতৰ শিল্প-সামগ্ৰীৰ ৰপ্তানি ৰোমানসকলৰ দিনৰে পৰা আজিকোপতি চলি আহিছে। ভাৰতৰ পৰিপ্ৰেক্ষিতত হাতীদাঁত শিল্পৰ চৰ্চাৰ প্ৰধান কেন্দ্ৰবোৰ হৈছে— পঞ্জাৱৰ অমৃতচৰ, দিল্লী, উত্তৰ প্ৰদেশৰ বাৰানসী, ৰাজস্থানৰ জয়পুৰ, কেৰালাৰ ত্ৰিবান্দম আৰু পশ্চিমবংগৰ বেহৰামপুৰ।[১]

শিখসকলৰ ৰাজত্বকালত পঞ্জাৱৰ অমৃতচৰৰ খনিকৰসকলে হাতী দাঁতেৰে টেবুল লেম্প, শিকলিৰ আঙঠি গঁঠাৰ দৰে বালা প্ৰস্তুত কৰা আদি শিল্পকৰ্মত ব্যুৎপত্তি অৰ্জন কৰিছিল। উত্তৰ ভাৰতত মোগল সাম্ৰাজ্যৰ পৃষ্ঠপোষকতাত এই শিল্পই ব্যাপকভাৱে প্ৰসাৰতা লাভ কৰিছিল। যৎসামান্য ওখকৈ বা লাহীকৈ

কাটি উলিওৱা মোগল দৰবাৰৰ ফুলজাৰিৰ চানেকি আৰু জটিল ধৰণৰ জ্যামিতিক চানেকিবোৰে ইয়াৰ নিদৰ্শন দাঙি ধৰে। সম্প্ৰতি লক্ষ্ণৌ আৰু দিল্লী এই শিল্পৰ প্ৰধান কেন্দ্ৰস্বৰূপ হৈ পৰিছে। সৰু সৰু সঁফুৰা, কলমদানি, হাওদাত বহি যোৱা মানুহৰ মূৰ্তিসহ হাতীৰ মূৰ্তি, পেৰা, টেবুল লেম্প, মণিমালাৰ বাবে সাজি উলিওৱা অকণি অকণি গোলাপৰ কলি বা ইন্দ্ৰমালতী ফুল, চুলিত মৰা শলা আদি শৈল্পিক সামগ্ৰীবোৰ দিল্লী আৰু লক্ষ্ণৌত নিৰ্মিত হাতীদাঁত শিল্পৰ উদাহৰণ। বাৰানসী হিন্দু আৰু বৌদ্ধ ধৰ্মীয় উভয় লোকৰে তীৰ্থভূমি হোৱাৰ বাবে দুয়োটা ধৰ্মৰ লগত জড়িত কেতবোৰ বিশেষ বিশেষ সামগ্ৰী নিৰ্মাণ কৰা হয়। কদম গছত আউজি বংশী বজাই থকা ভগৱান শ্ৰীকৃষ্ণ আৰু ভিন্ন অংগী-ভংগী আৰু জোখৰ বুদ্ধ মূৰ্তি, বোধি বৃক্ষৰ তলত ধ্যানমগ্ন বুদ্ধ আদি মূৰ্তি বাৰানসীৰ হাতীদাঁত শিল্পৰ উল্লেখযোগ্য শিল্প-সামগ্ৰী। ৰাজস্থানতো মহাৰজাসকলৰ অনুপ্ৰেৰণাত বালা, দবা খেলৰ গুটি, লোক-কাহিনীৰ বিবিধ চৰিত্ৰ, কবিতা বা কাব্যৰ বিষয়বস্তু, পাৰ্বতীৰ অন্য এক ৰূপ ‘গাংঘৰ’ আদি হাতীদাঁতত কাটি উলিয়াইছিল। বৰ্তমানলৈকে সেই পৰম্পৰা ৰাজস্থানত অব্যাহত আছে। দক্ষিণ ভাৰতৰ কেৰালাত হাতী দাঁতেৰে বিভিন্ন দেৱ-দেৱীৰ প্ৰতিমা, যেনে ঃ ডম্বৰুধাৰী সদাশিৱ, গণেশ, ম’ৰাত আউজি থকা কাৰ্তিক, দুয়োকাষে দুটা হাতীৰে সৈতে সৌভাগ্যৰ অধিষ্ঠাত্ৰী দেৱী গজলক্ষ্মী আদি কাটি উলিওৱাৰ লগতে ছন্দময় অৱস্থান আৰু ভাৱব্যঞ্জক মুদ্ৰাৰে অন্য বিবিধ মূৰ্তিও কাটি উলিয়ায়। ৰাজ পৃষ্ঠপোষকতা লাভ কৰাৰ বাবে মহীশূৰত স্বকীয় পদ্ধতিৰে দেৱ-দেৱীৰ মূৰ্তিৰ লগতে বিছনাৰ চানেকি কটা পায়া, দুৱাৰৰ চিলিঙিৰ বাবে হাতী দাঁত খটোৱা বিভিন্ন সামগ্ৰী তৈয়াৰ কৰা হয়।[২] যুগল দাসে উল্লেখ কৰিছে যে “ভাৰতত হাতীদাঁতৰ কাম পূৰ্বৰ পৰা প্ৰচলন থাকিলেও মোগল সম্ৰাটসকলৰ দিনৰ পৰা পৃষ্ঠপোষকতা লাভ কৰি খ্যাতি লাভ কৰে। হাতীদাঁতৰ কামত দিল্লী, আগ্ৰা আৰু দক্ষিণ ভাৰতৰ কাৰিকৰসকলে বংশানুক্ৰমে খ্যাতি লাভ কৰি আহিছে।”[৩]

অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনতো হাতীদাঁত-শিল্পৰ এক বিশেষ ঐতিহ্য আছে। প্ৰাচীন কালৰে পৰা অসম অৰ্থাৎ কামৰূপ বা প্ৰাগজ্যোতিষপুৰ হাবি-জংঘলেৰে পৰিপূৰ্ণ এক ভৌগোলিক ক্ষেত্ৰ। সেই সময়ত অসমৰ হাবি-জংঘলত হাতী পৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল। আজিও অসমৰ অভয়াৰণ্যসমূহত হাতীৰ অস্তিত্ব আছে। মহাভাৰত তথা প্ৰাচীন অসমীয়া সাহিত্যবিশেষত হাতীক যুদ্ধ কৰিবলৈ ব্যৱহাৰ কৰা বা উপহাৰ হিচাপে প্ৰদান কৰাৰ কথা উল্লেখ আছে। মহাভাৰতৰ কুৰুক্ষেত্ৰ যুদ্ধত প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তই বিশাল হস্তীবাহিনী লৈ কৌৰৱৰ পক্ষত যুদ্ধত অৱতীৰ্ণ হৈছিল। মহাভাৰতৰ যুগত ভগদত্তই যুধিষ্ঠিৰলৈ পঠোৱা উপঢৌকনৰ লগত হাতী দাঁতৰ নাল থকা তৰোৱালো পঠাইছিল।[৪] সেইদৰে শঙ্কৰদেৱৰ ‘দশম’তো উল্লেখ আছে যে শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰি প্ৰাগজ্যোতিষৰ পৰা বহু সংখ্যক হাতী দ্বাৰকালৈ পঠিয়াই দিছিল। সপ্তম শতিকাৰ কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মনে মিত্ৰতাৰ চিনস্বৰূপে কনৌজৰ প্ৰবল প্ৰতাপী ৰজা হৰ্ষবৰ্ধনলৈ পঠোৱা উপঢৌকনৰ

লগত হাতীদাঁতৰ কুণ্ডল, গজমুক্তা আৰু আঙুঠিও আছিল বুলি বাণভট্টৰ 'হৰ্ষচৰিত'ত উল্লেখ আছে।[৫] এনেধৰণৰ উল্লেখৰ পৰা অসমত হাতীদাঁত শিল্পৰ প্ৰাচীনত্বৰ কথা অনুমান কৰিব পাৰি।

আহোম ৰাজত্বকালতো ৰজা শিৱসিংহ আৰু অম্বিকাদেৱীৰ পৃষ্ঠপোকতাত সুকুমাৰ বৰকাথে 'হস্তীবিদ্যাৰ্ণৱ' নামৰ সচিত্ৰ পুথিখনি সংস্কৃত মূল গ্ৰন্থ 'গজেন্দ্ৰ চিন্তামণি'ৰ আধাৰত ৰচনা কৰে। এই পুথিয়ে সেই সময়ৰ ৰাজশাসন পৰিচালনাৰ বাবে হাতী যে কিমান আৱশ্যকীয় প্ৰাণী আছিল, তাকে প্ৰতিপন্ন কৰে। তদুপৰি শৌৰ্য-বীৰ্য আৰু ক্ষমতাৰ প্ৰতীক হিচাপেও হাতীৰ এক বিশেষ মহত্ব আছে। ৰাজ্যৰ শাসন-ব্যৱস্থাৰ প্ৰতি দৃষ্টি ৰাখি কোনবোৰ হাতী ৰাজ্যৰ বাবে উপযুক্ত তথা প্ৰয়োজনীয়, সম্ভ্ৰান্ত লোকৰ বাবে তথা যুদ্ধ-বিগ্ৰহৰ বাবে কেনেকৈ হাতীক প্ৰশিক্ষণ দিব পাৰি, হাতীৰ পৰিচৰ্যা, ৰক্ষণাবেক্ষণ, ইয়াৰ চিকিৎসা আৰু ব্যৱস্থাপনা আদি বিষয়বস্তুক লৈ গ্ৰন্থখনি ৰচনা কৰা হৈছিল।[৬] হাতী দাঁতৰ সামগ্ৰী আহোম বিষয়া বা ডা-ডাঙৰীয়াসকলৰ অতি আদৰৰ বস্তু আছিল আৰু আহোম ৰজাৰ ৰাজশালত অনেক হাতী থকাৰ কথা Mr. I. Donaldৰ 'Monograph of Ivory Carving in Assam' শীৰ্ষক গ্ৰন্থত অৱতাৰণা কৰিছে। তেখেতে কৈছে যে আহোম ৰজাৰ দিনত এটা অতি গুৰুত্বপূৰ্ণ কলা হিচাপে হাতীদাঁত খোদা কামটো অসম ইংৰাজ শাসনৰ অধীনলৈ অহাৰ পিছৰে পৰা ক্ৰমান্বয়ে অৱনতি ঘটিছে। আহোম শাসনৰ কালছোৱাত এই উদ্যোগটোৱে টৌ খেলিছিল। খনিকৰ নামেৰে পৰিচিত শিল্পীসকলে কেৱল ৰজাসকলৰ বাবে কাম কৰিছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়ত কৰা সেই কামৰ বহুত মূল্য আছিল।[৭] এই প্ৰসংগত হিতেশ্বৰ বৰবৰুৱাই লিখিছে — "পহুৰ শিং আৰু হাতী দাঁতৰ কাম কৰা এভাগ খনিকৰ আছিল, সেই ভাগক 'বক্তাৰ' বা 'বক্তাৰ-খনিকৰ' বোলা হৈছিল। আহোম স্বৰ্গদেউসকলৰ দিনত হাতী-দাঁতৰ ফণি, কাকৈ, সিংহাসন, কৰণি, সেন্দুৰৰ টেমা ইত্যাদি বস্তুবিলাকৰ ওপৰত ৰজা, ডাঙৰীয়া আৰু বৰুৱা-ফুকন আদি বিষয়াসকলৰ বৰ আদৰ আছিল। বক্তাৰ খনিকৰবিলাকে সেইবিলাক প্ৰস্তুত কৰি যাৰ যি আৱশ্যক যোগাব লাগিছিল।... এই বক্তাৰ-খনিকৰবিলাক মুছলমান আছিল। সিবিলাকক ৰজাসকলে এই কাৰ্যৰ নিমিত্তে নিস্কৰ ভূমি আদি বৃত্তি দিছিল; আৰু সিবিলাক যাতে সেই কাৰ্য্যত সদায় নিযুক্ত থাকে, তাৰ নিমিত্তে ৰজাঘৰৰ পৰা বিশেষ চকু ৰখা হৈছিল।"[৮] বৰ্তমান নামনি অসমৰ বৰপেটাত হাতীদাঁত-শিল্পৰ অস্তিত্ব দেখা পোৱা গ'লেও আহোম ৰাজবংশৰ শাসন কালত এই শিল্প উজনিৰ যোৰহাটৰ ফালে চৰ্চিত হৈ আছিল। Mr. I Donaldএ যোৰহাটৰ হাতীদাঁত শিল্পী জনৈক ফিজ্নুৰ মুছলমানৰ নাম তেওঁৰ উল্লিখিত গ্ৰন্থখনত উল্লেখ কৰিছে।[৯] তেখেতৰ উল্লেখৰ পৰা জানিব পৰা যায় যে হাতীদাঁত শিল্পী হিচাপে খ্যাত ফিজ্নুৰ মুছলমানৰ মৃত্যুৰ লগে লগে যোৰহাটৰ লগতে সমগ্ৰ অসমত এই শিল্পই অস্তিত্বৰ সংকটত ভুগিব লগা হৈছে।

উজনি অসমত এই শিল্প আহোম ৰজাঘৰৰ পৃষ্ঠপোষকতাত ভালদৰেই চলি আছিল।[১০] আনকি আহোম ৰজাসকলে আন দেশৰ ৰজা-মহাৰজাক পুৰস্কাৰ-উপঢৌকন দিওঁতে বহুমূলীয়া হাতীদাঁতো

উপহাৰ হিচাপে দিছিল। লালুক বুঢ়া ফুকনৰ উপদেশ অনুসৰি চুডৈফা স্বৰ্গদেৱে চুলতান আজমতাৰা ঢাকালৈ আহোঁতে অন্যান্য উপহাৰৰ লগতে হাতীদাঁত ওঠৰটা হেনো পঠাই দিছিল। তদুপৰি হাতীদাঁতৰ খুৰাৰে সৈতে সোণৰ পীৰা দুখনো হেনো উপহাৰস্বৰূপে পঠাইছিল।[১১] আহোম শাসনৰ কালছোৱাত এই শিল্পৰ জয়জয় ময়ময় অৱস্থা আৰু ক্ৰমাগত ইয়াৰ অৱনতিৰ কথা হিতেশ্বৰ বৰবৰুৱাই আকৌ উল্লেখ কৰি কৈছে যে “আহোম ৰজাৰ হাতী-শালত অনেক হাতী আছিল। এইবিলাক হাতীৰপৰা পোৱা দাঁতৰ বাহিৰেও বনৰীয়া হাতী মাৰিও অনেক দাঁত সংগ্ৰহ কৰা হৈছিল। মুঠতে ক’বলৈ গ’লে, ৰজাৰ দিনত হাতী-দাঁতৰ অভাৱ নাছিল আৰু বক্তাৰ-খনিকৰবিলাকেও বহি থাকিবলৈ নাপাইছিল। কিন্তু ক্ৰমে ইংৰাজৰ হাতলৈ দেশ অহাত Elephant Preservation Act প্ৰচাৰ হোৱাত, হাতী-দাঁত পাবলৈ নাইকিয়া হৈ আহিল, আৰু বক্তাৰ-খনিকৰবিলাকেও হাত সাৱটি থাকিবলগা হৈ আহিল। গতিকেই সিবিলাকে জীৱিকা নিৰ্বাহৰ নিমিত্তে অন্য ব্যৱসায় অৱলম্বন কৰিবলৈ বাধ্য হ’ল। এই অনুক্ৰমে ক্ৰমাগত বক্তাৰ-খনিকৰ অসমত নাইকিয়া হ’লহি।” [১২] Mr. I. Donaldএ আহোম শাসনকালীন এই শিল্পৰ স্থিতি সম্পৰ্কে কিছু বিস্তৃতভাৱে এনেদৰে লিখিছে যে আহোম ৰজাসকলৰ অধীনত এই শিল্পবিধ ঐচ্ছিকভাৱে চলোৱা হোৱা নাছিল। বাধ্যতামূলক শিল্প হিচাপেই বৰ্তি আছিল। প্ৰতিজন শিল্পী যাতে নিজৰ ব্যৱসায়ত ব্যস্ত হৈ থাকিব পাৰে, তাৰ প্ৰতি যত্ন লোৱা হৈছিল। আনহাতে একে সময়তে এই শিল্পৰ আধাৰত জীৱিকাও নিশ্চিত আছিল। কিন্তু ৰজাসকলৰ হাতৰ পৰা শাসন-ব্যৱস্থা নাইকিয়া হোৱাৰ লগে লগে ইয়াৰ প্ৰভাৱো বন্ধ হৈ পৰিল। মাটি আৰু গৰু থকা হাতীদাঁতৰ শিল্পীসকলে মূলতঃ কৃষিকে জীৱিকা হিচাপে গ্ৰহণ কৰিবলৈ ল’লে। জীৱন আৰু জীৱিকাৰ বাবে বিশেষ চিন্তা নথকা শিল্পীসকলে নিজৰ শিল্প বা উদ্যোগটোক ভৱিষ্যতলৈ জীয়াই ৰাখিবৰ বাবে কোনো বিহিত পদক্ষেপ গ্ৰহণ কৰা  নাছিল।[১৩] এনেদৰে দেখা যায় যে আহোম স্বৰ্গদেউসকলৰ দিনত হাতীদাঁতৰ শিল্পবস্তুৰ নিৰ্মাণ সন্তোষজনকভাৱে চলি আছিল। বৃটিছসকলৰ অসম আগমনৰ পৰৱৰ্তী কালতহে প্ৰশাসনীয় বিভিন্ন নীতি-নিৰ্দেশনা অনুসৰি হাতীদাঁত সংগ্ৰহৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আহি পৰিল। ফলত কেঁচা সামগ্ৰীৰ অভাৱৰ ফলত এই শিল্পৰ গতি লাহে লাহে স্তিমিত হৈ আহিল। শিল্পীসকলেও এই শিল্পৰ জৰিয়তে জীৱন নিৰ্বাহৰ পৰ্যাপ্ত সা-সুবিধা লাভ কৰিব নোৱাৰি অন্য ক্ষেত্ৰৰ সৈতে জড়িত হৈ পৰিল। শিল্পীসকলৰ পৰৱৰ্তী প্ৰজন্মইও শিল্পটোৰ মাজত জীৱিকাৰ দীৰ্ঘম্যাদী উজ্জ্বল সম্ভাৱনা নেদেখি এই শিল্পৰ জ্ঞান আহৰণৰ পৰা আঁতৰি ৰ’ল। এনে কাৰণতে হাতীদাঁত শিল্পৰ অস্তিত্ব আজি সংকটাপন্ন।

### ৫.২.২ ঐতিহাসিক কালৰ পৰা সাম্প্ৰতিক কাললৈকে হাতী-দাঁত শিল্পৰ লগত জড়িত শিল্পীসকল

আহোম যুগত অসমত হাতীদাঁত শিল্পৰ এক সমৃদ্ধিশালী অৱস্থাই বিৰাজ কৰিছিল। সেই সময়ত কোন কোন শিল্পী এই শিল্পৰ সৈতে জড়িত আছিল, সেই বিষয়ে জনা নাযায়। শেহতীয়াভাৱে Mr.

I. Donaldৰ ৰচনাৰ জৰিয়তে যোৰহাটৰ ফিজ্নুৰ মুছলমানৰ কথা জানিব পাৰি। আহোম শাসনৰ সময়ত এই শিল্পীগৰাকীয়ে খনিকৰৰ কাম কৰিছিল। কিন্তু কেনেধৰণৰ শিল্পবস্তু তেওঁ তৈয়াৰ কৰিছিল, তেনেধৰণৰ তথ্যও আমাৰ হাতত নাই। অৱশ্যে এখেতৰ পৰৱৰ্তী প্ৰায়সকল শিল্পীৰ নাম ইতিহাসে মনত ৰাখিবলৈ সক্ষম হৈছে। আহোম ৰাজশাসনৰ শেষ কালছোৱাৰ তথা বৃটিছসকলৰ আগমনৰ প্ৰথম ভাগৰ বুলি দাবী কৰা এগৰাকী শিল্পীৰ প্ৰসংগ এই ক্ষেত্ৰত উল্লেখযোগ্য। তেওঁ হ'ল বাহাদুৰ গাঁওবুঢ়া। এওঁক মণিৰাম দেৱানৰ সমসাময়িক তথা পুৰন্দৰ সিংহৰ দিনত এখেতে গাঁওবুঢ়াৰ দায়িত্ব পালন কৰিছিল বুলি কোনো কোনোৱে ক'ব খোজে। বেণুধৰ শৰ্মাই উল্লেখ কৰা অনুসৰি তামৰ ফলিত আখৰ কটা কামৰ উপৰিও হাতীদাঁতৰ ফণী, টেমা, সঁফুৰা, বিচনী আৰু ৰজাৰ বাবে মোহৰৰ সাঁচ প্ৰস্তুত কৰা কৰ্মত তেওঁ নিয়োজিত আছিল।[১৪] তদুপৰি আউনীআটী সত্ৰত সংৰক্ষিত হৈ থকা হাতীদাঁতৰ পাটীখনো এখেতৰ দ্বাৰা প্ৰস্তুত হৈছিল বুলি বেণুধৰ শৰ্মাৰি উপৰি বহু লোকে ক'ব খোজে। এই পাটীখনৰ বিষয়ে যুগল দাসে কৈছে, "এই পাটীখন দীঘলে প্ৰায় চাৰিফুট আৰু বহলে প্ৰায় তিনিফুট হ'ব। পাটীৰ দৈবোৰ হাতীদাঁতেৰে কেনেকৈ তুলিলে ভাবিলে আচৰিত হ'ব লাগে। তাৰ কাৰিকৰে হাতীদাঁত কোমলাই বাঁহ-বেতৰ দৰে কোমল কৰা কিবা পদ্ধতি জানিছিল।"[১৫]

পৰৱৰ্তী সময়ত এই হাতীদাঁত শিল্প অসমৰ কেৱল বৰপেটা অঞ্চলক কেন্দ্ৰ কৰিয়ে চৰ্চিত হ'বলৈ ধৰে। বৰপেটাৰ এই শিল্পবিধে কেৱল অসমতে নহয়, ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বজুৰি খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু সম্প্ৰতি বৰপেটাতো এই শিল্পৰ স্থিতি একেবাৰে সংকটৰ গৰাহত। ইয়াৰ সৈতে বিভিন্ন ৰাজনৈতিক, প্ৰশাসনিক কাৰক জড়িত হৈ আছে।

বৰপেটাত মুঠতে চাৰিখন হাতীদাঁতৰ শিল্পশালা থকাৰ কথা জনা যায়।[১৬] আটাইকেইখন শিল্পশালাই এসময়ত ইয়াৰ শৈল্পিক সামগ্ৰীসমূহৰ জৰিয়তে বিশেষ খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু বৰ্তমান আটাইকেইখন শিল্পশালাই বন্ধ হৈছে। ক'বলৈ গ'লে বৰপেটাত এতিয়া হাতীদাঁত শিল্পৰ লগত জড়িত কেৱল এগৰাকী শিল্পীহে জীয়াই আছে। তেখেত হ'ল টিকেন্দ্ৰজিৎ বায়ন। নব্বৈৰ ঊৰ্দ্ধ বয়সৰ এই শিল্পীগৰাকীৰ উত্তৰসূৰী কোনো শিল্পী এই শিল্পৰ লগত জড়িত হ'বলৈ ন্যূনতম সুযোগ আৰু সম্ভাৱনা লাভ কৰিবলৈ সক্ষম নহ'ল। যাৰ পৰিণতিস্বৰূপে এই শিল্পবিধো এতিয়া অসমৰপৰাই বিলুপ্ত হোৱা সম্ভাৱনা প্ৰকট।

ঊনৈশ শতিকাৰ আদিভাগত বৰপেটাত আত্মাৰাম দাস নামৰ এগৰাকী সত্ৰীয়া ভকতে হাতীদাঁতৰ শিল্প নিৰ্মাণৰ কাম আৰম্ভ কৰে। অৱশ্যে বৰপেটা সত্ৰত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ দিনতে নিৰ্মিত হাতীদাঁতৰ নাল থকা এখন কটাৰী সংৰক্ষিত হৈ আছে। এই কথালৈ চাই সেয়ে অনুমান কৰা হয় যে মাধৱদেৱৰ সমকালীন বৰপেটা সত্ৰত বা তাৰ আশে-পাশে এই লোকশিল্পবিধৰ চৰ্চা কম পৰিসৰত হ'লেও আৰম্ভ

কৰা হৈছিল। অৰ্থাৎ বৰপেটাত এই শিল্পবিধৰ ইতিহাসৰ আৰম্ভণি ষোল্লশ শতিকাৰ শেষভাগ বা সপ্তদশ শতিকাৰ আদিভাগ বুলি ক'ব পাৰি। ...কিন্তু এই সময়ছোৱাৰ কোনো হাতীদাঁত শিল্পীৰ কথা বুৰঞ্জীয়ে নিৰ্দিষ্টকৈ দেখুৱাব পৰা নাই।[১৭] আনহাতে কৰুণা দাসে বৰপেটাত হাতীদাঁত শিল্পকলাৰ কোনো নিৰ্ভৰযোগ্য ঐতিহাসিক তথ্য নথকাৰ পৰিপ্ৰেক্ষিতত উক্ত বিশেষ কটাৰীখন বৰপেটাত নিৰ্মিত নহয় বুলিয়ে অনুমান কৰিছে।[১৮] এনে পৰিপ্ৰেক্ষিতত আত্মাৰাম দাস নামৰ শিল্পীগৰাকীকে বৰপেটাৰ হাতীদাঁত শিল্পৰ ইতিহাসত প্ৰথমগৰাকী শিল্পী হিচাপে অভিহিত কৰা হয়। আত্মাৰাম মিস্ত্ৰী নামেৰে প্ৰসিদ্ধ এই শিল্পীগৰাকীয়েই সুশৃংখলিত ৰূপত বৰপেটাত হাতীদাঁত শিল্প গঢ় দি উত্তৰ কালৰ বাবে প্ৰবাহিত কৰি নিয়ে। পিতৃ-মাতৃৰ পৰিচয় জনা নাযায় যদিও এইগৰাকী শিল্পীৰ ঘৰ বৰপেটাৰ ৩ নম্বৰ গলিয়াহাটী বা কাকতিহাটীত বুলি জানিব পাৰি। সত্ৰৰ বিশেষ নিয়ম অনুসৰি আত্মাৰাম দাস নামৰ শিল্পীগৰাকীয়ে প্ৰতি বছৰে বৰপেটা সত্ৰৰ পৰা খবৰ-বাতৰি লৈ উজনিৰ সত্ৰসমূহলৈ যাব লগা হৈছিল আৰু উজনিৰ পৰাও সেইদৰে খবৰ-বাতৰি লৈ বৰপেটা সত্ৰত দিছিলহি। অনুমান কৰা হয় যে উজনিৰ সত্ৰসমূহলৈ যোৱাৰ সুযোগতে তেওঁ শিৱসাগৰৰ কোনো অঞ্চলত হাতীদাঁত শিল্পৰ কাম আয়ত্ত কৰে। পৰৱৰ্তী সময়ত এই শিল্পক সত্ৰীয়া মৰ্যাদাৰে চৰ্চা কৰি শিল্পটোক জনমানসত তুলি ধৰিবলৈ তেওঁ অশেষ চেষ্টা কৰিছিল।[১৯] আত্মাৰাম শিলত মূৰ্তি কটা আৰু কাঠমিস্ত্ৰীৰ কামত নিপুণ আছিল। গতিকে হাতীদাঁতৰ শিল্প নিৰ্মাণৰ কামটোও তেওঁৰ বাবে সহজ হৈছিল।[২০]

আত্মাৰাম শৰ্মাৰ পৰৱৰ্তী এই শিল্পক আগুৱাই লৈ যোৱা শিল্পীগৰাকী হৈছে তেওঁৰেই প্ৰিয় আৰু প্ৰথম শিষ্য ৰাধানাথ দাস। এখেতৰ ঘৰো বৰপেটাৰ গলিয়াহাটীতে আছিল। পিতৃৰ নাম বাতিৰাম দাস আৰু মাতৃৰ নাম পাটোবালা দাস। এখেতে গুৰুৰ পৰা হাতীদাঁত শিল্পক সম্পূৰ্ণৰূপে আয়ত্ত কৰি শিল্পটোক এক নতুন মাত্ৰা প্ৰদান কৰে। ৰাধাকান্ত দাসৰ শৈল্পিক দক্ষতাৰ বিষয়ে কৰুণা দত্তই লিখিছে এনেদৰে —''কাঠৰ মূৰ্তি কটা, ফুল কটা আদি কামত ৰাধাকান্ত আছিল অতি সুনিপুণ শিল্পী। ইয়াৰ উপৰি সোণ, ৰূপৰ কাৰুকাৰ্যতো তেওঁৰ শিল্প-দক্ষতা আছিল সূক্ষ্ম। বৰপেটা সত্ৰত থকা বদুলা আতাৰ ভেটি-গৃহৰ বেৰবোৰত ভগৱান মাহাত্ম্যৰে পৰিপূৰ্ণকৈ খোদিত কাঠৰ চিত্ৰ আৰু কীৰ্তন ঘৰৰ উত্তৰ-পূব পিনৰ (মঠৰ চোতালৰ ফালৰ) প্ৰৱেশদ্বাৰৰ 'কাপেলী'ত চান্দি ৰূপেৰে খোদিত চিত্ৰসমূহে আজিও সুনিপুণ শিল্পী ৰাধাকান্ত দাসৰ শিল্প নৈপুণ্যৰ চিনাকী দি আছে।''[২১] তদুপৰি শুৱালকুছিৰ কীৰ্তন ঘৰত খোদিত কাঠৰ শিল্পসমূহেও তেখেতৰ শিল্পসত্তাৰ পৰিচয় বহন কৰি আছে। মহাৰাণী ভিক্টোৰিয়াৰ মূৰ্তিৰ ফণিখন (দৈৰ্ঘ্য চাৰি ইঞ্চি আৰু প্ৰস্থ আঢ়ৈ ইঞ্চি) ৰাধাকান্ত দাসে তৈয়াৰ কৰিছিল। এইগৰাকী শিল্পীক ইংৰাজ চৰকাৰে ১৯১০ চনত ধুবুৰীত অনুষ্ঠিত 'ধুবুৰী ইণ্ডাষ্ট্ৰিয়েল এণ্ড এগ্ৰিকালচাৰ এগ্‌জিবিচ্ন'ত ৰূপৰ পদকেৰে সন্মান প্ৰদান কৰিছিল।[২২]

ৰাধানাথ দাসৰ মৃত্যুৰ পিছত তেখেতৰে সুযোগ্য সন্তান জগন্নাথ দাসে হাতীদাঁত শিল্পৰ সৈতে

জড়িত হৈ দেউতাকৰ স্মৃতিত ১৯২৫ চনত বৰপেটাৰ গলিয়াহাটীত ‘ৰাধানাথ আইভৰী হাউচ’ নামেৰে এটি শিল্প প্ৰতিষ্ঠান গঢ়ি তোলে।[২৩] অসমৰ হাতীদাঁত শিল্পক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এখেত আছিল অগ্ৰণী। তেওঁৰ দ্বাৰা নিৰ্মিত কেইবিধমান হাতীদাঁত শিল্প হ’ল ঃ গুৰু আসন, বিভিন্ন দেৱ-দেৱী,জীৱ-জন্তু আৰু চৰাই-চিৰিকটিৰ মূৰ্তি তথা কায়াকৃতি, শৰাই, আ-অলংকাৰ, খৰম, অলংকাৰ থোৱা বাকচ, লাখুটি, সেন্দূৰৰ কোটা, ফণী, মাকো, ডবা খেলৰ গুটি আদি। শিল্পীজনে হাতীদাঁতেৰে তৈয়াৰ কৰি উলিওৱা কপৌ চৰাই, লাখুটিবোৰে ভাৰতৰ লগতে দেশ-বিদেশতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ধুনীয়া কেইটিমান ঘোঁৰাৰে সৈতে শ্ৰীকৃষ্ণৰ ৰথৰ মূৰ্তিটো তেওঁৰ শিল্প-প্ৰতিভাৰ জীৱন্ত স্বাক্ষৰ। মূৰ্তিটো বৰ্তমান লণ্ডনৰ মিউজিয়ামত সংৰক্ষিত হৈ আছে।[২৪] শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰতো জগন্নাথ দাসৰ শিল্পৰ নিদৰ্শন সংৰক্ষিত অৱস্থাত আছে। ১৯২৩ চনত ‘কামৰূপ ইণ্ডাষ্ট্ৰিয়েল এণ্ড এগ্ৰিকালচাৰ এগ্‌জিবিছ্ন’ত ৰূপৰ পদক আৰু ১৯৩০ চনত ইংৰাজ চৰকাৰে সোণৰ পদকেৰে তেওঁক সন্মানিত কৰে। এইজনা শিল্পীৰ তত্ত্বাৱধানতে তেওঁৰে বংশৰ ভগৱান দাস, কৰুণাকান্ত দাস, শৈলেন্দ্ৰনাথ দাস, নৰহৰি দাস, টিকেন্দ্ৰজিৎ বায়ন, ৰোহিনী দাস, বদন দাস, বামদেৱ মিশ্ৰ, কমলচন্দ্ৰ বায়ন আদি লোকসকলে এই শিল্পকৰ্ম আয়ত্ত কৰিছিল। এইসকলৰ ভিতৰত বৰ্তমান কেৱল টিকেন্দ্ৰজিৎ বায়নহে জীয়াই আছে যদিও বাৰ্ধক্যজনিত কাৰণত তেৰোঁ শিল্পচৰ্চা কৰিব পৰা অৱস্থাত নাই।

হাতীদাঁত শিল্পৰ সৈতে জড়িত বৰপেটাৰ আন এগৰাকী প্ৰতিভাসম্পন্ন শিল্পী হৈছে ভগৱান দাস। জগন্নাথ দাসৰ পৰাই হাতীদাঁত শিল্পৰ জ্ঞান আহৰণ কৰি পৰৱৰ্তী সময়ত এই বিদ্যাত তেখেতে বিশেষ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল। যাৰ স্বীকৃতি হিচাপে তেওঁ ১৯৪৬ চনত চৰকাৰী অনুজ্ঞাপত্ৰ লাভ কৰাৰ লগতে বছৰি চাৰি মোণ (১৬০০ কিলোগ্ৰাম)কৈ হাতীদাঁত শিল্প-চৰ্চাৰ বাবে লাভ কৰিছিল। অৱশ্যে স্বাধীনোত্তৰ কালত অৰ্থাৎ ১৯৫৬ চনত চৰকাৰে এই অনুজ্ঞাপত্ৰ বাতিল কৰে।[২৫] ১৯২৭ চনত বৰপেটাৰ গলিয়াহাটীত ‘আসাম আইভৰী ৱৰ্ক্‌চ’ নামৰ এটি শিল্প প্ৰতিষ্ঠান মুকলি কৰি তাত হাতীদাঁতৰ বিভিন্ন শিল্প, যেনে ঃ বিভিন্ন দেৱ-দেৱী, জীৱ-জন্তু, চৰাই-চিৰিকটি আদিৰ মূৰ্তি বা কায়াকৃতি, শৰাই, গুৰু আসন, খৰম, বিবিধ আ-অলংকাৰ, হাতীদাঁতৰ তাজমহল, কোট চোলাত মৰা বেজ, ফণী, মাকো, বুটাম আদি তৈয়াৰ কৰিছিল। ভগৱান দাসৰ শিল্প-প্ৰতিষ্ঠানটোতে আন কেইবাগৰাকী লোকে এই শিল্পকলাৰ সৈতে জড়িত হৈ পিছলৈ প্ৰতিষ্ঠিত শিল্পী হিচাপে নিজকে আত্মনিয়োগ কৰিবলৈ সুবিধা লাভ কৰিছিল। তাৰ ভিতৰত নৰহৰি দাসৰ লগতে ডম্বৰু পাঠক, ভূপেন দাস, জয় পাঠক, টিকিন দাস, অনিল দাস, লক্ষ্মীকান্ত দাস, অমৰ দাস আৰু তেওঁৰ পাচোঁজন পুত্ৰ ক্ৰমে অবিনাশ দাস, অজিৎ দাস, প্ৰমোদ দাস, চিত্তৰঞ্জন দাস আৰু ব্ৰজেন দাসে হাতীদাঁত শিল্পৰ কাম আয়ত্ত কৰি ব্যুৎপত্তি লাভ কৰিছিল। পিছলৈ তেওঁলোকে পৰিস্থিতিগত কাৰণত এই শিল্পকৰ্মৰ ধাৰা অব্যাহত ৰাখিব নোৱাৰি অন্য কৰ্মত নিয়োজিত

হয়। সেইদৰে স্বাধীনোত্তৰ কালত চৰকাৰী পক্ষৰ পৰাও পৰ্যাপ্ত সা-সুবিধাৰ অভাৱত শিল্পীজনৰ 'আসাম আইভৰী ৱৰ্ক্‌চ' নামৰ প্ৰতিষ্ঠানটো ১৯৮২ চনত বন্ধ হৈ পৰে।

বৰপেটাৰ আন এগৰাকী হাতীদাঁত শিল্পী হ'ল কৰুণাকান্ত দাস। ১৯১০ চনত জন্ম গ্ৰহণ কৰা এইগৰাকী শিল্পীয়ে ৰাধানাথ দাসৰ পৰাই এই শিল্পৰ কাম শিকি নিজাকৈ 'বৰপেটা আইভৰী ৱৰ্কচ' নামৰ এটি শিল্প প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰে। কিন্তু হাতীদাঁতৰ যোগান কমি অহাত এই প্ৰতিষ্ঠানটোও ১৯৭৭ চনত বন্ধ হৈ পৰে।[২৬] শিল্পীগৰাকীয়ে বিভিন্ন দেৱ-দেৱীৰ মূৰ্তিৰ লগতে বুদ্ধদেৱৰ মূৰ্তিও হাতীদাঁতেৰে নিৰ্মাণ কৰি উলিয়াইছিল। তদুপৰি বিভিন্ন জীৱ-জন্তু, চৰাই, ফণী আদিও তেখেতে নিৰ্মাণ কৰিছিল বুলি জানিব পৰা যায়।

নৰহৰি দাস (পাঠক) বৰপেটাৰ হাতীদাঁত শিল্পৰ অন্য এগৰাকী প্ৰখ্যাত শিল্পী আছিল। ১৯২৬ চনত জন্মগ্ৰহণ কৰা এই শিল্পীগৰাকীয়ে ভগৱান দাসৰ পৰা হাতীদাঁত শিল্পৰ জ্ঞান আয়ত্ত কৰিছিল। 'নিউ আইভৰী ৱৰ্কচ' নামৰ এটি শিল্প প্ৰতিষ্ঠান ১৯৫০ চনত তেখেতে প্ৰতিষ্ঠা কৰি তাৰ জৰিয়তে শিল্প-চৰ্চা অব্যাহত ৰাখিছিল। হাতীদাঁতৰ চৰকাৰী যোগান কমি অহাত ১৯৭৯ চনতে এই প্ৰতিষ্ঠানটোও বন্ধ হৈ যায়। পৰৱৰ্তী জীৱিকা সংক্ৰান্তত তেখেতে গুৱাহাটীলৈ গৈ অন্য কৰ্মত নিজকে নিয়োগ কৰে।

বৰপেটাৰ হাতীদাঁত শিল্পীসকলৰ ভিতৰত মনমোহন পাঠকৰ নামো উল্লেখযোগ্য। ১৯২৭ চনত জন্মগ্ৰহণ কৰা এইগৰাকী শিল্পীয়েও ভগৱান দাসৰ ওচৰতে এই শিল্পৰ বিদ্যা আহৰণ কৰে। ১৯৫১ চনত তেখেতে বৃন্দাবন হাটীত 'নিৰুপমা আইভৰী ৱৰ্ক্‌চ' নামৰ শিল্প-প্ৰতিষ্ঠানটো খুলি শিল্প-চৰ্চা অব্যাহত ৰাখিছিল। সেই বছৰতে তেওঁ চৰকাৰৰ ফালৰ পৰা দুই মোন হাতীদাঁত কম মূল্যতে লাভ কৰিছিল। পৰৱৰ্তী সময়ত কেঁচামালৰ অভাৱত ১৯৭৭ চনত এই প্ৰতিষ্ঠানটোও বন্ধ হয়।

হাতীদাঁত শিল্পী ৰাধানাথ দাসৰ নাতি তথা জগন্নাথ দাসৰ পুত্ৰ শৈলেন্দ্ৰনাথ দাসেও বংশসূত্ৰে হাতীদাঁত শিল্পৰ কাম শিকি এগৰাকী পৈণত শিল্পী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। ১৯৪১ চনত জন্ম গ্ৰহণ কৰা শিল্পীগৰাকীয়ে দেউতাকৰ মৃত্যুৰ পিছত 'ৰাধানাথ আইভৰী হাউচ'ৰ দায়িত্ব বহন কৰিছিল। অৱশ্যে কেঁচামালৰ অভাৱৰ বাবে শিল্প-প্ৰতিষ্ঠানটো বন্ধ হৈ পৰাৰ লগতে শিল্পীগৰাকীয়ে পিছলৈ কাঠৰ শিল্পবস্তু নিৰ্মাণতে নিজকে নিয়োজিত কৰে। এইগৰাকী শিল্পীয়েও পিতৃৰ দৰে হাতীদাঁত শিল্পকৰ্মৰ প্ৰসাৰত অৰিহণা যোগাই গৈছে।

হাতীদাঁত-শিল্পৰ ক্ষেত্ৰত জড়িত বৰপেটাৰ আন দুগৰাকী শিল্পী হ'ল ক্ৰমে কমল চন্দ্ৰ বায়ন আৰু অনিল কুমাৰ দাস। প্ৰথমগৰাকী শিল্পীয়ে জগন্নাথ দাসৰ পৰা এই শিল্পৰ কাম আয়ত্ত কৰি প্ৰায় পাঁচ বছৰ কাল (১৯৪৯ চনৰ পৰা ১৯৫৩ চনলৈকে) এই শিল্পৰ সৈতে জড়িত হৈ আছিল। সেইদৰে দ্বিতীয়গৰাকী শিল্পীয়ে ভগৱান দাসৰ অধীনত এই শিল্পৰ বিদ্যা আহৰণ কৰি প্ৰায় দহ বছৰ শিল্প-চৰ্চাত মনোনিৱেশ কৰিছিল।

পিছলৈ দুয়োগৰাকী শিল্পীয়ে শিক্ষকতাকে জীৱিকা হিচাপে গ্ৰহণ কৰাত এই শিল্পৰ পৰা আঁতৰি আহিব লগা হয়। অৱশ্যে কেঁচামালৰ অভাৱো ইয়াৰ আন এটা কাৰণ। শিল্পীগৰাকীয়ে নিৰ্মাণ কৰা হাতীদাঁতৰ এখন টেবুল আৰু এডাল নেক্‌লেচ তেখেতৰ বাসগৃহত এতিয়াও সংৰক্ষিত হৈ আছে।

বৰপেটাৰ হাতীদাঁত শিল্পক জীয়াই ৰাখিবলৈ এই পৰ্যন্ত চেষ্টা কৰি থকা একমাত্ৰ জীৱিত শিল্পীজন হৈছে টিকেন্দ্ৰজিৎ বায়ন। বৰ্তমান নব্বৈৰ উৰ্দ্ধ বয়সৰ এই শিল্পীগৰাকীয়ে হাতীদাঁত শিল্পৰ প্ৰশিক্ষণ লাভ কৰিছিল জগন্নাথ দাসৰ পৰা। জগন্নাথ দাসৰ 'ৰাধানাথ আইভৰী হাউচ'ত একেৰাহে প্ৰায় ১৮ বছৰ এই শিল্পৰ প্ৰশিক্ষণ লাভ কৰাৰ পিছত তেখেতে নিজাকৈ বৰপেটাৰ গলিয়াহাটীত ১৯৭১ চনত 'ভগৱতী আইভৰী এণ্ড উড্ কাৰ্ভিং ৱৰ্ক্‌চ' নামৰ এটি শিল্প-প্ৰতিষ্ঠান মুকলি কৰে।[২৭] টিকেন্দ্ৰজিৎ বায়নে নিৰ্মাণ কৰা হাতীদাঁত শিল্প-সামগ্ৰীসমূহৰ শৈল্পিক সৌন্দৰ্য তথা মান অন্য বহুজন শিল্পীৰ তুলনাত ব্যতিক্ৰম। নিখুঁত, আকৰ্ষণীয় আৰু কলাসুলভ গুণেৰে সমৃদ্ধ তেখেতৰ প্ৰতিটো শিল্পকৰ্ম চালে চকুৰোৱা। কেতবোৰ শিল্পকৰ্মত আখৰ বা ফুল কাটি এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। এইগৰাকী শিল্পীয়ে নিৰ্মাণ কৰা কেইপদমান হাতীদাঁত শিল্প-সামগ্ৰী হৈছে গহণা থোৱা বাকচ, পাউদাৰ কেচ, ডাঙৰ ফুলকটা ফণি, সৰু পকেট ফণি, সেন্দূৰ থোৱা বাকচ, আঙুঠি, সোণ খটোৱা খাৰু, দোৱাত কলম, লাখুটি, গঁড়, হাতী, নানাবিধ মূৰ্তি, খোপাত গুঁজি লোৱা কাটা, বিভিন্ন অলংকাৰ আদি। এই শিল্পবোৰত আকৌ নানা কাৰুকাৰ্য খচিত কৰা হয়। ঠায়ে ঠায়ে বাখৰ, ফুল আদি অংকন কৰা হয়। উল্লেখযোগ্য যে, ১৯৮২ চনত ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি অসমলৈ আহোঁতে শিল্পী টিকেন্দ্ৰজিৎ বায়নে নিৰ্মাণ কৰা এটা ৬ ইঞ্চি দীঘল, ৪ ইঞ্চি ওখ আৰু ৩ ইঞ্চি বহল হাতীদাঁতৰ এটা গঁড় উপহাৰ দিয়া হৈছিল।[২৮] তদুপৰি ১৯৮৪ চনত ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি অসমলৈ আহোঁতে শিল্পীজনে তৈয়াৰ কৰা 'লাখুটি' অসম চৰকাৰৰ ফালপৰা উপহাৰস্বৰূপে দিয়া হৈছিল। সেইদৰে একে বছৰতে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰকো তেওঁ বনোৱা এযোৰ খৰম উপহাৰ হিচাপে আগবঢ়োৱা হয়।[২৯]

টিকেন্দ্ৰজিৎ বায়নে হাতীদাঁত শিল্পৰ বাবে বিভিন্ন সময়ত বিভিন্ন সন্মান তথা পুৰস্কাৰ লাভ কৰিছে। ১৯৮৫ চনত অসম চৰকাৰে অনুষ্ঠিত কৰা প্ৰদৰ্শনীত তেওঁ পুৰস্কাৰ আৰু প্ৰশংসা-পত্ৰ লাভ কৰে। তদুপৰি ভাৰত চৰকাৰৰ 'কমাৰ্চ মাৰ্কেটিং এণ্ড চাৰ্ভিছ এক্সটেনশ্যন চেণ্টাৰ'এ গৌৰীপুৰত আয়োজন কৰা বিশেষ প্ৰদৰ্শনীতো তেখেতে মানপত্ৰ লাভ কৰে। ১৯৮৬ চনত নতুন দিল্লীত আয়োজিত গণৰাজ্য দিৱসত অসমে প্ৰথম স্থান লাভ কৰা প্ৰতীকপট 'গুৰু আসন'খনো বায়নেই সাজি উলিয়াছিল। ১৯৯৯ চনত চৰকাৰৰ ফালৰ পৰা এখেতে শিল্পী পেঞ্চনো লাভ কৰে।

টিকেন্দ্ৰজিৎ বায়নে হাতীদাঁত শিল্পৰ কাম শিকি থকাৰ সময়ত শিল্পটোৰ অৱস্থা সমৃদ্ধিশালী আছিল। এই সম্পৰ্কে তেখেতে কৈছে, "১৯৪৬ চনত অৰ্থাৎ মই কাম শিকি থকাৰ সময়ত চৰকাৰে

সুলভ মূল্যত প্ৰতি কিলোত ৭৫ টকাকৈ হাতীদাঁত দিছিল আৰু সেই কাৰণে হাতীদাঁত শিল্পৰ অৱস্থাও বৰ ভাল আছিল।...চৰকাৰে বছৰে অন্ততঃ ৪০ কিলোকৈ একোজন শিল্পীক হাতীদাঁত যোগান ধৰিব পাৰিলে মৃত্যুৰ দুৱাৰদলিৰ পৰা উদ্ধাৰ হ'লহেঁতেন।"[৩০] চৰকাৰে হাতীদাঁত শিল্পৰ যোগান বন্ধ কৰাৰ পিছত বায়নে কাঠৰ গুৰুআসন তৈয়াৰ কৰিয়ে জীৱন নিৰ্বাহ কৰিব লগা হৈছিল। কাৰণ কাঠশিল্পী হিচাপেও বায়নৰ শিল্প- প্ৰতিভা লক্ষণীয় আছিল। বৰ্তমান বাৰ্ধক্যজনিত কাৰণত শিল্পীগৰাকী শিল্প-চৰ্চাৰ পৰা আঁতৰি আছে। আনহাতে শিল্প-চৰ্চাৰ বাবে হাতীদাঁতৰ অভাৱ। এনে পৰিপ্ৰেক্ষিতত হাতীদাঁত শিল্পৰ শেষৰগৰাকী শিল্পীয়ে উত্তৰসূৰী কোনো শিল্পীক প্ৰশিক্ষিত কৰি তুলিব পৰা নাই। সেই দুখেও শিল্পীগৰাকীক মৰ্মাহত কৰি তোলে। এই ক্ষেত্ৰত টিকেন্দ্ৰজিৎ বায়নৰ লগে লগে এই শিল্পও বৰপেটাৰ পৰা চিৰদিনৰ কাৰণে লোপ পোৱাৰ সম্ভাৱনাই সম্প্ৰতি প্ৰকট হৈ পৰিছে।

**৫.২.৩ হাতী-দাঁতৰ শিল্পজাত সামগ্ৰীৰ নিৰ্মাণ-পদ্ধতি ঃ**

ইতিমধ্যে উল্লেখ কৰা হৈছে যে কেঁচাসামগ্ৰীৰ অভাৱত অসমৰ বিশেষকৈ বৰপেটাৰ হাতীদাঁত শিল্পৰ স্থিতি সম্প্ৰতি একেবাৰে সংকটাপন্ন। যিসকল হাতীদাঁত শিল্পীয়ে একালত এই শিল্প চৰ্চাৰ জৰিয়তে অসমৰ নাম গৌৰৱান্বিত কৰি তুলিছিল, তেওঁলোক সকলোৱেই ইহ সংসাৰৰ পৰা বিদায় ল'লে। কেঁচা সামগ্ৰীৰ অভাৱৰ বাবে এই শিল্পৰ কোনো উত্তৰসূৰী শিল্পীৰো জন্ম নহ'ল। এনে পৰিপ্ৰেক্ষিতত‌ে বৰ্তমান বৰপেটাত কোনো হাতীদাঁত শিল্প-সামগ্ৰীৰ নিৰ্মাণ দেখা নাযায়। গতিকে একমাত্ৰ হাতীদাঁত শিল্পী টিকেন্দ্ৰজিৎ বায়নৰ সৈতে হোৱা সাক্ষাৎকাৰ আৰু কেতবোৰ গৌণ উৎসৰ ভিত্তিত এই শিল্প নিৰ্মাণ পদ্ধতিৰ সামান্য আভাস দাঙি ধৰা হৈছে —

দৰাচলতে হাতীদাঁতৰ শিল্পৰ জৰিয়তে বিবিধ শিল্প-সামগ্ৰী তৈয়াৰ কৰা হয়। এই শিল্পবস্তুসমূহৰ ভিতৰত গুৰুআসন, সিংহাসন, তাজমহল, মঠ-মন্দিৰ, অলংকাৰ থোৱা বাকচ, খৰম, লাখুটি, ফণী, চুলিত মৰা কাটা আৰু ক্লিপ, টেবুল, নাও, শৰাই, সঁফুৰা, বটা, আ-অলংকাৰ, মাকো, ডবা খেলৰ গুটি, বিভিন্ন দেৱ-দেৱী, যেনে ঃ ৰাধা-কৃষ্ণ, শিৱ-পাৰ্বতী, দুৰ্গা, বিষ্ণু, বুদ্ধদেৱ, গ্ৰীক দেৱী ভেনাচ, আদিৰ মূৰ্তি, বিভিন্ন জীৱ-জন্তু, যেনে ঃ গঁড়, হাতী, ঘোঁৰা, সিংহ, বান্দৰ আদিৰ লগতে বিবিধ চৰাই-চিৰিকটি, যেনে ঃ বগলী, ময়ূৰ, পাৰ, কপৌ আদিৰ কায়াকৃতি, বুটাম, চোলাত মৰা বেজ আদি হাতীদাঁত শিল্পত নিৰ্মাণ কৰা উল্লেখযোগ্য শিল্পবস্তু। উল্লিখিত প্ৰত্যেকটো শিল্পবস্তু নিৰ্মাণৰ সুকীয়া সুকীয়া পদ্ধতি আছে। অৰ্থাৎ শিল্পবস্তু অনুসৰি ইয়াৰ পদ্ধতি ভিন্ন ভিন্ন। অধ্যয়নৰ পৰিসৰৰ প্ৰতি দৃষ্টি ৰাখি এই শিতানত হাতীদাঁত শিল্প নিৰ্মাণৰ বিশদ আলোচনালৈ নগৈ ইয়াৰ সাধাৰণ পদ্ধতি সম্পৰ্কে উনুকিওৱা হৈছে।

হাতীৰ দাঁতটোক গঠনৰ ফালৰ পৰা দুটা খণ্ডত বিভক্ত কৰিব পাৰি। জোঙা অংশৰ পৰা আধামান অংশলৈ হাতীৰ দাঁতটো গোটা; আনহাতে আধামান অংশৰ পৰা গুৰিৰ ফাললৈ ফোপোলা। হাতী-দাঁতৰ

সেই দুয়োটা অংশকে দুভাগ কৰি সুকীয়া সুকীয়া শিল্পবস্তু নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা হয়। ফোপোলা অংশটো কৰটৰ সহায়ত দীঘলে দীঘলে কাটি সৰু সৰু চেপেটা কাঠৰ টুকুৰাৰ দৰে খণ্ডিত কৰা হয়। এই খণ্ডিত টুকুৰাবোৰকে নিৰ্দিষ্ট জোখ অনুসৰি ড্ৰিল মেচিনৰ সহায়ত ফুটা কৰি তাত গজাল মাৰি জোৰা লগাই গুৰুআসন, তাজমহল, মঠ-মন্দিৰ, অলংকাৰ থোৱা বাকচ, টেবুল আদি শিল্পবস্তুবোৰ সাজি উলিওৱা হয়। প্ৰয়োজন অনুসৰি বা সুবিধা অনুসৰি আঠা প্ৰয়োগ কৰিও এই শিল্পবস্তুবোৰৰ তলি আৰু বেৰবোৰ জোৰা লগোৱা হয়। মন্দিৰ, গুৰুআসন, তাজমহল আদিত থকা ওপৰৰ জোঙা অংশটো সাজি উলিয়াবলৈ সাধাৰণতে হাতীদাঁতৰ আগৰ গোটা অংশটো ব্যৱহাৰ কৰা হয়। নিৰ্দিষ্ট জোখ অনুসৰি সেই গোটা অংশটো কুণ্ডত কাটি বিশেষ শৈলী বা ডিজাইন দিবলৈ চেষ্টা কৰা হয়। তাৰ পিছত আঠাৰে বা ড্ৰিল মেচিনেৰে মাজ অংশ ফুটা কৰি ভিতৰত লোৰ শলা প্ৰয়োগ কৰিও সেই জোঙা অংশবোৰ লগ লগোৱা হয়। গুৰু আসন, তাজমহল, মন্দিৰ আদিত থকা বাহিৰৰ লোককলাৰ সৈতে জড়িত ৰূপাঙ্গবোৰ, যেনে ঃ ফুল, পাত, লতা আদিবোৰ কাটি উলিয়াবলৈ সৰু ধাৰযুক্ত চুৰিৰ দৰে সঁজুলি ব্যৱহাৰ কৰা হয়। অলংকাৰ থোৱা বাকচ, নৌকা, টেবুল আদি শিল্পবোৰ আকৰ্ষণীয় কৰি তোলা ওপৰৰ নক্সাবোৰো তেনেদৰেই সৰু ধাৰযুক্ত চুৰিৰে কাটি উলিওৱা হয়। হাতীদাঁতৰ ফণী তৈয়াৰ কৰিবলৈও ফোপোলা অংশৰ পৰা কাটি উলিওৱা চেপেটা এটি টুকুৰা লোৱা হয়। তাৰ পিছত জোখ অনুসৰি কৰটৰ সহায়ত ফণীৰ কাঠিবোৰ কাটি উলিয়াই চিৰিচ কাগজেৰে মিহি কৰা হয়।

হাতীদাঁতৰ আগলি গোটা অংশটো সাধাৰণতে বিভিন্ন মূৰ্তি বা জীৱ-জন্তু, চৰাই আদি সাজি উলিয়াবলৈ ব্যৱহৃত হয়। এই ক্ষেত্ৰত নিৰ্দিষ্ট জোখত সেই অংশটো টুকুৰা কৰি বটালি, ধাৰযুক্ত সৰু জোঙা চুৰি আদি সঁজুলিৰ সহায়ত নিৰ্দিষ্ট গঢ় দিবলৈ শিল্পীসকলে চেষ্টা কৰে। মূৰ্তি বা যিকোনো জীৱ-জন্তু, চৰাই আদিৰ অংগবোৰৰ ভাঁজবোৰ বটালি আৰু সৰু চুৰিৰেই মিহি মিহিকৈ চুচি সাজি উলিওৱা হয়। লাখুটি বা হাতীদাঁতৰ লাঠি তৈয়াৰ কৰিবলৈও গোটা আগ অংশক নিৰ্দিষ্ট জোখত কুন্দত ভিন্ন ডিজাইন দি তৈয়াৰ কৰা হয়। দীঘ অনুসৰি সেইবোৰ জোৰা লগাইও লাঠি আৰু লাখুটিৰ ৰূপ দিয়া হয়। এনেধৰণৰ শিল্পবস্তুবোৰ বনাওঁতে যিবোৰ সৰু সৰু টুকুৰা অৱশিষ্ট ৰূপত থাকি যায়, সেইবোৰৰ পৰাই কামিজ আৰু কোটৰ বুটাম, চোলাত মৰা বেজ আদি প্ৰস্তুত কৰা হয়। প্ৰতিবিধ শিল্পবস্তু মসৃণ কৰি তুলিবৰ বাবে চিৰিজ কাগজৰ ব্যৱহাৰ অপৰিহাৰ্য। শিল্পবস্তুবোৰ জিলিকাই তুলিবৰ বাবে অৱলম্বন কৰা পদ্ধতি সম্পৰ্কে মদন চন্দ্ৰ দাসে লিখিছে, "...শিল্পবস্তুবিলাক উজ্জ্বল কৰাৰ বাবে ছিঙা কাপোৰেৰে বনোৱা 'বফ' আৰু 'দাচ্টাৰৰ' দ্বাৰা পলিচ কৰা হয়। বফ হৈছে ছিঙা কাপোৰ মেৰিয়াই কৰা এটা লাড়ু বা নুৰা। ইয়াক মোটৰৰ সৈতে লগাই থোৱা হয়। তাত দাচ্টাৰ নামৰ তেলজাতীয় ৰাসায়নিক পদাৰ্থবিধ সানি দিয়া হয়। মোটৰটো ঘূৰাৰ লগে লগে 'বফ'ত হাতীদাঁতৰ শিল্পবস্তুবিধ হাতেৰে হেঁচি ধৰা হয়। তেতিয়া

সি চাফা আৰু উজ্জ্বল হয়। শেষ পৰ্যায়ত হাতীদাঁতৰ সামগ্ৰীসমূহ বগা আৰু উজ্জ্বল কৰাৰ বাবে হাইড্ৰ'জেন পেৰাঅক্সাইড ($H_2 0_2$)ত এৰাতি ডুবাই থোৱা হয়।"[৩১]

বেঁকা হাতীদাঁত পোন কৰাৰ ক্ষেত্ৰতো শিল্পীসকলে বিশেষ পদ্ধতি অৱলম্বন কৰিছিল। এই ক্ষেত্ৰত গোবৰ আৰু মাটি মিহলি কৰি হাতীদাঁতটোত লেও দি জুইত সেকা হয় আৰু তাৰ ওপৰত লাহে লাহে তাত হেঁচা দি পোন কৰি তোলা হয়।

**৫.২.৪ হাতী-দাঁতৰ শিল্পজাত সামগ্ৰী নিৰ্মাণৰ লগত জড়িত সঁজুলি ঃ**

যিকোনো শিল্পবস্তু নিৰ্মাণৰ বাবে নিৰ্দিষ্ট কেতবোৰ সা-সঁজুলিৰ প্ৰয়োজন। হাতীদাঁত শিল্পৰ বাবেও শিল্পীসকলে একাধিক সা-সঁজুলিৰ সহায়ত একোটা শিল্পবস্তু তৈয়াৰ কৰি উলিয়ায়। এই ক্ষেত্ৰত নিম্নলিখিত সা-সঁজুলিবোৰৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য বুলি গণ্য কৰা হয় —

(১) হাতুৰী, (২) বটালি, (৩) বিভিন্ন জোখ আৰু আকাৰৰ কৰট, (৪) ড্ৰিল মেচিন, (৫) সৰু-ডাঙৰ বিভিন্ন আকাৰৰ চুৰি, (৬) বফ (ছিঙা কাপোৰ মেৰিয়াই কৰা এটা লাড়ু বা নুৰা), (৭) দাচ্‌টাৰ (শিল্পবস্তু উজ্জ্বল কৰিবৰ বাবে ব্যৱহৃত এবিধ ৰাসায়নিক তেল), (৮) হাইড্ৰ'জেন পেৰাঅক্সাইড বা $H_2 0_2$ (হাতীদাঁতৰ সামগ্ৰীসমূহ বগা, উজ্জ্বল কৰাৰ বাবে ব্যৱহৃত), (৯) হাতেৰে ফুটা কৰিবৰ বাবে সৰু-ডাঙৰ বেজী, (১০) গজাল, (১১) আঠা, (১২) ৰচী, (১৩) চিৰিজ কাগজ, (১৪) কাঠৰ টুকুৰা, (১) কটাৰী আদি। এনেবোৰ সা-সৰঞ্জামৰ সহায়তে শিল্পীসকলে হাতীদাঁতৰ শিল্প-সামগ্ৰীসমূহ নিৰ্মাণ কৰি বৰপেটাৰ লগতে সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। হাতীদাঁত শিল্পত ভিন্ন সঁজুলিৰ প্ৰয়োগ-পদ্ধতি সম্পৰ্কে ধ্ৰুৱকুমাৰ তালুকদাৰে লিখিছে যে বৰ্তমানৰ শিল্পক্ষেত্ৰত যিদৰে বৈদ্যুতিক যন্ত্ৰপাতিৰ ব্যৱহাৰ হয়, সেই সময়ত এই শিল্পশালাত তেনে কোনো বিশেষ অস্ত্ৰপাতি ব্যৱহাৰ কৰা নহৈছিল। অত্যাধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰ সেই শিল্পীসকলে কৰা নাছিল বা কৰিবলৈ সুবিধা লাভ কৰা নাছিল। কৰত, বটালি, কটাৰী, সাঁচ আদিৰ দৰে সাধাৰণ যন্ত্ৰপাতিৰেই তেওঁলোকে হাতীদাঁতৰ সামগ্ৰীবোৰ তৈয়াৰ কৰিবলৈ চেষ্টা কৰিছিল। এই সাধাৰণ যন্ত্ৰপাতিবোৰৰ সহায়ত তেওঁলোকৰ শিল্প-প্ৰতিভাৰ গভীৰতাক শিল্পত ফুটাই তুলিবৰ বাবে নিশ্চিতভাৱে কষ্টসাধ্য হৈ পৰিছিল। ...অৱশ্যে পিছলৈ এই শিল্পত কেতবোৰ অত্যাধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰ হ'বলৈ ধৰে।[৩২]

**৫.২.৫ হাতী-দাঁতৰ শিল্পজাত সামগ্ৰীৰ লগত জড়িত লোকবিশ্বাস ঃ**

হাতীদাঁত শিল্প-সামগ্ৰীৰ সৈতে বৰপেটা তথা অসমৰ মানুহৰ মাজত প্ৰচলিত বিবিধ লোকবিশ্বাস জড়িত হৈ আছে। তাৰে কেতবোৰ লোকবিশ্বাস তলত উল্লেখ কৰা হ'ল—

ক) হাতীক এক মাংগলিক জন্তু হিচাপে আদিম কালৰে পৰা বিশ্বাস কৰা হয়। সেই অনুসৰি বিশেষ শোভাযাত্ৰা, বিবাহ আদি অনুষ্ঠানত হাতী ব্যৱহাৰৰ পৰম্পৰা পৌৰাণিক কালৰে পৰা চলি আহিছে।

সপোনত হাতী দেখিলে যিদৰে শুভ বুলি গণ্য কৰা হয়, ঠিক সেইদৰে হাতীদাঁতৰ আ-অলংকাৰ, যেনে ঃ হাতীদাঁতৰ আঙুঠি, খাৰু আদি পৰিধান কৰিলেও পিন্ধোঁতাজনৰ বাবে সেয়া শুভ আৰু মংগলময় বুলি বিশ্বাস কৰা হয়। ভৱিষ্যতে হ'ব পৰা বিপদ-বিঘিনি দূৰ কৰি ই উন্নতিৰ পথ প্ৰশস্ত কৰে বুলি জনসমাজত লোকবিশ্বাস প্ৰচলিত আছে।

খ) ছালৰ কেতবোৰ ৰোগ, যেনে ঃ খৰ, খজুৰতী, এক্সিমা আদি ৰোগত হাতীদাঁত উপকাৰী বুলিও এক জনবিশ্বাস বৰপেটীয়া লোকৰ মাজত প্ৰচলিত আছে। একেদৰে চুলি সৰা বা ঘন চুলিৰ বাবেও হাতীদাঁতৰ গুৰি জুইত পুৰি তাৰ ছাঁই মিঠাতেলৰ লগত মিহলাই চুলিৰ গুৰিত লগালে প্ৰতিকাৰ পোৱা যায় বুলি বিশ্বাস কৰা হয়।

গ) অন্য এক লোকবিশ্বাস অনুসৰি বৰপেটা অঞ্চলৰ কিছুমান লোকে হাতীদাঁতৰ আ-অলংকাৰ পৰিধান নকৰে। তেওঁলোকৰ মাজত প্ৰচলিত লোকবিশ্বাস মতে শৰীৰত হাতীদাঁতৰ অলংকাৰ পৰিধান কৰিলে ছালৰ 'বগা পৰা' ৰোগ হয়। এই লোকবিশ্বাস মানি চলা মানুহে সেয়ে হাতীদাঁতৰ আ-অলংকাৰ পৰিধান নকৰে।

ঘ) হাতীদাঁতৰ আ-অলংকাৰ পৰিধান কৰিলে মানুহৰ ভাগ্য উদয় হোৱাৰ লগতে অপশক্তি নাশ কৰি মানুহক নিৰাপত্তা প্ৰদান কৰে বুলিও জনসমাজত বিশ্বাস প্ৰচলিত আছে।

ঙ) হাতীদাঁতৰ শুভ্ৰ ৰঙে আশা, শান্তি আৰু নৱ-আৰম্ভণিৰ সূচনা কৰে বুলিও বিশ্বাস কৰা হয়। ইয়াক আধ্যাত্মিকতাৰ সৈতে জড়িত কৰি মানুহে ইয়াক বিশুদ্ধতা আৰু দৈৱত্বৰ প্ৰতীক হিচাপে গণ্য কৰে। সেয়ে ঘৰত হাতীদাঁতৰ শিল্পবস্তু থাকিলে বা দেহত হাতীদাঁতৰ অলংকাৰ পিন্ধিলে ঘৰখনৰ বাবে মংগল বুলি বিশ্বাস কৰাৰ লগতে শৰীৰো পবিত্ৰ হৈ থাকে ধাৰণা প্ৰচলিত আছে।

**৫.২.৬ বৰপেটাৰ হাতী-দাঁত শিল্পৰ সাম্প্ৰতিক সংকট তথা সমস্যাৰ কাৰণ, সেইবোৰ দূৰীকৰণৰ উপায় আৰু ইয়াৰ ভৱিষ্যৎ স্থিতি ঃ**

বিভিন্ন কাৰণত বৰপেটাৰ হাতীদাঁত শিল্পই অস্তিত্ব ৰক্ষাৰ বাবে প্ৰত্যাহ্বানৰ মুখামুখি হৈ কালৰ গৰাহত হেৰাই যোৱাৰ উপক্ৰম হৈছে। বৰপেটাৰ হাতীদাঁত শিল্পীসকলে নিজা প্ৰচেষ্টাত যিকেইখন হাতীদাঁত শিল্প-প্ৰতিষ্ঠান স্থাপন কৰি হাতীদাঁত শিল্প-চৰ্চা অব্যাহত ৰাখিছিল, সেই সকলো প্ৰতিষ্ঠান বৰ্তমান সম্পূৰ্ণ বন্ধ হৈ পৰিল। সময়ৰ আহ্বান ৰক্ষা কৰি শিল্পীসকলো কালৰ বুকুত নোহোৱা হৈ পৰিল। তেওঁলোকৰ উত্তৰসূৰী বুলিবলৈও এই শিল্প চৰ্চা কৰা কোনো শিল্পী আজি বৰপেটাত পাবলৈ নাই। কেৱল অশীতিপৰ টিকেন্দ্ৰজিৎ বায়নে হাতীদাঁত শিল্প-চৰ্চাৰ সেই সোণালী দিনৰ স্মৃতি সোঁৱৰি বাৰ্দ্ধক্য জীৱন অতিবাহিত কৰি আছে। বৰপেটাৰ পৰা এই শিল্প নাইকিয়া হোৱাৰ একাধিক কাৰণ জড়িত হৈ আছে। সেই কাৰণসমূহৰ বিষয়ে তলত আলোচনা কৰা হৈছে —

ক) কোনো এটা শিল্প জীয়াই থাকিবলৈ প্ৰথম প্ৰয়োজনীয় উপাদানটোৱেই হৈছে কেঁচা-সামগ্ৰী। ১৯৭৪ চন বা তাৰ আগলৈকে অসম চৰকাৰে সুলভ মূল্যত বৰপেটাৰ শিল্পীসকলক সুলভ মূল্যত হাতীদাঁত যোগান ধৰিছিল। যাৰ বাবে শিল্পীসকলে নিৰলসভাৱে তথা ধাৰাবাহিক ৰূপত এই শিল্প-চৰ্চা অব্যাহত ৰাখিছিল। পৰৱৰ্তী সময়ত চৰকাৰীভাৱে সেই যোগান বন্ধ হৈ পৰাত শিল্পটোৱে চৰম সংকটৰ মুখামুখি হৈ আজি মৃত্যুৰ দিশলৈ গতি কৰিছে। গতিকে কেঁচা-সামগ্ৰীৰ অভাৱ হাতীদাঁত শিল্পৰ সংকটৰ প্ৰথম আৰু প্ৰধান কাৰণ।

খ) কেঁচামালৰ অভাৱৰ লগতে এই শিল্পই বিকাশ লাভ কৰিব নোৱাৰা অন্য এটা বিশেষ কাৰণ হ'ল চৰকাৰী পৃষ্ঠপোষকতাত যিসমূহ হাতীদাঁত সংশ্লিষ্টসকলে শিল্পীসকলক যোগান ধৰিছিল, তাতো তেওঁলোকে অনুমতিসাপেক্ষ যোগান ব্যৱস্থাৰ বিপৰীতে নিবিদাৰ জৰিয়তে হাতীদাঁত যোগানৰ ব্যৱস্থা কৰিছিল। ইয়াৰ ফলত বহিৰাগত ব্যৱসায়ী গোষ্ঠীৰ বৰ্ধিত নিবিদাৰ লগত বৰপেটাৰ থলুৱা শিল্পীসকলৰ নিবিদাই ফেৰ মাৰিব পৰা নাছিল। ফলত শিল্প এটা জীয়াই থাকিবলৈ যিমান পৰিমাণৰ কেঁচা-সামগ্ৰী লাগে, লাহে লাহে তাৰ পৰিমাণ কমি অহাৰ ফলত ক্ৰমান্বয়ে শিল্পটোৱেও সংকটৰ দিশলৈ গতি কৰিবলৈ ল'লে।

গ) উপযুক্ত প্ৰশিক্ষণৰ অভাৱৰ বাবেও বৰপেটাৰ হাতীদাঁত শিল্প ভাবুকিৰ সন্মুখীন হৈছে। কাৰণ বৰপেটাৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত এই শিল্পৰ কেন্দ্ৰ আছে।[৩৩] সেই কেন্দ্ৰসমূহত অতি উন্নত শৈল্পিক মানবিশিষ্ট হাতীদাঁত শিল্প-সামগ্ৰীৰ নিৰ্মাণ হয়। যাৰ বাবে বৰপেটাৰ হাতীদাঁত শিল্পই সেইবোৰ কেন্দ্ৰত নিৰ্মিত শিল্প-সামগ্ৰীৰ সৈতে ফেৰ মাৰিব নোৱাৰি থমকি ৰ'ব লগা হৈছে। তদুপৰি উন্নত প্ৰযুক্তিৰ অভাৱো ইয়াৰ সৈতে জড়িত অন্যতম কাৰণ। কিয়নো ভাৰতৰ আন আন হাতীদাঁত শিল্প-কেন্দ্ৰত উন্নত মানৰ প্ৰযুক্তিৰ সহায়ত শিল্পবস্তু নিৰ্মাণ কৰা হয় বাবে সেইবোৰ শিল্পবস্তু অতি নিখুঁট আৰু মসৃণ হয়। ফলত বৰপেটাৰ হাতীদাঁত শিল্পৰ ক্ষেত্ৰখন সেই প্ৰতিযোগিতাত ফেৰ মাৰিব নোৱাৰি সংকুচিত হৈ আহিল।

ঘ) বৰপেটাৰ হাতীদাঁত শিল্পীসকলে শিল্পসমূহৰ পৰা উপযুক্ত শিল্পমূল্য লাভ নকৰাটোও এই শিল্পৰ সংকটৰ অন্য এক কাৰণ। শিল্পীসকলে পৰম্পৰাগত সা-সঁজুলি প্ৰয়োগ কৰি যিমান কষ্ট আৰু ধৈৰ্যৰে শিল্পসমূহ নিৰ্মাণ কৰে, সেই অনুসৰি তেওঁলোকে শিল্পসমূহৰ পৰা যথোচিত মূল্য লাভ নকৰে বা তেওঁলোকে যিমানটো মূল্যৰ আশা কৰে, সেই অনুসৰি গ্ৰাহকৰ পৰা বাঞ্ছিত সঁহাৰি লাভ নকৰে। ফলত শিল্পীসকলে এই শিল্পৰ চৰ্চা এৰি অন্য বৃত্তি বা কৰ্মত নিয়োজিত হ'ব লগা হয়।

ঙ) বৰপেটাৰ হাতীদাঁত শিল্পীসকলে যিসমূহ শিল্পবস্তু নিৰ্মাণ কৰিছিল, সেইবোৰ বিক্ৰীৰ ক্ষেত্ৰত উপযুক্ত বজাৰো সংশ্লিষ্টসকলে লাভ কৰা নাছিল। বৰপেটাত শিল্পীসকলৰ শিল্প-প্ৰতিষ্ঠানসমূহেই

আছিল এই শিল্পবস্তুসমূহৰ বিক্ৰীৰ ঘাই কেন্দ্ৰ। ইয়াৰ বাহিৰে চৰকাৰী পৃষ্ঠপোষকতাত খুউব সীমিত সংখ্যক প্ৰতিষ্ঠানেহে শিল্পবস্তুবোৰৰ বিক্ৰীৰ দায়িত্ব বহন কৰিছিল। কিন্তু তাতো লাভৰ পৰিমাণ তেনেই সীমিত হোৱাৰ বাবে তেনে প্ৰতিষ্ঠানবোৰেও হাতীদাঁতৰ শিল্পবস্তুসমূহ বিক্ৰীৰ ক্ষেত্ৰত বিশেষ সক্ৰিয়তা প্ৰদৰ্শন কৰা নাছিল। ফলত এই শিল্পটোৱে আশা কৰা ধৰণে প্ৰসাৰ লাভ কৰিব নোৱাৰিলে। পৰৱৰ্তী সময়ত এই শিল্পৰ জৰিয়তে উৎপাদিত শিল্পবস্তুসমূহ কেৱল যাদুঘৰবোৰতহে সংৰক্ষণৰ ব্যৱস্থা কৰিব লগা হ'ল।

চ) যিকোনো এটা শিল্প প্ৰতিষ্ঠিত ৰূপত বিকাশ লাভ কৰিবলৈ হ'লে ইয়াৰ চৰ্চা নিৰলস আৰু ধাৰাবাহিক হোৱা প্ৰয়োজন। কিন্তু ইয়াৰ বিকাশৰ যাত্ৰাত পদে পদে শিল্পীসকলে বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বানৰ মুখামুখি হৈ আহিছে। কেঁচা-সামগ্ৰীৰ অভাৱ, সীমিত শিল্পমূল্য, উন্নত প্ৰযুক্তি তথা সা-সঁজুলিৰ অভাৱ আদি বিভিন্ন সমস্যাৰে শিল্পটোৱে বিকাশৰ পথত অগ্ৰসৰ হ'ব লগা হৈছিল। এই ক্ষেত্ৰত বৰপেটাৰ প্ৰতিগৰাকী হাতীদাঁত শিল্পীয়ে একত্ৰিত আৰু সংগঠিত ৰূপত এই প্ৰত্যাহ্বানসমূহৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হ'ব লাগিছিল। চৰকাৰী কৰ্তৃপক্ষকো শিল্পটোৰ অস্তিত্ব সম্পৰ্কত দৃষ্টিগোচৰ কৰোৱাৰ বিশেষ প্ৰয়োজনীয়তা আছিল। দুই-এগৰাকী শিল্পীয়ে এই সম্পৰ্কে ব্যক্তিগতভাৱে আবেদন-নিবেদন কৰিছিল যদিও তাৰ কোনা সমুচিত ফলাফল নোলাল। সংগঠিত আৰু একত্ৰিত ৰূপত শিল্পটোৰ সপক্ষত সকলো থিয় দিয়া হ'লে এই শিল্পৰ অস্তিত্ব দীৰ্ঘস্থায়ী হোৱাৰ অৱকাশ আছিল। কিন্তু কাৰ্যতঃ সেয়া দেখা পোৱা নগ'ল। ফলত চৰকাৰেও এই শিল্পটো জীয়াই ৰখাৰ ক্ষেত্ৰত কোনো বিশেষ গুৰুত্ব বা পদক্ষেপ গ্ৰহণ কৰা পৰিদৃষ্ট নহ'ল।

— এনেবোৰ কাৰণতে বৰপেটাৰ হাতীদাঁত শিল্পই আজি মৃত্যুৰ ক্ষণ গণিব লগা অৱস্থা এটাত উপনীত হৈছেহি। অৱশ্যে চৰকাৰীভাৱে অনতিপলমে সমোচিত ব্যৱস্থা গ্ৰহণ কৰিলে এতিয়াও এই শিল্পটো পুনৰুত্থান কৰিব পৰা ক্ষীণ এটি আশা জীয়াই আছে। তলত এই শিল্পই সন্মুখীন হৈ থকা সমস্যাসমূহ দূৰ কৰি এই শিল্পৰ পুনৰুত্থানৰ কেতবোৰ উপায় সম্পৰ্কে বিশ্লেষণ কৰা হৈছে —

বৰপেটাৰ হাতীদাঁত শিল্পক পুনৰ উজ্জীৱিত কৰি তোলাৰ ক্ষেত্ৰত প্ৰথম প্ৰয়োজনটোৱেই হৈছে চৰকাৰী সহযোগিতা আৰু পৃষ্ঠপোষকতা। বৰ্তমান এই শিল্পটো যিটো স্থিতিত উপনীত হৈছেহি, সেই স্থিতিৰ পৰা একমাত্ৰ চৰকাৰী সহযোগিতাইহে ইয়াক পুনৰোদ্ধাৰ কৰিব পাৰিব। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা এক দীৰ্ঘম্যাদী আঁচনিবিশেষৰ প্ৰয়োজন। সেই আঁচনিৰ অন্তৰ্গতভাৱে চৰকাৰে নিয়মিতভাৱে নিৰ্দিষ্ট পৰিমাণৰ হাতীদাঁত শিল্প-চৰ্চাৰ বাবে যোগান ধৰিলে শিল্পটোৱে আকৌ নতুন গতি আৰু শক্তিৰে আগবাঢ়িব পাৰিব। লগতে শিল্পটোৱে নতুন পৰিকল্পনাৰে আগবাঢ়ি যাবলৈ শিল্প-চৰ্চাকাৰী এদল প্ৰশিক্ষিত শিল্পী সৃষ্টি কৰাৰো প্ৰয়োজনীয়তা আছে। কিয়নো বৰপেটাত হাতীদাঁত শিল্পৰ নিৰ্মাণৰ কাম প্ৰায় অৰ্ধ

শতাব্দী কাল ধৰি স্থগিত হৈ থকাৰ পৰিপ্ৰেক্ষিতত ইয়াত এই শিল্প চৰ্চা কৰা সক্ৰিয় কোনো শিল্পী বৰ্তমান নাই। কেৱল এগৰাকী শিল্পীহে এই পৰ্যন্ত জীয়াই আছেগৈ। গতিকে চৰকাৰীভাৱে বিশেষ আঁচনি আৰু পৰিকল্পনাৰে কাৰ্যতঃ শিল্পটোক আগবঢ়াই নিলেহে ইয়াৰ এটা সুনিশ্চিত ভৱিষ্যৎ আশা কৰিব পাৰি। বৰপেটাৰ হাতীদাঁত শিল্পই ভাৰতবৰ্ষৰ অন্য ঠাইৰ হাতীদাঁত শিল্পৰ সৈতে ফেৰ মাৰিব পৰাকৈ এই শিল্পটোক গঢ়ি তুলিবলৈ হ'লে বিশেষ প্ৰশিক্ষিত শিল্পীৰ প্ৰয়োজনীয়তাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। এই ক্ষেত্ৰত পৰম্পৰাগত হাতীদাঁত শিল্পৰ নিৰ্মাণ-পদ্ধতিৰ পৰিৱৰ্তে আধুনিক প্ৰযুক্তিগত শিল্প নিৰ্মাণ-পদ্ধতি অৱলম্বন কৰিব লাগিব। কাৰণ পৰম্পৰাগত পদ্ধতিৰ সলনি আধুনিক প্ৰযুক্তিৰে নিৰ্মিত শিল্পৰ শৈল্পিক মান আৰু আকৰ্ষণীয়তা অধিক। অসমৰ বাহিৰৰ বিশেষজ্ঞ তথা দক্ষ শিল্পীৰ দ্বাৰা বৰপেটাৰ আগ্ৰহী শিল্প-চৰ্চাকাৰী লোকক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে শিল্পটোৰ সংকট দূৰ হোৱাৰ অৱকাশ আছে।

বৰপেটাৰ সক্ৰিয় হাতীদাঁত শিল্পীৰ অনুপস্থিতিত এই শিল্পটোৰ শক্তি ইতিমধ্যে লোপ পাইছে। এই ক্ষেত্ৰত বৰপেটাবাসী ৰাইজ নিজেই সজাগ-সচেতন মনোভংগীৰে শিল্পটোৰ সপক্ষত আগবাঢ়ি আহিব লাগিব। এই ক্ষেত্ৰত সংশ্লিষ্ট বৰপেটাবাসী ৰাইজ একত্ৰিত হৈ চৰকাৰক সজোৰে দাবী উত্থাপন কৰি পতিয়ন নিয়াব পাৰিলেহে শিল্পটো লোপ হোৱাৰ পৰা ৰক্ষা পৰিব।

ৰাইজ আৰু চৰকাৰী সহাযোগিতাত শিল্পটোৱে যদি চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰি আগবাঢ়ি যোৱাৰ সুযোগ পায়, তেন্তে শিল্পটোৰ সুনিশ্চিত ভৱিষ্যতৰ স্বাৰ্থত কেতবোৰ বিশেষ পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তা আছে। সেইবোৰ নিম্নলিখিতধৰণৰ —

(ক) সুলভ মূল্যত কেঁচাসামগ্ৰী যোগান ধৰা। এই ক্ষেত্ৰত ৰাজ্যৰ বনবিভাগৰ হাতত মজুত থকা কেঁচাসামগ্ৰীৰ উপৰিও প্ৰাকৃতিকভাৱে যিবোৰ হাতীৰ মৃত্যু হয়, তাৰ পৰাও শিল্পীসকলে কেঁচাসামগ্ৰী লাভ কৰাৰ ব্যৱস্থা কৰা।

(খ) হাতীদাঁতৰ শিল্পবস্তুসমূহৰ বিক্ৰীৰ বাবে এক বিশেষ বজাৰৰ ব্যৱস্থা কৰা। এই ক্ষেত্ৰত শিল্পীসকলে যাতে প্ৰকৃত শিল্পমূল্য লাভৰ পৰা বঞ্চিত নহয়, তাৰ প্ৰতি দৃষ্টি ৰাখি সমোচিত ব্যৱস্থা গ্ৰহণ কৰা।

(গ) বৰপেটাৰ হাতীদাঁত শিল্পটোক উত্তৰ পুৰুষৰ বাবে প্ৰবাহিত কৰি নিবলৈ উঠি অহা প্ৰজন্মকো শিল্পটোৰ চৰ্চাৰ বাবে প্ৰণোদিত কৰা। এই ক্ষেত্ৰত বিশেষ প্ৰতিষ্ঠান স্থাপন কৰি নিয়মিতভাৱে শিল্পৰ চৰ্চা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা।

শেষত ক'ব পাৰি যে একোটা লোকশিল্পই একোখন ঠাইৰ লোকসমাজৰ পৰম্পৰাগত সৃজনীপ্ৰতিভা আৰু সুৰুচিপূৰ্ণ কৰ্ম-সংস্কৃতিক প্ৰতিনিধিত্ব কৰে। গতিকে হাতীদাঁত শিল্পৰ দৰে বিশেষ মূল্যনিহিত এই লোকশিল্পটোক জীয়াই ৰখাৰ ক্ষেত্ৰত আমি প্ৰত্যেকজন দায়বদ্ধ হোৱা উচিত।

### ৫.৩ মৃৎ শিল্প ঃ

পৃথিৱীৰ ভিন্ন দেশ তথা সভ্যতাৰ লগত মৃৎ শিল্পৰ নিবিড় সম্পৰ্ক আছে। সভ্যতা ভেদে মৃৎ শিল্পজাত সামগ্ৰীৰ নিৰ্মাণ তথা শৈল্পিক কাৰু-কাৰ্যৰ মাজত পাৰ্থক্য থাকিলেও সেইবোৰে সংশ্লিষ্ট সভ্যতা-সংস্কৃতিৰ উৎকৰ্ষ আৰু বিকাশমান যাত্ৰাৰ সাক্ষ্য বহন কৰে। গুৱাহাটীৰ আমবাৰীৰ খনন কাৰ্যৰ জৰিয়তে উদ্ধাৰ হোৱা মৃন্ময় শিল্পসমূহে অসমৰ মৃৎশিল্পৰ প্ৰাচীনত্ব প্ৰতিপন্ন কৰে। ঐতিহাসিক অধ্যয়নৰ পৰা এই কথা সকলোৱে স্বীকাৰ কৰে যে ধাতুগত বা অন্যান্য শিল্পবস্তুতকৈ মৃৎশিল্পৰ প্ৰাচীনত্ব সকলোতকৈ অধিক। ইয়াৰ মূলতে হ'ল উপাদানৰ সহজলভ্যতা। এনে কাৰণতে পৃথিৱীৰ সকলো সভ্যতা-সংস্কৃতিত মৃৎশিল্পজাত সামগ্ৰীৰ ব্যৱহাৰ লক্ষ্য কৰা যায়।

### ৫.৩.১ মৃৎ শিল্পৰ ইতিহাস ঃ

সকলো লোকশিল্প মানুহে প্ৰয়োজনৰ তাগিদাতেই সৃষ্টি কৰি লয়। মৃৎ শিল্পৰ সৃষ্টিৰ ক্ষেত্ৰতো সেই কথাই প্ৰযোজ্য। অনুমান কৰা হয় যে প্ৰথমাৱস্থাত মানুহে মৃৎপাত্ৰ জুইত পুৰি বা চাকত দি সজা নাছিল। কেঁচা মাটিকে পিটিকি পিটিকি ৰুটি বেলাৰ দৰে বহল-ঘূৰণীয়া কৰি তাৰ পৰা মলা-চৰু বা অন্যান্য পাত্ৰ নিৰ্মাণ কৰিছিল আৰু টান হ'বৰ বাবে ৰ'দত শুকাবলৈ দিছিল। জুইৰ আৱিস্কাৰ হোৱাৰ পৰৱৰ্তী সময়তহে মানুহে সেই পাত্ৰবোৰ পুৰি লৈ টান আৰু দীৰ্ঘম্যাদী কৰি ল'বলৈ শিকিলে। সেই সময়লৈকে অতি সবল ৰূপত মৃৎ পাত্ৰ নিৰ্মাণ কৰা হৈছিল বুলি অনুমান কৰা হয়। পিছলৈ বিভিন্ন আকাৰ-আকৃতিৰে মাটিৰ পাত্ৰ নিৰ্মাণ কৰাৰ সমান্তৰালভাৱে প্ৰকৃতিৰ বিভিন্ন উৎস বা আৰ্হিৰ অনুকৰণত মানুহে ভিন্ন শৈলী তথা কাৰুকাৰ্যৰে সেইবোৰ নিৰ্মাণ কৰি ল'বলৈ প্ৰেৰণা পালে।[৩৪] এটা কথা উল্লেখযোগ্য যে ধাতুৰ আৱিস্কাৰ আৰু ব্যৱহাৰ হোৱাৰ আগতেই আদিম মানুহে মাটিৰে ব্যৱহাৰ্য কেতবোৰ সা-সঁজুলি নিৰ্মাণ কৰি লৈছিল।[৩৫]

মৃৎপাত্ৰবোৰ নিমজ কৰা, ৰং-ৰহন সানি আকৰ্ষণীয় কৰি তোলা আৰু বিচিত্ৰ পদ্ধতিৰ সহায়ত শিল্পসন্মত কৰি তোলা আদি কামবোৰ পৰৱৰ্তী সময়ত মানুহে আয়ত্ত কৰে। পৃথিৱী ভিন্ ভিন্ সভ্যতাৰ ঐতিহাসিক মৃৎ সমলবোৰে ইয়াৰ নিৰ্মাণৰ বৈচিত্ৰ্য আৰু বৈবিধ্য শৈলী আৰু পদ্ধতিসমূহকে প্ৰতিফলিত কৰে। মিছৰীয়সকলে জ্যামিতিক ৰেখাৰে মৃৎপাত্ৰত মানুহৰ আকৃতি অংকন কৰিছিল। এই অংকনে কাহিনী-কথনপ্ৰিয়তাৰ ইংগিত বহন কৰে বুলি পণ্ডিসকলে বিশ্বাস কৰে। মেছোপটেমিয়াৰ মাটিৰ পাত্ৰত আকৌ লানি নিছিগাকৈ জীৱ-জন্তুৰ ছবি অংকন কৰা হৈছিল। মিছৰীয়সকলৰ মৃৎপাত্ৰত পোনপ্ৰথমে বগা ৰঙৰ প্ৰলেপ ব্যৱহাৰ কৰাৰ উপৰিও ৰেখা অঁকা হৈছিল। উক্ত দুটা সভ্যতাৰ মৃৎশিল্পৰ সংমিশ্ৰণত গ্ৰীক মৃৎশিল্পই গঢ় লৈছিল বুলি পণ্ডিতসকলে ক'ব খোজে। খ্ৰীষ্টপূৰ্ব৩২৫০ ৰপৰা খ্ৰীষ্টপূৰ্ব ২৭৫০ৰ বুলি অনুমান কৰা মহেঞ্জোদাৰোত উদ্ধাৰ হোৱা মৃৎপাত্ৰত পণ্ডিতসকলে মেছোপটেমিয়াৰ প্ৰভাৱ দেখা পাইছে। এই সভ্যতাৰ

ঘৰুৱা ব্যৱহাৰৰ প্ৰায় শতকৰা নিৰানব্বৈ শতাংশ পাত্ৰই মাটিৰে নিৰ্মিত। এই পাত্ৰবোৰ চাকত তৈয়াৰী বুলি চিনাক্ত কৰা হৈছে। ফুল, বৃত্ত আৰু জ্যামিতিক ৰেখা পাত্ৰবোৰত অংকিত।[৩৬] তাত উদ্ধাৰ হোৱা মৃৎপাত্ৰবোৰে ভাৰতীয় মৃৎ পাত্ৰৰ ঐতিহ্যক প্ৰতিনিধিত্ব কৰে।

অসমত জনজাতীয় লোকসকলৰ জৰিয়তে মৃৎশিল্পৰ পৰম্পৰা আৰম্ভ হয় বুলি কোৱা হয়। ঘৰুৱা আৰু সামাজিক জীৱনৰ বাবে প্ৰয়োজনীয় কেতবোৰ পাত্ৰ মাটিৰে তৈয়াৰ কৰি জুইত পুৰি তেওঁলোকে ব্যৱহাৰ কৰিছিল। কোনো সঁজুলি ব্যৱহাৰ নকৰাকৈ তেওঁলোকে হাতেৰেই বোকামাটিৰ পৰা প্ৰয়োজনীয় বাচন-বৰ্তন নিৰ্মাণ কৰিছিল। এই ক্ষেত্ৰত মংগোলীয় লোকসকল মৃৎপাত্ৰ নিৰ্মাণ-বিদ্যাত কাঠিকৰ আছিল। এই মংগোলীয় লোকসকলৰ পৰাই অসমৰ হীৰাসকলে মৃৎশিল্প নিৰ্মাণ কাম শিকিছিল বুলি অনুমান কৰা হয়। তদুপৰি অতীতত মংগোলীয় গোষ্ঠীসম্ভূত গাভৰু আৰু নিম্নবৰ্গৰ অসমীয়া ডেকাৰ মাজত বৈবাহিক সম্বন্ধ সম্পাদিত হৈছিল। ইয়াৰ ফলত অজনজাতীয় লোকসকলে মংগোলীয় অৰ্থাৎ জনগোষ্ঠীয় গাভৰুসকলৰ এই বিদ্যা আয়ত্ত কৰিলে বুলি অনুমান কৰা হয়। জনগোষ্ঠীয় সমাজত নাৰীসকলেই মৃৎশিল্পৰ পৰম্পৰা জীয়াই ৰাখিছিল। সেয়ে আজিও হীৰা সম্প্ৰদায়ৰ নাৰীসকলে অসমৰ মৃৎশিল্পৰ নিৰ্মাণৰ পৰম্পৰা আজিও অক্ষুণ্ণ ৰাখিছে ।[৩৭]

প্ৰাক্-ঐতিহাসিক কালত ব্ৰহ্মপুত্ৰ উপত্যকাত মাটি জুইত পুৰি বা কেতিয়াবা নোপোৰাকৈ বিভিন্ন সঁজুলি আৰু স্থাপত্য-ভাস্কৰ্য যে নিৰ্মাণ কৰা হৈছিল, তাৰ নিদৰ্শন পোৱা গৈছে। প্ৰকৃতাৰ্থত এনে নিদৰ্শনৰ পূৰ্ণ ৰূপ উদ্ধাৰ নহ'লেও আৱিস্কৃত মৃৎশিল্পৰ অংশবোৰে অসমত যে সেই সময়তে মাটিৰ পাত্ৰৰ নিৰ্মাণ আৰু ব্যৱহাৰ হৈছিল, তাৰ প্ৰমাণ দাঙি ধৰে। জুইত পুৰি মাটিৰ পাত্ৰ নিৰ্মাণ কৰাৰ আগতে কেঁচা মাটিৰে গঢ়ি লোৱা মাটিৰ পাত্ৰৰ ভগ্নাৱশেষ উত্তৰ কাছাৰ, নগাঁও, তেজপুৰ আদি ঠাইত উদ্ধাৰ হৈছে। মাটি পুৰি গঢ়া পাত্ৰৰ ভগ্নাৱশেষ গুৱাহাটীত কৰা খননত উদ্ধাৰ হৈছে। ভগ্নাৱশেষবোৰত কটা ফুলজাৰি আৰু ব্যৱহৃত ৰঙে প্ৰাচীন অসমৰ মানুহৰ নান্দনিকতাবোধ আৰু কাৰিকৰী প্ৰতিভাৰ সাক্ষ্য দাঙি ধৰে। সেইদৰে গুৱাহাটীৰ উজান বজাৰৰ এটা পুখুৰীত পোৱা মাটিৰ কলহ, আমবাৰীত উদ্ধাৰ হোৱা পোৰামাটিৰ নাৰী আৰু নৰ্তকীৰ মূৰ্তি, মাটিৰ পাত্ৰ আৰু অনেক ভগা টুকুৰাবিলাক প্ৰাক্-আহোম যুগৰ বিশেষকৈ খ্ৰীষ্টীয় দ্বিতীয়-তৃতীয় শতাব্দী বা তাতকৈ আগৰ বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে।[৩৮]

প্ৰাচীন কালত অসমত মাটিৰ পাত্ৰ বা সঁজুলিবোৰ চাক আৰু জালিগাঁত নোহোৱাকৈ যে নিৰ্মাণ কৰা হৈছিল, তাৰ প্ৰমাণ হীৰাসকলৰ মৃৎপাত্ৰ নিৰ্মাণ-পদ্ধতিৰ পৰা অনুমান কৰিব পাৰি। আনহাতে অসমীয়া 'কুমাৰ' আৰু 'চাক' — এই শব্দ দুটা আহিছে ক্ৰমে সংস্কৃত 'কুম্ভকাৰ' আৰু 'চক্ৰ' শব্দ দুটাৰ পৰা। এই সংস্কৃত শব্দসমূহ আৰু তাৰ পৰা উদ্ভৱ হোৱা 'কুমাৰ' আৰু 'চাক' শব্দ দুটাই আৰ্য সভ্যতা বিস্তাৰৰ ইতিহাসলৈ নিৰ্দেশ কৰে। আকৌ মৃৎ পাত্ৰ নিৰ্মাণ কৰা বৃত্তিজীৱী লোকসকল মুখ্যতঃ কলিতা

সম্প্ৰদায়ৰ। আলপাইন গোষ্ঠীৰ লগত কলিতাসকলৰ নৃতাত্ত্বিক সম্পৰ্ক বিদ্যমান। কনকলাল বৰুৱাই ব্ৰহ্মপুত্ৰ উপত্যকালৈ আলপাইনসকলৰ প্ৰব্ৰজন খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকা বুলি উল্লেখ কৰালৈ চাই নগেন শইকীয়াই মৃৎশিল্পৰ এই ৰূপ অব্যৱহিত পৰৱৰ্তী কালত লাহে লাহে গঢ় লোৱা বুলি অনুমান কৰিছে।[৩৯]

প্ৰাচীন অসমীয়া সাহিত্যৰ নিদৰ্শন চৰ্যাপদত পেটত নলী থকা ঘড়া বা ঘড়ী, হাড়ী আদি মৃৎশিল্পৰ উল্লেখৰ লগতে দশম শতিকামানৰ পৰা পঞ্চদশ-ষোড়শ শতিকাৰ ভিতৰত ৰচিত 'কালিকাপুৰাণ', 'যোগিনীতন্ত্ৰ'ত দেৱী পূজাৰ লগত জড়িত কুম্ভ, ঘট আদি স্থাপনৰ প্ৰসংগৰ পৰা পৰোক্ষভাৱে মৃৎশিল্পৰ উল্লেখ পোৱা গৈছে।

আহোমসকলৰ শাসন কালত অসমত মাটিৰ কামৰ পৰিসৰ বৃদ্ধি পাবলৈ ধৰে। মাটিৰে দেৱ-দেৱীৰ মূৰ্তি গঢ়াৰ প্ৰথা সেই সময়তে অসমত সোমায়। বুঢ়া ৰজা স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনত মাটিৰ দেৱী মূৰ্তি নিৰ্মাণৰ কথা বুৰঞ্জীত উল্লেখ আছে। আহোমসকলৰ ৰাজত্ব কালত অসমত পাঁচ শ্ৰেণীৰ মৃৎশিল্পী থকাৰ কথা নবীনচন্দ্ৰ শৰ্মা উল্লেখ কৰিছে। সেইসকল হ'ল —

(ক) মৃৎশিল্পী — যিসকলে স্বৰ্গদেউসকলৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বাচন-বৰ্তন যোগান ধৰিছিল ;

(খ) ডা-ডাঙৰীয়াসকলৰ নিত্য জীৱনৰ লাগতিয়াল বাচন-বৰ্তন তৈয়াৰ কৰা মৃৎশিল্পী;

(গ) মন্দিৰৰ লগত সম্পৰ্কিত মৃৎশিল্পী ;

(ঘ) সত্ৰৰ লগত জড়িত মৃৎশিল্পী আৰু

(ঙ) জনসাধাৰণৰ বাবে প্ৰয়োজন হোৱা বাচন-বৰ্তন তৈয়াৰ কৰা মৃৎশিল্পী।[৪০]

ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ পিছৰ পৰা অৰ্থাৎ ১৮২৬ চনৰ পৰৱৰ্তী সময়ত বৃটিছসকলৰ শাসন কালত মৃৎশিল্পৰ চৰ্চা, নিৰ্মাণ আৰু প্ৰসাৰ স্থবিৰ হৈ আহিবলৈ ধৰে। বিশেষকৈ বৃটিছসকলৰ সময়ত আধুনিক যন্ত্ৰ-পাতিৰ সহায়ত উৎপাদিত আধুনিক সামগ্ৰীসমূহৰ তুলনাত মৃৎশিল্পৰ দৰে অল্পস্থায়িত্ব থকা শিল্পবস্তুসমূহৰ চাহিদা, জনপ্ৰিয়তা আৰু ব্যৱহাৰ কমি আহিল। তথাপি বিশেষ বৃত্তিয়াল জাতিসমূহৰ মাজত এই শিল্প সীমাৱদ্ধ ৰূপত কোনোমতে জীয়াই থাকিবলৈ সক্ষম হৈছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছতো এই শিল্প বিশেষভাৱে প্ৰসাৰিত নহ'ল। কেৱল ধৰ্মীয় অনুষংগ আৰু দৈনন্দিন ব্যৱহাৰ্য কেতবোৰ সীমিত সংখ্যক শিল্পবস্তু নিৰ্মাণতে এই শিল্প সীমাৱদ্ধ হৈ থাকিল।

সম্প্ৰতি অসমৰ প্ৰায় সংখ্যক জিলাত মৃৎশিল্পৰ লগত জড়িত লোকসকল সিঁচৰতি হৈ বসবাস কৰি আছে আৰু এই শিল্পৰ চৰ্চাৰে কোনো মতে জীৱন অতিবাহিত কৰিছে। আৰ্থিক দিশত আজি পৰ্যন্ত এই শিল্পীসকল বিশেষ সবলতা আহৰণ কৰিব পৰা অৱস্থা এটালৈ উত্তৰণ লাভ কৰিব পৰা নাই।

বৰপেটা জিলাৰ জনিয়া, মন্দিয়া, চেঙা, বাটগাওঁ, কদমতলা, কলনি, ঠেকা কলনি, বৰপেটা

ৰোডৰ বাবুপাৰা, সুন্দৰীদিয়া, নালীৰপাৰ, খৈৰাবাৰী, গোবৰ্ধনা, বৰবিলা, বিষ্ণুপুৰ, বামুণা, মেটুৰাকুছি, কালজিৰাপাৰা, গোসাঁইপাৰা, বুদৰুটুপ, মাজৰ হাটী, কুমাৰ হাটী, ঘোঁৰামৰা হাটী, চিনাদি, বিচানকুছি, মাজিউপাৰা, উত্তৰ বজালী, পূৰ বজালী, পাঠশালা, ককলাবাৰী, সৰু ক্ষেত্ৰী আদি ঠাইত মৃৎশিল্পৰ লগত জড়িত বৃত্তিয়াল লোকসকল বসবাস কৰি আছে। এই লোকসকলে অনেক কষ্টেৰে মৃৎশিল্পৰ উপযোগী মাটি সংগ্ৰহ কৰি এই শিল্পৰ চৰ্চা অব্যাহত ৰাখিছে। স্থানবিশেষে এই শিল্পীসকলে দৈনন্দিন ব্যৱহাৰ্য বিবিধ শিল্পবস্তু, যেনে ঃ কলহ, টেকেলি, চৰু, মলা (বেইৰা), ঘট, চাকি, ধুনাদানি, ফুলজাৰিৰ খোল, চিলিম আদিৰ লগতে মৃন্ময় প্ৰতিমাও নিৰ্মাণ কৰি মৃৎশিল্পৰ চৰ্চা আৰু বিকাশত অৰিহণা যোগাই আহিছে।

**৫.৩.২ মৃৎ শিল্পজাত সামগ্ৰীৰ নিৰ্মাণ-পদ্ধতি ঃ**

বৰপেটা জিলাত দুটা বৃত্তিগত সম্প্ৰদায় মৃৎশিল্প নিৰ্মাণৰ সৈতে জড়িত। সেই দুটা সম্প্ৰদায় হ'ল — কুমাৰ আৰু হীৰাসকল। তদুপৰি মৃণ্ময় প্ৰতিমা বা মূৰ্তি নিৰ্মাণৰ লগত জড়িত খনিকৰসকলো এই শিল্পৰ অন্যতম প্ৰতিনিধি। উল্লেখযোগ্য যে হীৰা আৰু কুমাৰ দুয়োটা শিল্প-সম্প্ৰদায়ৰ মৃৎশিল্পৰ নিৰ্মাণ-পদ্ধতিৰ মাজত কিছু পাৰ্থক্য লক্ষ্য কৰা যায়। আনহাতে মৃণ্ময় প্ৰতিমা নিৰ্মাণৰ পদ্ধতিয়ো সম্পূৰ্ণ সুকীয়া। তলত তিনিওটা সম্প্ৰদায়ৰ মৃৎ শিল্প নিৰ্মাণৰ পদ্ধতি সম্পৰ্কে উল্লেখ কৰা হৈছে —

**৫.৩.২.১ কুমাৰসকলৰ মৃৎ শিল্পৰ নিৰ্মাণ-পদ্ধতি ঃ**

কুমাৰসকলে মৃৎশিল্পজাত সামগ্ৰীসমূহ তৈয়াৰ কৰোঁতে নিম্নলিখিত স্তৰকেইটা অতিক্ৰম কৰে—

**প্ৰথম স্তৰ ঃ** কেঁচাসামগ্ৰী অৰ্থাৎ মৃৎ শিল্প নিৰ্মাণৰ বাবে উপযুক্ত মাটিৰ সন্ধান কৰা হয়। সাধাৰণতে নৈ, বিল, পথাৰৰ ৰঙা আলতীয়া মাটি মৃৎ পাত্ৰ নিৰ্মাণৰ বাবে নিৰ্বাচন কৰা হয়। খৰালি দিনত পুৰুষসকলে মাটিখিনি খান্দি আনি ঘৰ বা বাৰীৰ নিৰ্দিষ্ট স্থানত নষ্ট নোহোৱাকৈ গাঁত খান্দি আকৌ পুতি থয়। মাটিখিনি যাতে ৰ'দ পৰি শুকাই নাযায়, তালৈ দৃষ্টি ৰাখি সাধাৰণতে ছাঁ পৰা ঠাইতহে মাটিখিনি গাঁতত পুতি থোৱা হয়।

**দ্বিতীয় স্তৰ ঃ** এই স্তৰত মৃৎশিল্পীসকলে গা-পা ধুই ধৰিত্ৰী আইক তামোল-পাণ, ধূপ-দীপেৰে পূজা-অৰ্চনা কৰি হাতে-কামে আগবাঢ়ে। প্ৰথমতে মাটিখিনি পৰীক্ষা কৰি চাই তাৰ সৈতে নদীৰ পৰা অনা বিশেষ বালি মাটিখিনিৰ সৈতে মিহলি কৰা হয়। তাৰ পিছত মাটিখিনি মিহি কৰিবৰ বাবে 'গায়েন' নামৰ একধৰণৰ বিশেষ কাঠৰ টুকুৰাৰে মাটিখিনি খুন্দিব লগা হয়। এনেদৰে মাটিখিনি মিহি কৰিবলৈ প্ৰায় এক-ডেৰ ঘণ্টা সময় লাগে। মিহি হোৱাৰ পিছত তাত নিৰ্দিষ্ট পৰিমাণৰ পানী মিশ্ৰণ কৰি সৰু সৰু গোটত মাটিখিনি ভাগ ভাগ কৰা হয়। এনেদৰে ভাগ ভাগ কৰা অংশবোৰক 'নিমত' বোলে। সেই নিমতবোৰৰ পৰাই পিছলৈ মৃৎ পাত্ৰ গঢ়া হয়।

**তৃতীয় স্তৰ ঃ** নিৰ্দিষ্ট এটা পাত্ৰ গঢ় দিয়া কাম এই স্তৰত সমাপন কৰা হয়। এই ক্ষেত্ৰত মাটি-পানী মিশ্ৰণেৰে কোমলকৈ তৈয়াৰ কৰা নিমতৰ এটা ভাগ চাকত বহুৱাই দি ঘূৰাই দিয়া হয়। ঘূৰণীয়া আকাৰৰ

চাকখন ঘূৰাবলৈ চাকমাৰি ব্যৱহাৰ কৰা হয় বা কেতিয়াবা যন্ত্ৰৰ দ্বাৰাও ঘূৰোৱা হয়। চাকখন ঘূৰি থাকোঁতেই কুমাৰজনে হাতৰ আঙুলি নিমতৰ মাজত সুমুৱাই নিৰ্দিষ্ট আকাৰত পাত্ৰ গঢ় দিয়াৰ কাম সমাপন কৰে। পিছত সূতাৰ সহায়ত পাত্ৰটো চাকখনৰ পৰা বিচ্ছিন্ন কৰা হয়।

**চতুৰ্থ স্তৰ ঃ** পাত্ৰটোৰে নিৰ্দিষ্ট আকাৰ লাভ কৰাৰ পিছত তাক ৰ'দত প্ৰায় তিনি-চাৰি ঘণ্টাৰ বাবে শুকাবলৈ দিয়া হয়। 'বইলা', 'পিট্‌নী' আদি সঁজুলিৰ সহায়ত পিছত কোবাই কোবাই পাত্ৰটোৰ আকাৰ বৃদ্ধি কৰা হয়। মাজে মাজে পাত্ৰটো মিহি হ'বলৈ তিতা কাপোৰেৰে মচি থাকিব লাগে। ইয়াৰ পৰৱৰ্তী দুই-তিনি দিন পাত্ৰটো ৰ'দত শুকুৱাই টান হ'বলৈ দিয়া হয়।

**শেষ স্তৰ ঃ** পাত্ৰটোক পূৰ্ণ ৰূপ দিবলৈ এই স্তৰত ভাটি প্ৰস্তুত কৰা হয়। এই ক্ষেত্ৰত নিৰ্দিষ্ট এডোখৰ ঠাইত গাঁত খান্দি তাত খৰি, খেৰ, নৰা, তুঁহ, শুকান পাত বা মেটেকা আদি দিয়া হয়। তাৰ ওপৰত প্ৰস্তুত কৰি থোৱা মাটিৰ পাত্ৰবোৰ ভালকৈ জাপি দি সেইবোৰৰ ওপৰত আকৌ শুকান খৰি, খেৰ, নৰা, গছৰ শুকান পাত আদি দি তাত অগ্নি সংযোগ কৰে। এনেদৰে জুইত পোৱাৰ পিছত পাত্ৰবোৰ শুকাই টান হয় আৰু ব্যৱহাৰৰ উপযোগী হৈ পৰে। শেষত প্ৰয়োজন অনুসৰি ৰং সানি বজাৰত বিক্ৰীৰ বাবে সাজু কৰি তোলা হয়। এই ক্ষেত্ৰত ৰং প্ৰস্তুত কৰিবলৈ পাহাৰৰ ৰঙা মাটি, খয়েৰ, চ'দা খাৰ আদি মিহলি কৰা হয়।

**৫.৩.২.২ হীৰাসকলৰ মৃৎ শিল্পৰ নিৰ্মাণ-পদ্ধতি ঃ**

হীৰাসকলৰ মৃৎ শিল্পৰ নিৰ্মাণৰ পদ্ধতি কিছু সুকীয়া। এই ক্ষেত্ৰত তেওঁলোকে নিম্নলিখিত স্তৰ কেইটা অতিক্ৰম কৰি মৃৎ পাত্ৰ তৈয়াৰ কৰে —

**প্ৰথম স্তৰ ঃ** হীৰাসকলেও পোনপ্ৰথমে কেঁচাসামগ্ৰী অৰ্থাৎ মাটি সংগ্ৰহ কৰা কাম আৰম্ভ কৰে। এই ক্ষেত্ৰত নদী বা পথাৰৰ বগা আলতীয়া মাটিৰ সন্ধান কৰিব লগা হয়। সাধাৰণতে এই মাটি সংগ্ৰহ কৰিবলৈ নদী বা পথাৰৰ মাজত দ' গাঁত খান্দি তাৰ পৰা মাটি উলিয়াই আনিব লগা হয়। এই ক্ষেত্ৰত পুৰুষসকলে আগভাগ লয়। কেতিয়াবা এই মাটি আনৰ পৰা কিনিও ল'ব লগা হয়। মাটিখিনি খান্দি উলিওৱাৰ পিছত সেইখিনি নিৰ্দিষ্ট স্থানত গাঁত খান্দি সংৰক্ষণ কৰি থয় আৰু প্ৰয়োজন অনুসৰি তাৰ পৰা মাটি আনি পাত্ৰ গঢ়াৰ কামত ব্যৱহাৰ কৰে। এইখিনিতে উল্লেখ কৰিব লাগিব যে সম্প্ৰতি বৰপেটা জিলাৰ কুমাৰ হাটী, ঘোঁৰামাৰা হাটী, মাজৰ হাটী, সুন্দৰীদিয়াৰ দক্ষিণ হাটী, বামুণা গাঁও আদিত বসবাস কৰি থকা হীৰা লোকসকলে কেঁচাসামগ্ৰীৰ সংকটত ভুগি আছে। তেওঁলোকে বন বিভাগৰ লগত যোগাযোগ কৰি কামৰূপ জিলাৰ তেতেলীয়া, দীঘলীবিল, হীৰাগাতা, দীপৰ বিল আদি অঞ্চলৰ পৰা গাড়ী ভাৰা কৰি কেঁচাসামগ্ৰী সংগ্ৰহ কৰিব লগা হয়। সংগ্ৰহ কৰা সেই মাটিখিনি পিছত ভগাই লৈ তেওঁলোকে মৃৎ পাত্ৰ নিৰ্মাণ কৰি আহিছে।

**দ্বিতীয় স্তৰ ঃ** এই স্তৰত পাত্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা মাটিখিনিৰ লগত খাল বা নদীৰ পৰা সংগ্ৰহ কৰি অনা নিৰ্দিষ্ট পৰিমাণৰ বালি মিহলোৱা হয়। সাধাৰণতে মাটিৰ লগত এক-তৃতীয়াংশ বালি মিহলি

কৰে। সেইখিনি মিহি কৰিবলৈ গায়েনেৰে খুন্দিব লগা হয়। পিছত বালি মিহলি মাটিখিনিত নিৰ্দিষ্ট পৰিমাণৰ পানী দি ভৰিৰে গচকি গচকি কোমল আৰু মিহি কৰা হয়। কোমল আৰু মিহি হ'লে মাটিখিনি নিৰ্দিষ্ট পৰিমাণত ভাগ ভাগ কৰি পাত্ৰ নিৰ্মাণৰ বাবে সাজু কৰা হয়।

**তৃতীয় স্তৰ ঃ** এই স্তৰত পাত্ৰ নিৰ্মাণৰ বাবে সাজু কৰা কোমল আৰু মিহি মাটিৰ চপৰাবোৰ থপৰিয়াই থপৰিয়াই গোলাকাৰ কৰা হয়। এই গোলাকাৰ মাটিৰ লদা বা চপৰাবোৰকে 'ডান' বোলে। এই ডানৰ পৰাই হীৰাসকলে মাটিৰ পাত্ৰবোৰ তৈয়াৰ কৰে। প্ৰথমতে 'ডান' এটুকুৰা ৰ'দত কিছু সময় শুকাবলৈ দি পিছত মিহি শিল এচটাৰ ওপৰত থৈ বইলা আৰু পিট্‌নীৰে কোবাই কোবাই এটা নিৰ্দিষ্ট আকৃতি প্ৰদান কৰা হয়। ইয়াকে হীৰাসকলে 'ইটা' বোলে। ইটাচপৰাক ছাঁতে কিছু সময় শুকাবলৈ দি আকৌ ৰ'দত এক-দুই ঘণ্টা শুকাবৰ বাবে থোৱা হয়। পিছত বইলা আৰু পিট্‌নীৰে কোৱাই কোবাই বহল কৰি 'খুলি' প্ৰস্তুত কৰা হয়। সেই খুলিৰ পৰাই বইলা আৰু পিট্‌নীৰ কোব দি নিৰ্দিষ্ট পাত্ৰৰ গঢ় দিয়া হয়। মাজে মাজে পাত্ৰটো মিহি কৰিবৰ বাবে পানীৰে ভিজা 'পৰকানি'ৰ সহায়ত পাত্ৰটো মচি থাকিব লগা হয়। পিছত তাক আকৌ ৰ'দত শুকাবলৈ দিয়া হয়।

**চতুৰ্থ স্তৰ ঃ** পাত্ৰবোৰ ভালকৈ শুকাই যোৱাৰ পিছত সেইবোৰ আকৰ্ষণীয় কৰি তুলিবৰ বাবে প্ৰাকৃতিকভাৱে প্ৰস্তুত কৰা ৰং কাপোৰৰ সহায়ত বুলাই দিয়া হয়।

**শেষ স্তৰ ঃ** এই স্তৰত নিৰ্মিত পাত্ৰবোৰ একেলগে জাপি খেৰ, মেটেকা, নৰাৰে জুইত পুৰি পাত্ৰবোৰ টান কৰা হয়। এনেদৰে পোৱাৰ পিছত পাত্ৰবোৰ ব্যৱহাৰযোগ্য হৈ পৰে আৰু বিক্ৰীৰ বাবে বজাৰলৈ নিব পৰা হয়।

**৫.৩.২.৩ মৃণ্ময় প্ৰতিমা বা মূৰ্তিৰ নিৰ্মাণ-পদ্ধতি ঃ**

মৃন্ময় প্ৰতিমা প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো কেইবাটাও পৰ্যায় বা স্তৰ আছে। সেইবোৰ হ'ল —

**প্ৰথম স্তৰ ঃ** সৰ্বপ্ৰথম কামটোৱেই হৈছে কেঁচাসামগ্ৰী সংগ্ৰহ। কেঁচাসামগ্ৰীবোৰ হ'ল — আলতীয়া মাটি, ধানখেৰ, মৰাপাট আৰু মৰাপাটৰ ৰছী, বাঁহ, কাঠ, গজাল, ৰং আদি। কেঁচাসামগ্ৰী সংগ্ৰহৰ পিছত খনিকৰসকলে শুকান বাঁহ বা কাঠৰ সহায়ত প্ৰতিমাটোৰ ফ্ৰেম বা কাঠামোটো তৈয়াৰ কৰে। এই ক্ষেত্ৰত ড্ৰিল মেছিনৰ সহায়ত কাঠ বা বাঁহবোৰত ফুটা কৰি গজালেৰে যোৰা লগাই প্ৰতিমাৰ নিৰ্দিষ্ট জোখ অনুসৰি কাঠামোটো তৈয়াৰ কৰা হয়। ইয়াৰ পিছত যি প্ৰতিমা বনাবলৈ লোৱা হৈছে, সেই প্ৰতিমাৰ দেহৰ ভাঁজ মতে তাৰ এটা ৰেহৰূপ তৈয়াৰৰ উদ্দেশ্যে মৰাপাটৰ ৰছীৰ সহায়ত আটি আটি ধানৰ খেৰৰ জুমুঠি বন্ধা হয়। জুমুঠি বান্ধি শেষ হোৱাৰ পিছত আলতীয়া মাটিৰ প্ৰলেপ সানি ৰ'দত দুই-তিনি দিনৰ বাবে শুকাবলৈ দিয়া হয়। মাটিৰ প্ৰলেপ তৈয়াৰ কৰোঁতে আলতীয়া মাটিবোৰ কোৰ বা অন্য সঁজুলিৰ সহায়ত কাটি মিহি কৰা হয় আৰু তাত পৰিমাণ অনুসৰি পানী দি গচকি-খচকি ক্ৰীমৰ দৰে কোমল কৰি

লোৱা হয়। প্ৰতিমাটোৰ জুমুঠিৰ ওপৰত দিয়া এই প্ৰথম প্ৰলেপটোত বিশেষ কাৰুকাৰ্য খচিত কৰা নহয় বাবে যিকোনো মানুহে সেই প্ৰলেপটো সানিব পাৰে।

**দ্বিতীয় স্তৰ ঃ** এই স্তৰত নিৰ্দিষ্ট পৰিমাণ অনুসৰি খেৰখিনি আধা আঙুল জোখত কাটি লৈ তাৰ লগত মাটি মিহলি কৰি এটা প্ৰলেপ তৈয়াৰ কৰা হয়। প্ৰলেপটো তৈয়াৰ কৰি এদিন বা দুদিন থৈ দিয়া হয়, যাতে তাত থকা সৰু সৰু জোখৰ খেৰখিনি মাটিৰ সৈতে মিহলি কোমল হৈ পৰে। তাৰ পিছত প্ৰতিমাটোৰ সমগ্ৰ দেহত সেই প্ৰলেপটো সানি দিয়া হয়। দেহৰ নিৰ্দিষ্ট ভাঁজ, পেশী, বুকু আদি এই প্ৰলেপটোৰ সহায়তে ফুটাই তোলা হয়। এই প্ৰলেপটো সনাৰ পিছত প্ৰতিমাটো মজবুত আৰু টান হ'বৰ বাবে ৰ'দত পুনৰ শুকাবৰ বাবে থোৱা হয়। আনহাতে মুখমণ্ডলৰ বাবে চিমেণ্ট-বালিৰে তৈয়াৰী সাঁচ ব্যৱহাৰ কৰা হয়। এই সাঁচটো প্ৰতিমাৰ জোখ, আকাৰ অনুসৰি নিৰ্মাণ কৰি লয় আৰু তাৰ সহায়তহে নাক, ওঁঠ, চকু আদি অংগবোৰ ফুটাই তোলা হয়।

**তৃতীয় স্তৰ ঃ** এই স্তৰত মৰাপাটৰ আঁহবোৰ সৰু সৰু জোখত কাটি তাৰ লগত আলতীয়া বা ৰঙা মাটিৰ লগত জোখ মতে পানী মিহলাই আন এটা প্ৰলেপ তৈয়াৰ কৰা হয়। সেই প্ৰলেপটো প্ৰতিমাটোৰ গাত সানি অলপ শুকাবলৈ দিয়া হয়। এই লেপটোৱে প্ৰতিমাৰ গাত দিয়া মাটিৰ প্ৰলেপবোৰৰ ফাটবোৰ পূৰ কৰাত সহায় কৰে।  তাৰ পিছত পুনৰ আলতীয়া মাটিৰ লগত পানীৰ এটি ঘোল প্ৰস্তুত কৰি প্ৰতিমাটোৰ গোটেই গাত ৰং কৰাৰ দৰে সানি দিয়া হয়। এই ক্ষেত্ৰত ঘোলটো অতি মিহি হোৱাৰ প্ৰয়োজন। সেইবাবে চাকনী বা কাপোৰৰ সহায়ত ঘোলটো চেকি লোৱা হয়।

**চতুৰ্থ স্তৰ ঃ** মাটিৰ সকলো প্ৰলেপ দি সম্পূৰ্ণ হোৱাৰ পিছত প্ৰতিমাটোৰ গাত ৰং কৰা কাম আৰম্ভ কৰা হয়। প্ৰতিমা অনুসৰি গাৰ ৰং ভিন্ ভিন্ ধৰণৰ হ'ব পাৰে। উদাহৰণস্বৰূপে, কৃষ্ণ, বিষ্ণু আৰু শিৱৰ গাৰ ৰং নীলা হোৱাৰ বিপৰীতে ব্ৰহ্মা, কাৰ্তিক গণেশ আদি দেৱ-দেৱতাৰ ৰং কিছু বেলেগ হয়। আগতে প্ৰতিমাৰ গাত প্ৰাকৃতিকভাৱে প্ৰস্তুত কৰা ৰং ব্যৱহাৰ কৰা হৈছিল। এই ক্ষেত্ৰত, হালধি, চূণ, বিভিন্ন গছৰ পৰা প্ৰস্তুত কৰি উলিওৱা ৰং, হেঙুল-হাইতাল, ছাঁই, এঙাৰ, গেৰু মাটি আদিৰ লগতে সেন্দূৰ, কাপোৰত ব্যৱহাৰ কৰা নীল আদি ব্যৱহৃত হৈছিল। কিন্তু আজিকালি বজাৰত পোৱা বিভিন্ন প্ৰকাৰৰ ৰং প্ৰতিমাৰ গাত ব্যৱহাৰ কৰা হয়। আজিকালি বিদ্যুৎ শক্তিৰে চালিত 'স্প্ৰে মেচিন' ৰং কৰিবৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। প্ৰতিমাৰ দেহৰ ভাঁজ অনুসৰি ছাঁ-পোহৰ ফুটাই তুলিবৰ বাবেও শিল্পীসকলে যত্ন কৰে। এই কামবোৰ সম্পূৰ্ণ হৈ উঠিলে প্ৰতিমাৰ মুখমণ্ডলৰ চকু, চেলাউৰি, চকুৰ পাহি, ওঁঠ, কপালৰ তিলক আদি সৰু সৰু তুলিকাৰ সহায়ত বুলাই দিয়া হয়। সেইদৰে প্ৰতিমাটোত পৰিধান কৰোওৱা কেশ-সজ্জা, সাজ-সজ্জা, অলংকাৰ আদি পূৰ্বতে মাটিৰেই প্ৰস্তুত কৰি তোলা হৈছিল। কিন্তু এই কাম বেছি কষ্টসাধ্য হোৱাৰ বাবে আজিকালি বজাৰত উপলব্ধ কৃত্ৰিম কেশ, আ-অলংকাৰ, মুকুট, কাপোৰ আদিৰে প্ৰতিমাক ভূষিত কৰি সৌন্দৰ্য বৰ্ধন কৰিবলৈ শিল্পীসকলে প্ৰয়াস কৰে। এনেদৰে সামগ্ৰিক কাম শেষ হোৱাৰ লগে লগে প্ৰতিমাটো বিক্ৰীৰ বাবে সাজু হৈ উঠে।

**৫.৩.৩ মৃৎ শিল্পজাত সামগ্ৰী নিৰ্মাণৰ লগত জড়িত সঁজুলি ঃ**

মৃৎশিল্পজাত সামগ্ৰীসমূহ নিৰ্মাণ কৰিবলৈ মাটি, বাঁহ, কাঠ আদি প্ৰাকৃতিক সমলেৰে সাজি লোৱা বিভিন্ন সঁজুলি ব্যৱহাৰ কৰা হয়। সেই সঁজুলিবোৰ হ'ল—

**গায়েন ঃ** কাঠেৰে ঘূৰণীয়াকৈ সাজি লোৱা এডাল দীঘল মাৰি। সাধাৰণতে শাল কাঠেৰে এই মাৰিডাল নিৰ্মাণ কৰা হয়। মৃৎশিল্পৰ বাবে প্ৰয়োজনীয় মাটিখিনি খুন্দি খুন্দি মিহি কৰিবলৈ এই মাৰিডাল ব্যৱহৃত হয়।

**কোৰ বা কোদাল ঃ** মাটিবোৰ মিহি কৰিবলৈ ব্যৱহাৰ কৰা বাঁহৰ নালযুক্ত চেপেটা লোৰে নিৰ্মিত এবিধ সঁজুলি।

**পিট্‌নী ঃ** হীৰাসকলে মৃৎপাত্ৰ বনাবলৈ ব্যৱহাৰ কৰা এডাল সৰু ক্ৰিকেট বেটৰ নিচিনা কাঠৰ টুকুৰা। মাটিৰ পাত্ৰবোৰ পিটি পিটি নিৰ্দিষ্ট ৰূপ বা আকাৰ প্ৰদান কৰিবলৈ এই সঁজুলিবিধ ব্যৱহাৰ কৰা হয়।

**চাক ঃ** কুমাৰসকলে মৃৎপাত্ৰ, যেনে ঃ কলহ, টেকেলি, ঘট, চাকি আদি তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা এবিধ সঁজুলি। কাঠ আৰু বাঁহেৰে ৰথৰ চকাৰ দৰে ঘূৰণীয়াকৈ এই সঁজুলিবিধ বনাই লোৱা হয়। আজিকালি লোৰে তৈয়াৰী চাকো ব্যৱহাৰ কৰা দেখা যায়। শিল নাইবা কঠিন এচটা কাঠত চাকখন ঘূৰাব পৰাকৈ স্থাপন কৰা হয়। শিল্পীসকলে চাকখন ঘূৰাই লৈ তাৰ সোঁমাজৰ নিৰ্দিষ্ট স্থানত মাটিৰে কোমলকৈ প্ৰস্তুত কৰি লোৱা 'নিমত' এটা দি হাতেৰে নিৰ্দিষ্ট আকাৰত মাটিৰ পাত্ৰ তৈয়াৰ কৰে।

**চাকমাৰি ঃ** কুমাৰসকলে মৃৎপাত্ৰ তৈয়াৰ কৰিবলৈ যিখন চাক ব্যৱহাৰ কৰে, সেইখন ঘূৰাবলৈ ব্যৱহাৰ কৰা মাৰিডালেই হ'ল চাকমাৰি। চাকমাৰিডাল সাধাৰণতে বাঁহেৰে প্ৰস্তুত কৰি লোৱা হয়।

**খুন্দা মাৰি ঃ** নিৰ্মাণ কৰা মাটিৰ পাত্ৰবোৰৰ তলৰ অংশটো মিহি কৰিবলৈ ব্যৱহাৰ কৰা কাঠৰ এবিধ আহিলা।

**ডানশিল ঃ** মৃৎপাত্ৰ নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰা এচটা শিল। ইয়াৰ ওপৰত 'ডান' (হীৰামাটি আৰু বালি মিশ্ৰিত মাটিৰ লদা) এটা থৈ পিট্‌নীৰে পিটি পিটি হীৰাসকলে মাটিৰ পাত্ৰ তৈয়াৰ কৰে।

**বইলা ঃ** কুমাৰসকলে মাটিৰ পাত্ৰ, যেনে ঃ টেকেলি, কলহ আদি গঢ় দিওঁতে মাটিৰে তৈয়াৰ কৰি লোৱা টেকেলিৰ নিচিনা সৰু এবিধ সামগ্ৰীক আৰ্হি হিচাপে গ্ৰহণ কৰে। সেই সামগ্ৰীবিধকে বইলা বোলে। পাত্ৰসমূহৰ আকাৰ সুন্দৰ কৰাত ই সহায় কৰে।

**আফৰি ঃ** মাটিৰে তৈয়াৰ কৰি লোৱা কেৰাহিৰ দৰে এবিধ আহল-বহল পাত্ৰ। মৃৎপাত্ৰ নিৰ্মাণ কৰিবলৈ প্ৰস্তুত কৰি লোৱা মাটিবোৰ এই পাত্ৰটোতে থৈ মৃৎশিল্পীসকলে শিল্পবস্তুবোৰ নিৰ্মাণ কৰে।

**ঘুহুনী ছাতি ঃ** নিৰ্মিত মাটিৰ পাত্ৰবোৰ মসৃণ কৰিবলৈ ব্যৱহাৰ কৰা ঘূৰণীয়া আৰু ওপৰৰফালে ঠেক আকৃতিৰ এবিধ আহিলা। আহিলাবিধৰ ওপৰৰফালে থকা নিৰ্দিষ্ট স্থানত হাতেৰে ধৰি শিল্পীসকলে পাত্ৰবোৰ মিহি কৰে। এই সঁজুলিবিধো মাটিৰে তৈয়াৰ কৰি লোৱা হয়।

**বেৰিয়া ঃ** মৃৎপাত্ৰ নিৰ্মাণ কৰোঁতে প্ৰয়োজন হোৱা পানীখিনি থ'বলৈ ব্যৱহাৰ কৰা মাটিৰ এবিধ পাত্ৰ।

**কমিয়া ঃ** মৃৎপাত্ৰ নিৰ্মাণ কৰাৰ আগতে মাটিখিনি মিহি কৰিবলৈ ব্যৱহৃত বাঁহৰ কামিৰে প্ৰস্তুত কৰি লোৱা এবিধ সঁজুলি।

**চোঁচা মাৰি ঃ** কুমাৰসকলে কলহ, টেকেলি আদি নিৰ্মাণ কৰোঁতে ডিঙি অংশ গঢ় দিবলৈ ব্যৱহাৰ কৰা চেপেটা আকাৰৰ বাঁহৰ এবিধ আহিলা।

**পৰকানি ঃ** পাত্ৰ গঢ়োঁতে সেইবোৰ মিহি কৰিবলৈ ব্যৱহৃত কপাহী কাপোৰৰ এটা টুকুৰা। কাপোৰৰ টুকুৰাটো পানীত তিয়াই পাত্ৰবোৰৰ গাত মচি মিহি কৰিবলৈ চেষ্টা কৰা হয়।

উল্লিখিত সঁজুলিবোৰৰ উপৰিও মৃণ্ময় মূৰ্তি নিৰ্মাণৰ বাবে সুকীয়া কেতবোৰ সঁজুলি ব্যৱহাৰ কৰা হয়। সেইবোৰৰ ভিতৰত কাইম কাঠি (মূৰ্তিৰ গঢ় দিবৰ বাবে ব্যৱহৃত বাঁহৰ এচটা কাঠি), কাট্‌নী মাৰি (মূৰ্তি গঢ়িবৰ বাবে মূৰ্তিৰ গাত লেপ খাই থকা মাটিবোৰ মিহিকৈ কাটিবৰ বাবে ব্যৱহাৰ কৰা মাৰিবিশেষ), গজাল, ৰং সানিবলৈ ব্যৱহাৰ কৰা ব্ৰাচ, তুলিকা, হাতুৰী, ৰং কৰা স্প্ৰে' মেচিন আদি উল্লেখযোগ্য।

**৫.৩.৪ মৃৎ শিল্পৰ জৰিয়তে উৎপাদিত ভিন্ন শিল্প-সামগ্ৰী ঃ**

বৰপেটা জিলাত বসবাস কৰি থকা কুমাৰ আৰু হীৰাসকলে মৃৎশিল্পজাত বিবিধ শিল্পবস্তু নিৰ্মাণ কৰি আহিছে। ঘৰুৱা বিবিধ কৰ্মৰ উপৰিও ধৰ্মীয় কাম-কাজ আদিৰ লগতো এই শিল্পবস্তুবোৰ সম্পৰ্কিত। তদুপৰি কুমাৰসকলৰে এটা ভাগ বুলি পৰিচয় দিয়া মৃণ্ময় মূৰ্তি গঢ়া খনিকৰসকলেও ধৰ্মীয় বিবিধ পূজা-পাৰ্বণ উপলক্ষে বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি নিৰ্মাণৰ লগত জড়িত হৈ আছে। তলত মৃৎশিল্পীসকলৰ দ্বাৰা নিৰ্মিত শিল্পবস্তুসমূহৰ পৰিচয় দাঙি ধৰা হ'ল—

(১) **কলহ** ঃ পানী, গুড়, দৈ আদি থ'বৰ বাবে ডিঙি সৰু, পেট ডাঙৰ এবিধ পাত্ৰ। টেকেলিতকৈ ইয়াৰ আকাৰ ডাঙৰ। আকাৰ অনুসৰি ইয়াৰ প্ৰকাৰ বহুত। যেনে ঃ সৰু পাটি কলহ, ভাৰি কলহ, ডাঙৰ পাটি কলহ আদি।

(২) **কাটা** ঃ কলহতকৈ কিছু ডাঙৰ ঘূৰণীয়া আকাৰৰ এবিধ পাত্ৰ। দৈ প্ৰস্তুত কৰাৰ উপৰিও অন্যান্য সা-সামগ্ৰী থ'বলৈ ব্যৱহাৰ কৰা হয়।

(৩) **খোলা** ঃ চুটি ডিঙিৰ চৰু বা হাড়িতকৈ বাম এবিধ পাত্ৰ। ইয়াত ৰন্ধা-বঢ়া কৰাৰ উপৰিও পিঠা-পনাও ভজা হয়।

(৪) **ঘট** ঃ টেকেলিতকৈ কিছু সৰু পাত্ৰ। পানী বা অন্যান্য বস্তু থোৱা আৰু বিভিন্ন মাংগলিক কামত ব্যৱহাৰ কৰা হয়।

(৫) **চৰু** ঃ ভাত ৰান্ধিবৰ বাবে ব্যৱহৃত কেৰাহীৰ দৰে পাত্ৰ। চাউল সিজোৱাৰ পৰিমাণ অনুসৰি ইয়াৰ ভিন্ন আকাৰ থাকে।

(৬) **চাকলি** ঃ পিঠা বা অন্য বস্তু ভাজিবৰ বাবে ব্যৱহাৰ কৰা মেলাহী চৰু।

(৭) **চেৰা চৰু** ঃ চেৰা দিয়া ভাত ৰান্ধিবৰ বাবে তলফালে ফুটা থকা চৰু। ভাপত ভাতখিনি সিজিবৰ বাবে হাড়িৰ ওপৰত এই চৰু তুলি দিয়া হয়।

(৮) **টেকেলি** ঃ ডিঙি দীঘল পেটটো কিছু ডাঙৰ এবিধ পাত্ৰ। পানী, জা-জলপান, পিঠা-পনা, গুড়-গাখীৰ আদি থ'বৰ বাবে ব্যৱহাৰ কৰা হয়। বিয়া-বাৰুত পানী তুলিবৰ বাবে আৰু দৰা-কইনাক নুৱাব-ধুৱাবৰ বাবেও টেকেলি ব্যৱহাৰ কৰা হয়। কাম অনুসৰি টেকেলিৰ বিভিন্ন প্ৰকাৰ আছে।

(৯) **নদীয়া** ঃ ডাঙৰ চৰিয়া বা কেৰাহীৰ দৰে পাত্ৰ। চাউল, চিৰা, পিঠাগুৰি আদি থ'বৰ বাবে ব্যৱহৃত।

(১০) **পাইলা** ঃ কাটাৰ দৰে কিন্তু তাতকৈ সৰু এবিধ পাত্ৰ। বিভিন্ন বস্তু ভৰাই থ'বলৈ ব্যৱহাৰ কৰা হয়।

(১১) **বান মলা** ঃ কাণ থকা এবিধ মলা। মান্যজনক জলপান বা অন্যান্য বস্তু খাব দিবলৈ ব্যৱহাৰ কৰা হয়।

(১২) **বেৰীয়া বা বেইৰা** ঃ কান থকা বহল মুখৰ কিছু দ এবিধ পাত্ৰ। দৈ গাখীৰ থ'বলৈ ব্যৱহৃত।

(১৩) **ভুৰুকা** ঃ ঘটতকৈ কিছু সৰু এবিধ পাত্ৰ। চূণজাতীয় বস্তু থ'বৰ বাবে ব্যৱহৃত।

(১৪) **মলা** ঃ চৰুতকৈ সৰু এবিধ পাত্ৰ। পূজাৰ নিৰ্মালি বা অন্যান্য বস্তু খোৱাৰ কামত ব্যৱহাৰ হয়।

(১৫) **মলাচৰু** ঃ চৰুতকৈ আকাৰত সৰু। দান-দক্ষিণা কৰিবৰ সময়ত দান দিয়া সামগ্ৰীবিধ এই চৰুত ভৰাই দিয়া হয়।

(১৬) **মালেই** ঃ কানটো উঠা, ভিতৰভাগ সামান্য দ ঘূৰণীয়া আকৃতিৰ পাত্ৰ। সত্ৰৰ নিৰ্মালি দিবৰ বাবে, দৌলোৎসৱত ফাকু থ'বৰ বাবে ব্যৱহাৰ কৰা হয়।

(১৭) **লুৰ্‌কি** ঃ ভাত ৰন্ধা বা গাখীৰ আদি পনীয়া বস্তু থ'বলৈ ব্যৱহাৰ কৰা হয়।

(১৮) **কুঁৰাৰ পাট** ঃ কুঁৰা বনাবলৈ ব্যৱহৃত ঘূৰণীয়া বেৰা।

(১৯) **হাড়ি** ঃ মুখখন পেটটোতকৈ সৰু ভাত সিজোৱা এবিধ পাত্ৰ।

উল্লিখিত শিল্পবস্তুবোৰৰ উপৰি অন্যান্য বিবিধ কাৰ্যত ব্যৱহাৰ কৰা অনেক সঁজুলি বা পাত্ৰসমূহো এই ক্ষেত্ৰত উল্লেখযোগ্য। সেইবোৰ হ'ল— চাকি, ধূনাদানি, গছা, চিলিম, ফুলৰ টাব, পইচা থোৱা যতন, জালৰ গৰা বা গুলী, সুতুলী, শ'ৰ্‌মালাৰ চাকি (বিবাহ অনুষ্ঠানত পদূলি মুখত আঁৰি দিয়া হয়), মাটিৰ মুছি (বঙালীসকলে বিবাহ অনুষ্ঠানত ব্যৱহাৰ কৰা সামগ্ৰী), ফুলজাৰিৰ সাঁচ; নাগাৰা, ডবা আদি বাদ্যযন্ত্ৰ খোলা, মুহী (সোণ-ৰূপ গলোৱা পাত্ৰ) আদি সামগ্ৰীবোৰো বৰপেটাৰ মৃৎশিল্পীসকলে নিৰ্মাণ কৰি আহিছে।

আনহাতে খনিকৰসকলে নিৰ্মাণ কৰা মৃণ্ময় প্ৰতিমাবোৰ বিশেষকৈ হিন্দু ধৰ্মাৱলম্বী লোকসকলে বিভিন্ন পূজা-পাৰ্বণত উপাসনাৰ বাবে ব্যৱহাৰ কৰি আহিছে। তেওঁলোকে নিৰ্মাণ কৰা মৃণ্ময় প্ৰতিমাবোৰৰ ভিতৰত দুৰ্গা, সৰস্বতী, লক্ষ্মী, গণেশ, কাৰ্তিক, মা কালী, বিশ্বকৰ্মা, মনসা আদিয়েই প্ৰধান।

**৫.৩.৫ মৃৎ শিল্পৰ লগত জড়িত শিল্পীসকল ঃ**

ইতিমধ্যে বৰপেটা জিলাৰ মৃৎশিল্পীসকলৰ বসতি স্থান সম্পৰ্কে উল্লেখ কৰা হৈছে। সেই ঠাইসমূহত বহু মৃৎশিল্পীয়ে পুৰুষানুক্ৰমে সেই বিদ্যা আয়ত্ত কৰি মৃৎশিল্পৰ পৰম্পৰা আৰু ঐতিহ্য আজি পৰ্যন্ত ধৰি ৰাখিছে। অৱশ্যে এটা কথা উল্লেখ কৰা প্ৰয়োজন যে সামগ্ৰিকভাৱে এই শিল্পীসকলৰ অৰ্থনৈতিক স্থিতি বৰ বেছি স্বচ্ছল নহয়। তেওঁলোকে এই শিল্পৰ জৰিয়তে কোনো মতে পেটে-ভাতে খাই আছে। যিসকল মৃৎশিল্পীয়ে আজিও এই পৰম্পৰা ধৰি ৰাখিছে, সকলোৰে নামোল্লেখ এই আলোচনাত সম্ভৱ নহ'লেও প্ৰতিনিধিত্বমূলকভাৱে কেইগৰাকীমান মৃৎশিল্পীৰ বিষয়ে ইয়াত উল্লেখ কৰা হৈছে। বৰপেটাৰ ঘোঁৰামৰা হাটীৰ হীৰা সম্প্ৰদায়ৰ কেইগৰাকী উল্লেখনীয় মৃৎশিল্পী হ'ল — বিবিনীবালা দাস (বয়স ৮৫ বছৰ), পুণ্যবালা দাস (বয়স ৫৭ বছৰ), হিৰণবালা দাস (বয়স ৫৫ বছৰ), সুৰবালা দাস (বয়স ৫২) বছৰ), পঞ্চৱতী দাস (বয়স ৪৭ বছৰ), নীৰুবালা দাস (বয়স ৫৬ বছৰ),পূৰ্ণিমা দাস (বয়স ৪৯ বছৰ) আৰু অলকা দাস (বয়স ৪৮ বছৰ)। এইসকল মৃৎশিল্পীয়ে শিল্পবিধক অতি কষ্টৰ মাজেৰে জীয়াই ৰাখিছে।

মন্দিয়া অঞ্চলৰ ২নং বৰদলনি গাঁৱত কুমাৰ সম্প্ৰদায়ৰ ১৫টা আৰু ৩টা খনিকৰ পৰিয়ালে বসবাস কৰে। তাৰে সকলো লোকে মৃৎশিল্পৰ চৰ্চা নকৰি অন্য কামত নিয়োজিত হৈছে। সেই গাঁৱৰে কেইগৰাকীমান মৃৎশিল্পী হৈছে — বাসন্তী পাল (বয়স ৯৫ বছৰ), ৰত্না পাল (বয়স ৭৪ বছৰ), ভাৰতী পাল (বয়স ৪৫ বছৰ), নিজুৰাণী পাল (বয়স ৪০ বছৰ), মালতী পাল (বয়স ৪৯ বছৰ) আৰু লক্ষী পাল (বয়স ৪২ বছৰ)। মন্দিয়া অঞ্চলতে মৃণ্ময় প্ৰতিমা নিৰ্মাণ কৰা কেইঘৰমান খনিকৰ লোকো আছে। তেওঁলোকৰ ভিতৰত সন্তোষ পাল (বয়স ৬৪ বছৰ), গণেশ পাল (বয়স ৬২ বছৰ), ৰতন পাল (বয়স ৫০ বছৰ)ৰ নাম উল্লেখযোগ্য। কদমতলা অঞ্চলত ৪টা খনিকৰ পৰিয়াল আছে। তাৰে এটা পৰিয়ালত পাঁচগৰাকী ভাই-ভনী মিলি মৃন্ময় প্ৰতিমা নিৰ্মাণৰ কামত ব্ৰতী হৈ আছে। তেওঁলোক হৈছে ক্ৰমে— অনন্ত পাল (বয়স ৬০ বছৰ), প্ৰতিমা পাল (বয়স ৫২ বছৰ), গৌৰী পাল (বয়স ৪৭ বছৰ), বিমল পাল (বয়স ৪৩ বছৰ) আৰু বিকাশ পাল (বয়স ৪০ বছৰ)। সেইদৰে সৰুক্ষেত্ৰী অঞ্চলৰ কাপ্‌লা বিলৰ পাৰৰ কেইগৰাকী হীড়া সম্প্ৰদায়ৰ মৃৎশিল্পী হ'ল— গাদোবালা দাস (বয়স ৫২ বছৰ), চাতিবালা দাস (বয়স ৫৫ বছৰ), লক্ষ্মীবালা দাস (বয়স ৪৭ বছৰ), ৰাতিপ্ৰিয়া দাস (বয়স ৪৫ বছৰ), মাঘীবালা দাস (বয়স ৫০ বছৰ), প্ৰমীলাবালা দাস (বয়স ৪৭ বছৰ), অকণবালা দাস (বয়স ৪০ বছৰ) আৰু মীনাবালা দাস (বয়স ৪২ বছৰ)। উল্লেখযোগ্য যে মৃৎশিল্পৰ লগত জড়িত জ্যেষ্ঠ শিল্পীসকলে আগ্ৰহী অনুজসকলক এই শিল্পৰ প্ৰশিক্ষণ প্ৰদান কৰি শিল্পটোক জীয়াই ৰখাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰাৰ বিপৰীতে সংশ্লিষ্ট পৰিয়ালৰ কিছু সংখ্যক সদস্য অন্য বৃত্তি বা উপাৰ্জন ক্ষেত্ৰৰ সৈতে জড়িত হৈ পৰিছে।

এনেদৰে বৰপেটা জিলাৰ বিভিন্ন স্থানত বহু সংখ্যত শিল্পী বৃত্তিগতভাৱে মৃৎশিল্পৰ লগত জড়িত হৈ আছে। তেওঁলোকৰ দ্বাৰা নিৰ্মিত শিল্পবস্তুসমূহে এই শিল্পৰ ঐতিহ্য আৰু স্বকীয়তাক আজি পৰ্যন্ত ধৰি ৰাখিবলৈ সক্ষম হৈছে।

**৫.৩.৬ অৰ্থনৈতিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত মৃৎ শিল্পৰ ভূমিকা ঃ**

ঐতিহাসিক কালৰ পৰাই মৃৎশিল্পই সংশ্লিষ্ট শিল্পীসকলৰ জীৱন-জীৱিকাৰ এক প্ৰধান সম্বল হিচাপে অৰিহণা যোগাই আহিছে। পুৰুষানুক্ৰমে প্ৰচলিত এই শিল্প সংশ্লিষ্ট বৃত্তিয়াল লোকৰ মাজতে সীমাৱদ্ধ হৈ আছে আৰু মৃৎশিল্পজাত সামগ্ৰী নিৰ্মাণ আৰু সেইবোৰৰ বিক্ৰীৰ জৰিয়তে পৰিয়াল পৰিচালনা কৰি আহিছে। কিন্তু এই শিল্প চৰ্চা কৰি এটা স্বচ্ছল জীৱন অতিবাহিত কৰাৰ সুযোগ আৰু সম্ভাৱনা বিশেষ পৰিলক্ষিত নহয়। সাম্প্ৰতিক সময়ৰ মৃৎশিল্পীসকলৰ জীৱন-জীৱিকালৈ ভালদৰে লক্ষ্য কৰিলে সংশ্লিষ্টসকলে মৃৎশিল্পক জীৱিকাৰ সম্বল হিচাপে গ্ৰহণ কৰাৰ কেইটিমান বিশেষ পৰিস্থিতি দৃষ্টিগোচৰ হয়। সেই পৰিস্থিতিসমূহ এনেধৰণৰ —

(ক) যিসকল লোকৰ খেতি-মাটি বৰ বিশেষ নাই বা জীৱিকাৰ অন্য কোনো সম্বল নাই, তেওঁলোকে এই শিল্পকে জীৱিকাৰ প্ৰধান সম্বল হিচাপে গ্ৰহণ কৰি আহিছে।

(খ) আজৰি সময়ত বয়সস্থ মহিলাসকল এই শিল্পৰ সৈতে জড়িত হয় আৰু মৃৎপাত্ৰ নিৰ্মাণ কৰি দুই-এটকা উপাৰ্জন কৰে।

(গ) মৃৎ শিল্পৰ বাবে কোনো শকত মূলধনৰ প্ৰয়োজন নহয়; কম মূলধনতে এই শিল্পক জীৱিকাৰ এক সম্বল হিচাপে সংশ্লিষ্টসকলে গ্ৰহণ কৰে।

মৃৎ শিল্প সংশ্লিষ্টসকলৰ জীৱিকাৰ এক উপায় হ'লেও ব্যৱসায় ভিত্তিত শিল্পবস্তুবোৰৰ বিক্ৰীৰ ক্ষেত্ৰত তেওঁলোকে অশেষ কষ্ট স্বীকাৰ কৰিব লগা হয়। মৃৎ শিল্পবোৰৰ বজাৰ মূল্য অতি কম হোৱাৰ বাবে তাৰ লাভৰ পৰা কোনোপধ্যে তেওঁলোকে পৰিৱহন খৰচটো যোগাৰ কৰিব নোৱাৰে। ফলত বাট কুৰি বাই খোজ কাঢ়ি কান্ধত গধূৰ ভাৰ লৈ পুৰুষসকলে বজাৰত শিল্পবস্তুবোৰ বিক্ৰী কৰিবলৈ আহে। উল্লেখযোগ্য যে মৃৎ শিল্পজাত সামগ্ৰীসমূহৰ দৈনন্দিন জীৱনত উপযোগিতা খুউব কম; প্ৰায়বোৰ সামগ্ৰী ধৰ্মীয় উৎসৱ-অনুষ্ঠান তথা পূজা-পাৰ্বণৰ সৈতেহে সম্পৰ্কযুক্ত। ফলত বছৰৰ প্ৰতিটো সময়ত এই শিল্পবোৰৰ চাহিদাও বজাৰত দেখা পোৱা নাযায়। মৃৎ পাত্ৰবোৰ পুৰিবলৈ প্ৰয়োজনীয় মেটেকা, খেৰ আদিও বছৰটোৰ সকলো সময়তে পোৱা নাযায়। বাৰিষা কালটো এই শিল্পবস্তু নিৰ্মাণৰ বাবে অনুপযোগী। তদুপৰি মৃৎশিল্পৰ লগত জড়িত লোকসকলক বানপানীয়েও প্ৰতি বছৰে জুৰুলা কৰি আহিছে। সেই সময়ছোৱাত মৃৎ শিল্পবস্তুৰ উৎপাদন আৰু বিক্ৰী একেবাৰে বন্ধ হৈ পৰে। ফলত তেওঁলোকে অশেষ কষ্ট ভোগ কৰিব লগা হয়। ২০২০-২১ চনত হোৱা কৰোণা মহামাৰীৰ সময়তো মৃৎশিল্পীসকলৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল।

মৃৎশিল্পজাত সামগ্ৰীবোৰ পৰিৱেশ উপযোগী হ'লেও সেইবোৰৰ স্থায়িত্ব অতি কম। আনহাতে বজাৰত তাৰ বিকল্প উন্নতমানৰ অনেক সামগ্ৰী উপলব্ধ। ফলত সকলো শিল্পবস্তুৰ বজাৰত চাহিদা নাই। বিশেষ কেতবোৰ শিল্পবস্তু, যেনে— চাকি, ফুলৰ টাব, মালে, মাটিৰ চাহ খোৱা কাপ আদিৰ কিছু চাহিদা থাকিলেও সকলো ঠাইতে এই শিল্পবস্তুবোৰৰো বিক্ৰী সন্তোষজনক নহয়। সেইদৰে যিসকল খনিকৰে মৃন্ময় প্ৰতিমা নিৰ্মাণ কৰে, তেওঁলোকেও বছৰৰ প্ৰতিটো সময়তে সেইবোৰ নিৰ্মাণৰ 'অৰ্ডাৰ' নাপায়। বিশেষ সময়ত প্ৰতিমা নিৰ্মাণ কৰিলেও সেই খৰচেৰে বছৰটো ভালদৰে চলিবলৈ অসুবিধা হয়। তলত কদমতলা অঞ্চলত পাঁচজনীয়া এটা খনিকৰ পৰিয়ালে 'অৰ্ডাৰ' লাভ কৰা মৃণ্ময় প্ৰতিমা নিৰ্মাণৰ এটা হিচাপ দাঙি ধৰা হৈছে—

| ক্ৰমিক নং | প্ৰতিমাৰ নাম | বছৰি লাভ কৰা 'অৰ্ডাৰ'ৰ সংখ্যা |
|---|---|---|
| ১ | দুৰ্গা | ৩ ৰপৰা ৫ টা |
| ২ | বিশ্বকৰ্মা | ২৫ ৰপৰা ৩০ টা |
| ৩ | সৰস্বতী | ২৫ ৰপৰা ৩০ টা |
| ৪ | মা কালী | ১৫ ৰপৰা ২০ টা |
| ৫ | গণেশ | ৫ ৰপৰা ১০ টা |

উল্লিখিত মৃন্ময় প্ৰতিমাসমূহৰ বৰ্তমান বজাৰ দাম এনেধৰণৰ — ৬ ফুট আৰু ৭ ফুট উচ্চতাৰ এটা দুৰ্গা মূৰ্তিৰ দাম ক্ৰমে ১০,০০০ আৰু ১২,০০০ টকা, ৪ ফুট উচ্চতাৰ যিকোনো এটা প্ৰতিমাৰ দাম ১,০০০ৰপৰা ১৫,০০ টকা ইত্যাদি।

এনে বহুবোৰ প্ৰত্যাহ্বান থাকিলেও পৰম্পৰা অক্ষুণ্ণ ৰাখি মৃৎশিল্পীসকলে তাৰ মাজতে এই শিল্পৰ জৰিয়তে জীৱন নিৰ্বাহ কৰি আছে। মৃৎ শিল্পৰ জৰিয়তে এটা স্বচ্ছল জীৱন লাভ কৰিব নোৱৰাৰ ফলতে সংশ্লিষ্ট লোকসকলৰ অনেকে অন্য কৰ্ম বা বৃত্তিৰ সৈতে জড়িত হৈ পৰিছে। গতিকে অৰ্থনৈতিক ক্ষেত্ৰত মৃৎশিল্পৰ লক্ষণীয় অৱদান তথা ভূমিকা আছে বুলি স্বীকাৰ কৰিব পৰা নাযায়।

**৫.৩.৭ মৃৎ শিল্পৰ সাংস্কৃতিক গুৰুত্ব ঃ**

প্ৰাচীন কালৰে পৰা লোকসংস্কৃতিত মৃৎ শিল্পৰ ভূমিকা উল্লেখনীয়। লোকজীৱনৰ লগত মৃৎ শিল্প সামগ্ৰীৰ ওতপ্ৰোত সম্পৰ্ক আছে।

লোকসাহিত্য বা মৌখিক সাহিত্যৰ মাজেৰে মৃৎ শিল্পজাত সামগ্ৰীৰ স্বৰূপ, ইয়াৰ ব্যৱহাৰ, লোকবিশ্বাস আদিৰো উমান পোৱা যায়। বিভিন্ন প্ৰবাদ-প্ৰবচন, ডাকৰ বচন, সাধুকথা, সাঁথৰ, লোকগীত আদিত মৃৎ শিল্প সামগ্ৰীৰ উল্লেখ আছে। মাটিৰ চৰু, মলা, হাড়ি, খলা আদি ব্যৱহাৰৰ কথা ফঁকৰা-যোজনাত এনেদৰে উল্লেখ পোৱা যায় --

(ক) বেহালে বুজিবা বাজাৰ ভাৰ,
ভাজ্‌লি বুজিবা চৰুৰ তাৰ।

(খ) বাৰাই নাখ বিচানা কচু,
হাড়িত খাআ বৰি, আইলা কচু।

(গ) ধান ভাজবাৰ খলা নাই,
ফুটনি মাৰে মুতনি খাই।

বিয়াৰ পানী তোলা অনুষ্ঠানত পানী তুলিবলৈ যাওঁতে বাটত, পানী তোলোতে, টেকেলী তুলি লোৱাত, উভতি আহি চোতাল পোৱাত, টেকেলী ভিতৰলৈ নিয়া আদি পৰ্বত ৰচিত পানীতোলা গীতত টেকেলী, মাটিৰ চাকি ব্যৱহাৰৰ উল্লেখ আছে। পানী তুলি আহি চোতাল পোৱাত বৰপেটাৰ আয়তীসকলে এনেদৰে গায় --

"হৰি হে ঘুনুচা সুন্দৰী নাৰায়ণ এ
হৰি হে নিবা আগবাড়ি
হৰি হে থ'বা দক্ষিণফালে নাৰায়ণ এ
হৰি হে টেকেলীৰে মুখ ঢাকি"

বিবাহৰ দিনা চৰাই-চিৰিকটি মাটিত নপৰোতে ব্ৰহ্মপুৰাতে আয়তীসকলে পানী তুলিবলৈ থাক্‌ৰি ঘট বা মালা ঘটত সেন্দূৰৰ ফোঁট, আমৰ দালি দি পানী তুলিবলৈ যায় আৰু গীত গায় --

"বাছি লোৱা কুমাৰৰে পাঁচটি কলহে
পাঁচটি কলহ পাঁচটি বৰণীয়া
পাঁচটি আয়তীক মাতিহে
কাযে লোৱা ঘট ৰাধা
ও শচী মাথে লোৱা মালা
যমুনাক যাবাক লাগি নকৰিবা হেলা।"

বিবাহ অনুষ্ঠানৰ আন এক পৰ্ব হ'ল আগ দিয়া পৰ্ব। ইয়াত ঘট আৰু চাকি ব্যৱহাৰ কৰা হয় --

"আগে দিবা দুনীৰ চাউল
পাছে ঘটৰ পানী
ঘিউৰ চাতিৰ বাও দিবা হাত টানি টানি।"

লগুণ দিয়নি বা উপনয়ন অনুষ্ঠানৰ গীতত মাটিৰ চাকি, টেকেলীৰ এনেদৰে উল্লেখ আছে —

"ৰাম ৰাম হাতে চাতি লৈ ৰাম ৰাম ওলালা দৈৰকী

ৰাম ৰাম জলকে কামনা কৰিহে। ৰাম ৰাম পঞ্চ আয়তী

ৰাম ৰাম পঞ্চ টেকেলী। ৰাম ৰাম বাপুৰ লগুণ দেনীৰ পানীহে

ৰাম ৰাম অতি সুমঙ্গলে ৰাম ৰাম তুলি লৈ আহাঁগৈ

ৰাম ৰাম আঞ্চলে আনিবা ঢাকিহে।।"

বৰপেটা অঞ্চলত প্ৰচলিত লোকগীতৰ মাজতো মৃৎ পাত্ৰৰ উল্লেখ এনেদৰে পোৱা যায়—

"ললু এ দধিৰে ভাৰ

কানাই যমুনাকে যায়

কানাই পাৰ কৰাহে

বেলিৰ দিকে চোৱা

নষ্ট হৈল দুধৰে ভাণ্ড

বজাৰ হৈল বয়া।"

বিবাহত দৰা-কইনাক গা ধুওৱা সময়তো ঘট, কলহত তোলা পানীৰে স্নান কাৰ্য সমাধা কৰা হয়। বৰপেটাৰ বিয়া গীতত এনেদৰে আছে --

(ক) "আগে দিবা হালধি মাহে

মাহ বৰা হালধি মাহে

পাছে ঘটৰ পানীহে হালধি মাহে।"

(খ) "আইদেৰে পদূলিত হালি জালি আছে নল

কলহে কলহে ঢালে যমুনাৰে জল।।"

সামাজিক লোকাচাৰতো মৃৎ পাত্ৰ, মৃৎ সঁজুলিৰ বিশেষ ভূমিকা আছে। জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় লোকাচাৰসমূহত মৃৎ পাত্ৰৰ বহুল ব্যৱহাৰ কৰা হয়। উৎসৱ-পাৰ্বণ, আধ্যাত্মিক অনুষ্ঠানৰ প্ৰসংগত মৃৎ পাত্ৰৰ ব্যৱহাৰ অতি তাৎপৰ্যপূৰ্ণ। বিবাহৰ প্ৰায় প্ৰতিটো পৰ্বতে মাটিৰ চাকি, মাটিৰ মালা-ঘট বা থাক্‌ৰি ঘটৰ ব্যৱহাৰ দেখা যায়। বিয়াৰ পানীতোলা পৰ্বত ঘটৰ ব্যৱহাৰ কৰে। বৰপেটাত জোৰোণৰ ভাৰৰ লগতো মাটিৰে নিৰ্মিত টেকেলীত মিঠাতেল এক টেকেলী, সুৱাগৰ ধানবন্ধা চাউল দুই টেকেলী, এৱা গাখীৰ এক টেকেলী, দৈ গাখীৰ এক টেকেলী, গুৰ এক টেকেলী নিয়া হয়। বিবাহৰ দিনা ঘৰৰ পদূলিত আঁৰি দিয়া 'সৰমালা'ৰ (ৰভাৰ প্ৰৱেশ দ্বাৰত কলপুলি দুটাৰ মাজত আঁৰি দিয়া খেৰ জাপচাকিৰে তৈয়াৰী বিশেষ মালা) মাজত মাটিৰ জাপ চাকিৰ মাজত তামোল এটা দিয়া হয়। বিবাহৰ মণ্ডপত কলপুলিৰ চাৰিওফালে মাজত ফুটা থকা মাটিৰ মুছি আঁৰি দিয়া প্ৰথা বঙালী বৈদিক বিয়াত দেখা যায়। বিভিন্ন দেৱ-দেৱীৰ পূজা-পাতলতো চাকি, ঘটৰ ব্যৱহাৰ কৰা হয়। ব্ৰাহ্মণে কুমাৰৰ চৰু আৰু ঘটৰ

ব্যৱহাৰ কৰে। পুষ্পিতা হ'লে বিভিন্ন সামগ্ৰীৰ লগত ছোৱালীজনীক আগ দিবলৈ পানীৰ ঘট এটা ৰখা হয়। বিবাহতো দৰা-কইনাক আমদালি দিয়া পানীৰ ঘটৰ পৰা পানী চটিয়াই আগদিয়া কাৰ্য কৰা হয়। মৃতকৰ ভোজৰ দিনা মাটিৰ ঘটত পানী আগবঢ়োৱা হয়। কাতি বিহু, গুৰু সকলৰ তিথি মহোৎসৱ, সভা আদিতো মাটিৰ চাকিগছ জ্বলোৱা নিয়ম। বৰপেটা জিলাৰ সত্ৰকেন্দ্ৰিক উৎসৱ-অনুষ্ঠানতো মৃৎ পাত্ৰৰ যথেষ্ট পৰিমাণে ব্যৱহাৰ কৰা হয়। বৰপেটা জিলাত থকা সত্ৰসমূহত প্ৰসাদ আদি মাটিৰ মালেত বিতৰণ কৰা হয়। সত্ৰলৈ নিয়া তেল মাটিৰ টেকেলীত দিয়া নিয়ম। তাৰোপৰি দেউলত ভোজনবেহাৰ (গায়ন-বায়ন আৰু অভিনয় কৰাৰ শেষত ভকতসকলৰ বাবে প্ৰস্তুত কৰা ভোগ) মাটিৰ মালেত বিতৰণ কৰা হয়। দৌলৰ শুভাৰম্ভৰ দিনাও বিয়লি নিত্য-প্ৰসংগৰ অন্তত গোসাঁইৰ অধিবাসৰ প্ৰস্তুতি কৰা হয়। গোসাঁইৰ বিগ্ৰহৰ সমুখত আমডালি পাতেৰে মাটিৰ আঠটা ঘট, শান্তিজল দিয়া মাটিৰ ঘট এটা, তেলৰ মাটিৰ চাকি এটা, তামৰ কাঁহীত মাটিৰ জাপ চাকি ন-গছৰ প্ৰয়োজন হয়। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ সময়ত বৰপেটা সত্ৰত পুৰোহিতে দৌল গোবিন্দ আৰু কলীয়া বিগ্ৰহক বাহিৰলৈ উলিয়াই আনি নৈবেদ্য আগবঢ়োৱাৰ লগতে মাটিৰ ঘট আঠটা আমডালিৰ পাতেৰে আগবঢ়োৱা হয়। পাণ-তামোলবোৰো মাটিৰ চৰুতে আগবঢ়োৱা হয়। বৰপেটা অঞ্চলৰ সত্ৰসমূহত প্ৰসাদ বিতৰণৰ ক্ষেত্ৰত সাধাৰণতে ওচৰৰ হীৰা সকলে প্ৰস্তুত কৰা মালে (মাটিৰে নিৰ্মিত মেলাহি পাত্ৰ) ব্যৱহাৰ কৰা হয়। বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া আতাই সত্ৰৰ হাটীবোৰত মৃৎ শিল্পী হীৰা সম্প্ৰদায়ৰ লোকসকলক সংস্থাপিত কৰিছিল। এই হীৰা সকলেই সত্ৰলৈ মৃৎ পাত্ৰবোৰ যোগান ধৰে।

মৃৎ শিল্প বস্তুবোৰক লৈ লোকসমাজত নানা লোকবিশ্বাস প্ৰচলিত হৈ আছে। বৰপেটাত পঞ্চামৃত বা জেউৰা খুওৱাৰ সময়ত মাটিৰ চাকি গছকি ভাঙিবলৈ দিয়া হয়। যিমান টুকুৰা হয় সিমানটা সন্তান প্ৰাপ্তি হয় বুলি বিশ্বাস কৰা হয়। পানী ভৰি থকা কলহ যাত্ৰা কালত দেখিলে শুভ লক্ষণ বুলি ভবা হয়।

**৫.৩.৮ বৰপেটাৰ মৃৎশিল্পৰ সাম্প্ৰতিক আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি**

বৰপেটাৰ মৃৎশিল্পীসকলে অতি প্ৰত্যাহ্বান নেওচি আজিও এই শিল্পবিধ জীয়াই ৰাখিছে। কেঁচামাল বিশেষকৈ মৃৎপাত্ৰ নিৰ্মাণৰ বাবে যি মাটিৰ প্ৰয়োজন হয়, সেই মাটিখিনিয়েই বৰপেটাৰ ভৌগোলিক ক্ষেত্ৰখনত সুলভ নহয়। প্ৰয়োজনীয় মাটিখিনি তেওঁলোকে অন্য ঠাই, যেনে ঃ আজ্জাঠুৰি, পলাশবাৰী, জালুকবাৰী, দলতলি, কেতেকীজাৰ আদি ঠাইৰ পৰা দাম দি কিনি আনে। তেওঁলোকে মাটিখিনি সমূহীয়াভাৱে কিনি আনি সকলোৰে ভগাই লয়। তদুপৰি অন্যান্য সা-সঁজুলিৰ লগতে মৃৎপাত্ৰ পুৰিবলৈও যথেষ্ট পৰিমাণৰ খৰিৰ প্ৰয়োজন হয়। সেইদৰে খনিকৰসকলেও মৃন্ময় মূৰ্তি বনাবলৈ প্ৰয়োজন হোৱা আলতীয়া মাটিবোৰ অন্য ঠাইৰপৰা কিনি আনিব লগা হয়। নিৰ্মাণৰ লগত জড়িত সমস্ত খৰচৰ লগতে ইয়াৰ লগত জড়িত দৈহিক পৰিশ্ৰমৰ বিনিময়ত মৃৎশিল্পীসকলে সামান্য পৰিমাণৰ লাভতে শিল্পবস্তুবোৰ

বিক্ৰী কৰিব লগা হয়। এনেদৰেই বৰপেটাৰ মৃৎশিল্পীসকলে কোনো মতে এই শিল্পৰ জৰিয়তে পেট প্ৰৱৰ্তাই আছে।

এটা সময়ত বৰপেটাৰ সমাজ-সংস্কৃতি তথা দৈনন্দিন জীৱনত মৃৎ পাত্ৰৰ উপযোগিতা যথেষ্ট আছিল। কাৰণ সেই সময়ত মানুহৰ জীৱন-যাত্ৰা বহু পৰিমাণে প্ৰকৃতিনিৰ্ভৰ আছিল। কিন্তু সময় আৰু যুগৰ পৰিৱৰ্তনৰ লগে লগে জীৱন ধাৰণৰ বাবে প্ৰয়োজন হোৱা উন্নত মানৰ সা-সামগ্ৰীৰে বজাৰ ভৰি পৰিল; লাহে লাহে মানুহৰ জীৱন-যাপনৰ পদ্ধতিৰো পৰিৱৰ্তন ঘটিল। সেই অনুসাৰে প্ৰাচীন লোকশিল্প হিচাপে মৃৎপাত্ৰৰ ব্যৱহাৰো সমাজত ক্ৰমান্বয়ে কমি আহিল। সম্প্ৰতি সৰহ সংখ্যক মৃৎপাত্ৰ কেৱল সাংস্কৃতিক প্ৰয়োজনতহে ব্যৱহাৰ কৰা হয়।

বৰপেটাৰ পৰিপ্ৰেক্ষিতত মৃৎপাত্ৰৰ নিৰ্মাণ-পদ্ধতি আৰু ইয়াৰ শৈল্পিক মান পূৰ্বাপৰ চলি অহাৰ দৰেই বৰ্তি আছে। যুগসাপেক্ষে ইয়াৰ নিৰ্মাণৰ কাৰিকৰী কৌশল আৰু শিল্পগত সৌন্দৰ্য সৃষ্টিত শিল্পীসকলে বিশেষ অভিনৱত্ব প্ৰদৰ্শন কৰিব পৰা নাই। অৱশ্যে গ্ৰাহকৰ আকৰ্ষণ বৃদ্ধিৰ বাবে সামান্য ৰঙৰ প্ৰয়োগ লক্ষ্য কৰা যায়। তদুপৰি স্থায়িত্বৰ ফালৰ পৰাও এই শিল্পবস্তুবোৰ অল্পম্যাদী। এনে কাৰণতে মৃৎশিল্প-সামগ্ৰীৰ প্ৰতি গ্ৰাহকৰ মনত এক অৱহেলাৰ ভাৱ পৰিলক্ষিত হয়।

সামগ্ৰিকভাৱে বৰপেটাৰ মৃৎশিল্পই অৱনতিৰ ফালে গতি কৰাৰ কেইবাটাও কাৰণ বিচাৰি পোৱা যায়। সেই কাৰণবোৰ প্ৰকৃতাৰ্থত মৃৎশিল্পৰ পৰম্পৰা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত এক বৃহৎ প্ৰত্যাহ্বানস্বৰূপ।

(ক) কেঁচামালৰ অভাৱ;

(খ) আমদানিকৃত মাটিৰে নিৰ্মাণ কৰা শিল্পবস্তুৰ জৰিয়তে পৰিৱহন খৰচৰ লগতে পৰ্যাপ্ত মুনাফা আদায় কৰিব নোৱাৰা;

(গ) সাম্প্ৰতিক বজাৰ অৰ্থনীতিৰ পৰিপ্ৰেক্ষিতত যান্ত্ৰিক পদ্ধতিৰে নিৰ্মিত প্লাষ্টিক বা বিকল্প অন্য সামগ্ৰীৰ ব্যাপক পয়োভৰ;

(ঘ) মৃৎ শিল্পজাত সামগ্ৰীৰ অল্পম্যাদী স্থায়িত্ব;

(ঙ) পৰম্পৰাগত নিৰ্মাণ-কৌশল আৰু শৈল্পিক গুণৰ ক্ষেত্ৰতো অভিনৱত্বৰ অভাৱ;

(চ) মৃৎ শিল্প-সামগ্ৰীবোৰ বিক্ৰীৰ বাবে উপযুক্ত বজাৰ-ব্যৱস্থাৰ অভাৱ ইত্যাদি।

এনেবোৰ কাৰণৰ বাবে সাম্প্ৰতিক মৃৎশিল্পৰ গ্ৰাহকৰ সংখ্যা লাহে লাহে কমি আহিছে। শিল্প নিৰ্মাণৰ জৰিয়তে পৰ্যাপ্ত মুনাফা লাভ নকৰাৰ ফলত শিল্পীসকলো হতাশগ্ৰস্ত হৈ পৰিছে। পৰিণতিস্বৰূপে মৃৎশিল্পীসকলৰে উত্তৰসূৰী প্ৰজন্মই অন্য কৰ্মৰ সন্ধানত ব্ৰতী হৈছে। এনে পৰিৱেশ অনাগত দিনতো বিৰাজ কৰি থাকিলে এই শিল্পৰ ক্ষেত্ৰখন একেবাৰে সংকুচিত হৈ পৰাৰ সম্ভাৱনা আছে।

মৃৎশিল্পৰ দৰে প্ৰাচীন পৰম্পৰাৰে সমৃদ্ধ এটা লোকশিল্পক যথোচিত মৰ্যাদা প্ৰদানেৰে ইয়াৰ উত্তৰণ আৰু বিকাশৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত সম্প্ৰতি চৰকাৰী সহায়-সহযোগিতাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে। বিশেষ ব্যৱস্থা গ্ৰহণেৰে উত্তৰসূৰী শিল্পীসকলক এই শিল্পৰ উন্নত প্ৰশিক্ষণ প্ৰদান কৰি ইয়াৰ চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰিলেহে ভৱিষ্যতে এই শিল্পটোৱে বিকাশৰ দিশত আগুৱাই যাব পাৰিব। তদুপৰি গ্ৰাহককো আকৰ্ষণ কৰিব পৰাকৈ ইয়াৰ শৈল্পিক মান পূৰ্বতকৈ উন্নত কৰিব পাৰিলে শিল্পীসকল লাভৱান হ'ব পাৰিব। জনসাধাৰণকো মৃৎপাত্ৰ ব্যৱহাৰৰ উপকাৰিতা সম্পৰ্কে সজাগ-সচেতন কৰি তোলাৰ প্ৰয়োজনীয়তা আছে। প্লাষ্টিকৰ সামগ্ৰীতকৈ মৃৎপাত্ৰবোৰ যে পৰিৱেশ উপযোগী সেই কথাও অনুধাৱন কৰাব লাগিব। তদুপৰি শিল্পবস্তুবোৰ বিক্ৰীৰ বাবে এখন উপযুক্ত বজাৰৰো ব্যৱস্থা কৰাৰ বিশেষ প্ৰয়োজন আছে। এই ক্ষেত্ৰত সংশ্লিষ্ট শিল্পীসকলো ইয়াৰ উত্তৰণৰ বাবে সদা সচেষ্ট হ'ব লাগিব।

### ৫.৪ বাঁহ-বেত শিল্প ঃ

অসমীয়া লোক-জীৱনত বাঁহ-বেতে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। বাঁহক কেন্দ্ৰ কৰি নামনি অসমৰ অঞ্চলবিশেষে ভঠেলি, পাউৰাতোলা, দহৰফুৰৰা, সুঁৱেৰী বা সুৰী, দেউল আদি লোক-উৎসৱ পৰম্পৰাগত ৰূপত পালন কৰা হয়। বাঁহ মংগোলীয় সংস্কৃতিৰ অৱদান। অসমীয়া মানুহৰ জীৱনৰ এনে এটা দিশ নাই— য'ত বাঁহৰ প্ৰয়োজন নাই।[৪১] সেয়ে কোৱা হয় — "যাৰ নাই বাঁহ, তাৰ নাই সাহ।" জীৱন-যাত্ৰাত প্ৰয়োজন হোৱা সৰহ সংখ্যক শিল্পবস্তু বাঁহৰ পৰাই সাজি উলিওৱা হয়। আনকি জীৱনৰ শেষ কৃত্য শৱ দাহনতো বাঁহ-খৰিৰ অতিকে প্ৰয়োজন। সেয়ে দেহবিচাৰ গীতত গোৱা হয় —

> "বাৰীৰে পিছৰে জাতি বাঁহে চুপি
> সেয়ে মোৰ সোদৰৰ ভাই।
> জীয়াই থাকোঁ মানে কাৰোঁ কাঠি-কামি
> মৰিলে লগতে যায়।"

অসমৰ গাঁৱৰ চহা লোকে বাঁহেৰেই ঘৰ-দুৱাৰ সাজিছিল। এই ক্ষেত্ৰত বাঁহৰ প্ৰধান উপকৰণবোৰ হ'ল — খুটা, মাৰলি বা মালি, চ'তি, ৰুৱা, কামি, কুকুৰ খুটি, মেকুৰী খুটি, দুৱাৰ, খিৰিকী, বেৰ সাজিবৰ বাবে প্ৰস্তুত কৰা চোঁচ, তমাল, দেওনা, চকোৱা, চিলিঙ আদি।

প্লাষ্টিক, গ্লাছ, লো আদিৰ পাত্ৰবোৰ বজাৰত উপলব্ধ নোহোৱালৈকে বাঁহৰ চুঙাকেই অসমীয়া পাকঘৰত বিভিন্ন খাদ্য-দ্ৰব্য থ'বৰ বাবে ব্যৱহাৰ কৰা হৈছিল। নিমখ, হালধি, জলকীয়া, মছলা, তেজপাত, খাৰ, পিঠাগুৰি, খাৰলি, খৰিচা, এঁৰা গাখীৰ, দৈ, পৰম্পৰাগত পানীয়, চূণ, তামোল-পাণ আদি বাঁহৰ চুঙাতে থোৱাৰ ব্যৱস্থা আছিল। মিচিং, বড়ো, আহোম আদি সমাজত নিমখ-হালধি সনা সৰু সৰু মাছ

খুন্দি বাঁহৰ চুঙাত থৈ বহু মাহ ধৰি খোৱাৰ পৰম্পৰা আজিও আছে। তদুপৰি পাকঘৰৰ প্ৰয়োজনীয় বিবিধ সা-সঁজুলি, যেনে ঃ হাঠা, হেঠা, কৈঠেলি, লাৰেণীবাৰি, থোকাউৰি (ভাত-আঞ্জা তুলি থোৱা থোকা), ভাতৰন্ধা বা ভাত খোৱা বা গোসাঁই সেৱা কৰা কাপোৰ থোৱা ডাঁৰ, পাকঘৰৰ ভিতৰত বিভিন্ন বস্তু আঁৰি থ'বৰ বাবে খুটি, কোধোৰা, ধোৱাঁচাং আদি বাঁহেৰে সজা হয়। আনকি টকা-পইচা থ'বৰ বাবে অসমীয়া মানুহে বাঁহৰ চুঙাটোকে নিৰ্ভৰযোগ্য আহিলা হিচাপে ব্যৱহাৰ কৰিছিল।

শুব আৰু বহিবৰ বাবেও বিবিধ শিল্পবস্তু বাঁহেৰেই নিৰ্মাণ কৰা হয়। শোৱাৰ বাবে চাং বা খাট, বহিবৰ বাবে মুঢ়া আদিৰ লগতে বিভিন্ন প্ৰকাৰৰ ঢাৰি বাঁহৰ পৰাই প্ৰস্তুত কৰি লোৱা হয়। এই ঢাৰিবোৰ বিভিন্ন প্ৰয়োজন, যেনে ঃ শোৱাৰ বাবে; গোসাঁইঘৰ, নামঘৰ, সত্ৰ আদিত পুথি পঢ়োঁতে, নাম প্ৰসংগ কৰোঁতে বহিবৰ বাবে ব্যৱহৃত হয়। সকাম-নিকামত ভকতক বহিবলৈ দিবৰ বাবেও ডাঙৰ ডাঙৰ ঢাৰিৰ প্ৰয়োজন হয়।

বয়-বস্তু কঢ়িয়াই নিবৰ বাবে বাওকা, হুলাবাৰি, সাঙিবাৰি আদি; কটাৰী, চুৰি, দা, কুঠাৰ, কোৰ, যাঠি-জোং, চিপৰাং আদিৰ নাল; দা-কটাৰী থ'বৰ বাবে খাপ বা দাৰ আদি; বিবিধ অস্ত্ৰ-শস্ত্ৰ, যেনে ঃ ধনু, কাঁড়, কাঁড় থোৱা টোন, কাঠি, টোকোন, শূল আদি; মাছ ধৰা বিবিধ সঁজুলি, যেনে ঃ জাকৈ, খালৈ, চেপা, জুলুকি, পল, থোকা, কোক, খোং, বাণ আদি বাঁহৰ পৰাই প্ৰস্তুত কৰি উলিওৱা হয়।

তাঁতশাল অসমীয়া লোকশিল্পৰ অমূল্য সম্পদ। তাঁতশালৰ বহু সঁজুলি বাঁহৰ। যেনে ঃ সূতা কাটিবৰ বাবে ব্যৱহাৰ কৰা টাকুৰী, উঘা, বৰ চেৰেকী, সৰু চেৰেকী, লেটা, শলাকাঠি, ৰাঁচ, ব চুঙা, শলি, চিৰি, গৰকাবাৰি, গৰকাখুটি, কাঠি, মহুৰা, ডাংমাৰি আদি উল্লেখযোগ্য। সেইদৰে নাঙলৰ ডিলা, যুঁৱলি, মৈ, ওখোন, দলিমাৰি, বিৰিয়া, কঠিয়ামাৰি, হালোৱা এচাৰি আদি কৃষিৰ লগত জড়িত সঁজুলিবোৰো বাঁহেৰেই নিৰ্মাণ কৰা হয়। কৃষিকৰ্মক গৰু-ম'হৰ পৰা বচাবলৈ সাজি উলিওৱা বেৰা, জেউৰা বা হেঙেৰাখনো বাঁহৰে। হাকুটি, লাখুটি, জখলা আদিও বাঁহেৰে নিৰ্মিত কেতবোৰ নিত্য প্ৰয়োজনীয় আহিলা।

বাঁহৰ পৰা বিভিন্ন বাদ্যযন্ত্ৰও সাজি উলিওৱা হয়। সেইবোৰৰ ভিতৰত বংশী বা বাঁহী, মুৰুলী, বেণু, চিফুং, সৰু ঢোল, কেৰেপ, টকা, গগনা, পেঁপা আদি। মণিমালা, খাৰু, কৰ্ণভূষণ আদি অলংকাৰো বাঁহেৰে প্ৰস্তুত কৰা হয়। মূৰ আঁচোৰা আৰু চুলিত গোজা নানা আৰ্হিৰ ফুল-লতা কটা কাকৈ ফণীও বাঁহ আৰু বেতেৰে সজা হয়। কাকৈ ফণী প্ৰেম নিবেদনত উপহাৰ হিচাপেও দিয়া হয়; পূজা-অৰ্চনাতো ইয়াৰ প্ৰয়োগ আছে। লোকগীতত এই সম্পৰ্কে উল্লেখ কৰা হৈছে এনেদৰে —

"তোৰে মূৰ চাই ফণীখন গাঁথিলোঁ
লগাই ৰাঙলীয়া বেত।
খাৰু লোৱা ফণী লোৱা কুণ্ডল সাতেসৰী।
তেল সেন্দূৰ ফণি ফালি লোৱা শৰাই ভৰি।।"[৪২]

খাদ্য হিচাপে বা খাদ্য প্ৰস্তুত কৰাৰ আহিলা হিচাপেও অসমীয়া লোক-জীৱনত বাঁহৰ ব্যৱহাৰ মন কৰিবলগীয়া। বাঁহ গাজৰ পৰা প্ৰস্তুত কৰা খৰিচা আৰু খাৰ দিয়া আঞ্জাৰ জুতি প্ৰত্যেকজন অসমীয়াই জানে। মাঘৰ বিহুত কোমল বাঁহৰ চুঙাত তিওৱা চাউল আৰু পিঠা ভৰাই পোৰা চুঙা পিঠা আৰু চুঙা পিঠা অসমীয়া মানুহৰ পৰম্পৰাগত খাদ্য। সেইদৰে বাঁহৰ চুঙাৰ দৈৰ সোৱাদো সুকীয়া। সেইদৰে বেতৰ গাজো অসমীয়া খাদ্য-সম্ভাৰৰ অন্যতম উপকৰণ।

বাঁহ-বেতৰ বস্তু ঘাইকৈ গৃহস্থালিৰ প্ৰয়োজনৰ বাবেই নিৰ্মাণ কৰা হয়। ইয়াৰে সৰহভাগ কৃষিৰ লগত সম্বন্ধযুক্ত। সৰু-বৰ, ঘন-সেৰেঙা নানাবিধৰ চালনী, খৰাহি, পাচি, ডুলি, ডলা, কুলা; ধান বা অন্যান্য কৃষিজাত সামগ্ৰী জুখিবৰ বাবে ব্যৱহাৰ কৰা দোণ আৰু তুলাচালনী আদি এই ক্ষেত্ৰত উল্লেখযোগ্য। আগৰ দিনত কাপোৰ-কানি, বয়-বস্তু থ'বলৈ গাঁৱৰ মানুহে বাঁহ-বেতেৰে জপা সাজিছিল। বাঁহ-বেতৰ বিচনীখনৰ প্ৰয়োজনীয়তাও গ্ৰাম্য সমাজত বহুত। সেইদৰে অসমীয়া জাপিটোও লোকশিল্পৰ অপূৰ্ব চানেকি। ৰ'দ-বৰষুণৰ পৰা হাত সাৰিবলৈ কৰা ব্যৱহাৰৰ উপৰিও আহোম যুগত জাপি আভিজাত্যৰ নিদৰ্শন আছিল। ইয়াৰ উপৰি বটা, শৰাই, হোকা, টুপী, ধূপৰ কাঠি বা ঠাৰি, ধঁপাত থোৱা পাত্ৰ, চাকিৰ গছা, লিখিবৰ বাবে সঁজুলি, পোহৰৰ বাবে সাজি লোৱা জোৰ, মাটি জুখিবলৈ ব্যৱহাৰ কৰা টাঁৰ আদিও বাঁহৰ। নৌকা যাত্ৰাত নাৱৰীয়াই কেতিয়াবা কাঠৰ উপৰি বাঁহেৰে নিৰ্মাণ কৰা বঠাও ব্যৱহাৰ কৰে। সেইদৰে গুৰিয়ালে পানীৰ গভীৰতা জুখিবৰ বাবে ব্যৱহাৰ কৰা 'লগী'ডালো বাঁহৰে।

বাঁহৰ পৰা অসমীয়া সংস্কৃতিৰ আন এপদ সমল মুখাশিল্পও প্ৰস্তুত কৰা হয়। অসমীয়া পৰিৱেশ্য কলাৰ সৈতে সম্পৰ্কিত এই মুখাশিল্প অসমীয়া মানুহৰ শৈল্পিক চেতনাৰ অপূৰ্ব প্ৰকাশ। ইয়াৰ উপৰি বাঁহৰ কাঠিৰে বা দৈৰে নিৰ্মাণ কৰা চিত্ৰযুক্ত বিচনীখনেও অসমীয়া লোককলাক প্ৰতিফলিত কৰে। আজিকালি কেতবোৰ শিল্পীয়ে বাঁহৰ তমাল বা কাঠিৰে ময়ূৰ, প্ৰকৃতিৰ বিবিধ ছবি আদিও প্ৰস্তুত কৰি কলা-ৰসিকসকলৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

অসমীয়া সংস্কৃতিত মংগোলীয় প্ৰভাৱ কিদৰে হাড়ে-হিমজুৱে সোমাই আছে, তাৰ আভাস বাঁহৰ ব্যৱহাৰৰ জৰিয়তেই অনুমান কৰিব পাৰি। অসমীয়া জন-জীৱনত বাঁহৰ এনে এৰাব নোৱাৰা প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিততে নবীন চন্দ্ৰ শৰ্মাই অসমীয়া সংস্কৃতিক 'বাঁহ সংস্কৃতি' বুলি অভিহিত কৰিছে।[৪৩]

**৫.৪.১ বাঁহ-বেত শিল্পৰ ইতিহাস ঃ**

অসমীয়া সংস্কৃতিত বাঁহৰ প্ৰচলন কেতিয়াৰ পৰা আৰম্ভ হয়, তাৰ কোনো নিৰ্দিষ্ট সময় নিৰ্ধাৰণ কৰিব নোৱাৰি। অৱশ্যে সকলো পণ্ডিতে স্বীকাৰ কৰে যে অসমীয়া সংস্কৃতিত বাঁহৰ প্ৰচলন মংগোলীয়সকলৰ দান। ইতিহাসে ঢুকি নোপোৱা কালতে মংগোলীয়সকল চীন দেশৰ দক্ষিণ অংশৰ

পৰা ব্ৰহ্মপুত্ৰ, ইৰাৱতী, চালুইন, মেকং আদি নদীৰে অসম, ব্ৰহ্মদেশ, ইন্দোচীন আদিলৈ প্ৰব্ৰজিত হয়। মংগোলীয়সকলকেই কিৰাত বুলি কোৱা হয়। অতি প্ৰাচীন কালৰে পৰা কিৰাতসকলে অসমত বসবাস কৰি আহিছে আৰু তেওঁলোকে যে এই দেশত ৰাজত্ব কৰিছিল, তাৰ আভাস 'কালিকাপুৰাণ', 'যোগিনীতন্ত্ৰ' আদি গ্ৰন্থত পোৱা যায়।[৪৪] অসমত বসবাস কৰা মংগোলীয় নৃগোষ্ঠীৰ অন্তৰ্গত জাতি-জনগোষ্ঠীয় লোকসকল হ'ল — বড়ো, ৰাভা, লালুং, মিকিৰ বা কাৰ্বি, দেউৰী, মিচিং, টাই গোষ্ঠীৰ আহোম, খামতি, খাময়াং, আইতন, টুৰুং, ফাকে, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, গাৰো, হাজং, ডিমাছা আদি। গতিকে এই লোকসকলে বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰ পৰাই বাঁহ-বেতৰ কাম কৰি আহিছে। বাঁহ-বেত শিল্পৰ ক্ৰমবিকশিত পৰিক্ৰমা সম্পৰ্কত যুগল দাসে লিখিছে —"প্ৰথম অৱস্থাত অৱশ্যে বাঁহ-বেত চাঁচি কামি বা দৈ তুলি পাচি-খৰাহি বোৱা নাছিল। তেতিয়া স্বাভাৱিকতে পোৱা খেৰ, গছৰ পাত, লতা আদিৰে পাচি-খৰাহি বৈ লৈছিল। ...এই আদিম বয়ন-বিদ্যা মানুহৰ অঘৰী অৱস্থাত জন্তু চিকাৰ কৰি ফুৰা অৱস্থাত জনা নাছিল। যেতিয়াই আদিমবাসীসকলে হাবিত চিকাৰ কৰিবলৈ এৰি খেতি কৰিবলৈ ল'লে, তেতিয়াৰ পৰাই বয়ন-বিদ্যা আৰম্ভ হ'ল। আদিমবাসীসকলে অঘৰী অৱস্থা ত্যাগ কৰি থিতাপি ল'লত চালি এখন সাজি ঘৰ-সংসাৰ কৰাৰ অভিলাষ জাগিল। ...আদিম তিৰোতাসকলে বয়ন-বিদ্যাও হাতত ল'লে। প্ৰথমতে তিৰোতাসকলে ঘাঁহ, বন আৰু পাতেৰে পাচি-খৰাহি সাজিবলৈ ল'লে...কিছুমান প্ৰকৃতিৰ বুকুৰ বস্তু তেওঁলোকৰ পাচি-খৰাহি সজাৰ চানেকি হ'ল।"[৪৫]

বহু গৱেষকৰ মতে মৃৎ শিল্পৰ জন্মৰ পূৰ্বেই বাঁহ শিল্পৰ সৃষ্টি হৈছিল। আদিম অৱস্থাত মানুহে খাদ্য সংৰক্ষণ কৰিবৰ বাবে বা বয়-বস্তু পোক-পৰুৱাই নোখোৱাকৈ ৰাখিবৰ বাবে অথবা বৰষুণ-বতাহত উটি নাযাবৰ বাবে গছৰ পাত, খেৰৰ কুটা আদিৰে গুঠি বা চিলাই কৰি পাচি-খৰাহিৰ নিচিনাকৈ কেতবোৰ বস্তু তৈয়াৰ কৰি লৈছিল। সেই বস্তুবোৰ সম্পূৰ্ণ বাঁহৰ পৰা প্ৰস্তুত কৰা হোৱা নাছিল যদিও বাঁহক এক উপকৰণ হিচাপে ব্যৱহাৰ কৰা হৈছিল। পিছলৈ মানুহ যেতিয়া সভ্যতাৰ পিনলৈ আহিল আৰু বিভিন্ন ধৰণৰ বস্তু তৈয়াৰ কৰিবলৈ বুদ্ধি পালে বা শিকিলে, তেতিয়াৰ পৰাই মৃৎপাত্ৰ তৈয়াৰ কৰাৰ দৰে অকল বাঁহেৰেও বস্তু তৈয়াৰ কৰিবলৈ শিকিলে।[৪৬]

সপ্তম শতিকাৰ কামৰূপ নৃপতি কুমাৰ ভাস্কৰ বৰ্মাই বাঁহ-বেতেৰে তৈয়াৰী জপাত কাপোৰ নুৰিয়াই মিত্ৰতাৰ চিনস্বৰূপে কনৌজৰ ৰজা হৰ্ষবৰ্ধনলৈ পঠাইছিল বুলি জনা যায়।[৪৭] সেইদৰে সেই শতিকাতে অসমলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙকো ভাস্কৰ বৰ্মাই হস্তশিল্পৰ বহু সামগ্ৰীৰ লগতে বাঁহেৰে নিৰ্মিত শিল্পবস্তুকো উপহাৰ হিচাপে আগবঢ়াইছিল বুলি জানিব পাৰি।[৪৮]

আহোম ৰাজ পৃষ্ঠপোষকতাত অসমৰ অন্যান্য শিল্পৰ দৰে বাঁহ-বেত শিল্পকো সমমৰ্যাদা প্ৰদান কৰা হৈছিল। শিল্পীসকলে পৰম্পৰাগতভাৱে বা বংশানুক্ৰমিকভাৱে শিল্প-নিৰ্মাণৰ জ্ঞান আয়ত্ত কৰি

লোকশিল্পৰ বিকাশত অৰিহণা যোগাবলৈ এক অনুকূল পৰিৱেশ লাভ কৰিছিল। সেই সময়ছোৱাত লোকশিল্পৰ নিৰ্মাণৰ লগত জড়িতভাৱে কেতবোৰ বৃত্তিয়াল লোকক ৰাজকীয় নিযুক্তি প্ৰদান কৰা হৈছিল। উদাহৰণস্বৰূপে, খনিকৰ, তাঁতী, সোণাৰী আদি। সেইবোৰ লোকশিল্পৰ উপৰিও দৈনন্দিন ব্যৱহাৰযোগ্য বাঁহ-বেতৰ বিবিধ শিল্পবস্তু, যেনে ঃ জাপি, মাছ ধৰা বিবিধ সঁজুলি, কৃষিৰ লগত জড়িত শিল্পবস্তু আদি সেই সময়ত পৰম্পৰাগতভাৱেই নিৰ্মাণ কৰা হৈছিল। জাপিয়ে আহোমৰ শাসন কালতে ৰাজকীয় পৃষ্ঠপোষকতাৰে উন্নতিৰ পথত অগ্ৰসৰ হ'বলৈ সুবিধা পালে। বিষয়-বাব অনুসৰি তেওঁলোকে বৰদৈয়া জাপি, সৰুদৈয়া জাপি, টুপি জাপি আদি ব্যৱহাৰ কৰিছিল। স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্ব কালত মোমাই তামুলী বৰবৰুৱাই প্ৰতিগৰাকী ডেকা ল'ৰাক বাঁহৰ সামগ্ৰী প্ৰস্তুত কৰাটো বাধ্যতামূলক কৰি তুলিছিল।[৪৯]

শঙ্কৰী যুগতো বাঁহ শিল্পৰ নিৰ্মাণৰ কথা গুৰু চৰিতত পোৱা যায়। গুৰু চৰিতত উল্লেখ থকা অনুসৰি কঠৰ আৰ্হিৰ আৱিস্কাৰক মহাপুৰুষ মাধৱদেৱ। বহি নাম-প্ৰসঙ্গ কৰিবলৈ মাধৱদেৱে এই কঠ নিৰ্মাণ কৰে আৰু শঙ্কৰদেৱে তাৰ নামকৰণ কৰে বুলি গুৰু-চৰিতত উল্লেখ আছে।[৫০]

চৰকাৰী বন বিভাগৰ তথ্য অনুসৰি অসমৰ হাবিত একাৱন্নবিধ বাঁহ আৰু তিনিবিধ বেত পোৱা যায়। আনহাতে উদ্ভিদবিজ্ঞানীসকলৰ মতে পৃথিৱীৰ ৯১ টা গোত্ৰৰ ১২শ প্ৰজাতিৰ বাঁহৰ ভিতৰত অসমত জাতি, ভলুকা, বিজুলী, কাক, মকাল, কঁটাহ আদি কেইবিধমান বাঁহ পোৱা যায়। সেইদৰে অসমত ৩টা গোত্ৰৰ ২০টামান প্ৰজাতিৰ বেত পোৱা গৈছে। সেইবোৰ হ'ল — ৰাইডাং বেত, চুলি বেত, জালি বেত, জেং বেত, চুণ্ডি বেত, জাতি বেত, লেজাই বেত, সৌকা বেত, পানী বেত, হাতী বেত, টাকিত, টাৰে আদি।[৫১] এই বাঁহ-বেতেৰে অসমীয়া লোকশিল্পীসকলে আদি কালৰে পৰা জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় শিল্পবস্তু নিৰ্মাণ কৰি আহিছে। এই ক্ষেত্ৰত ভৈয়াম আৰু পৰ্বত দুয়ো স্থানতে বসবাস কৰি থকা জাতি-জনগোষ্ঠী লোকৰ বাঁহ শিল্পৰ চৰ্চা আৰু বিকাশত সমান অৰিহণা আছে। নাগৰিক জীৱন-পদ্ধতিৰ বৰ্হিভূত সৰল গ্ৰাম্য জীৱনৰ অংশীদাৰী প্ৰতিগৰাকী লোকৰে বাঁহৰ শিল্পবস্তু নিৰ্মাণৰ সাধাৰণ জ্ঞান তথা দক্ষতা আছে।

অসমীয়া মানুহ ঘাইকৈ কৃষিজীৱি। তদুপৰি অসমৰ সৰহ সংখ্যক লোক গ্ৰাম্য পৰিৱেশত বসবাস কৰাৰ কাৰণে অসমৰ বাঁহ শিল্পৰ ধাৰক আৰু বাহক হিচাপে গাঁৱৰ সৰল শিল্পীসকলেই ভূমিকা গ্ৰহণ কৰি আছে। গাঁৱৰ প্ৰায় প্ৰতিঘৰ মানুহৰে একোডৰা বাঢ়নী-বাৰী থকাটো প্ৰায় এক দস্তুৰ সদৃশ। কিয়নো গাঁৱলীয়া পৰিৱেশৰ ঘৰ-দুৱাৰ, মাছ ধৰা বিবিধ সঁজুলি, কৃষিৰ লগত জড়িত সঁজুলি, ঘৰুৱা আচবাব আদিৰ লগতে বাঁহৰ গাজো খাদ্য হিচাপে গ্ৰহণ কৰা হয়। সম্প্ৰতি কেৱল গ্ৰাম্য সমাজতে নহয় নগৰীয়া জীৱনতো গৃহ-সজ্জাৰ এক অন্যতম উপকৰণ হিচাপে বাঁহ শিল্পজাত সামগ্ৰী ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। চহৰ-নগৰত অৱস্থিত মানুহৰ ঘৰৰ উপৰি হোটেল, ৰেস্তোৰা আদিতো গৃহসজ্জাৰ বাবে বাঁহ-বেতেৰে তৈয়াৰ কৰা মাছ ধৰা আৰু কৃষিৰ লগত সম্পৰ্কিত বিবিধ আহিলা ব্যৱহাৰ কৰে।

সম্প্ৰতি সংস্কৃতিৰ বিকাশমান পথত কৃষিক জীৱিকা হিচাপে গ্ৰহণ কৰা লোকৰ সংখ্যা লাহে লাহে কমি আহিছে। কৃষিৰ পৰিৱৰ্তে ব্যৱসায়-বাণিজ্য, চৰকাৰী-বেচৰকাৰী চাকৰি, বৃত্তিমূলক শিক্ষাৰ জৰিয়তে স্বনিয়োজন আদিৰ প্ৰতি মানুহ বেছিকৈ আকৰ্ষিত হোৱা দেখা গৈছে। বস্তুবাদী মানসিকতাৰ কবলত পৰি আজিৰ যুৱচাম সহজভাৱে ধন উপাৰ্জনৰ পথৰ অনুসন্ধানত ব্ৰতী হৈছে। এনে পৰিপ্ৰেক্ষিতত গাঁৱলীয়া সমাজৰ জীৱন-পদ্ধতিৰ লগতে অৰ্থনীতিৰ ক্ষেত্ৰতো পৰিৱৰ্তনৰ সূচনা হৈছে। গ্ৰাম্য সংস্কৃতিৰ ক্ষেত্ৰলৈ অহা এনে পৰিৱৰ্তনৰ ফলত মানুহৰ ঘৰ-দুৱাৰ বাঁহ-বেতৰ সলনি শিল-ইটাৰ হৈছে। প্ৰকৃতিৰ জৈৱ-বৈচিত্ৰ্যৰ পৰিৱৰ্তনৰ লগে লগে প্ৰাকৃতিকভাৱে মাছৰ উৎপাদনো কমি আহিছে। সেইবাৰে বাঁহ-বেতৰ পৰম্পৰাগত সঁজুলিৰে মাছ ধৰা পদ্ধতিও আজিৰ মানুহে অৱলম্বন নকৰা হৈছে। কৃষিৰ ক্ষেত্ৰতো বাঁহ-বেত-কাঠৰ সঁজুলিৰ পৰিৱৰ্তে যন্ত্ৰচালিত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদিৰ ব্যৱহাৰ বৃদ্ধি পাইছে। মুঠতে, গ্ৰাম্য চহা লোকৰ মাজত পালিত আৰু পোষিত হৈ থকা অসমৰ লোক-সংস্কৃতিৰ বিশাল ক্ষেত্ৰখনৰ এই দিশসমূহ যেন ক্ৰমান্বয়ে সংকুচিত হৈ আহিছে। লোক-সংস্কৃতিৰ ক্ষেত্ৰলৈ অহা এনে পৰিৱৰ্তনৰ ফলতেই আধুনিক নগৰীয়া পৰিৱেশত অৱস্থিত হোটেল, ৰেস্তোৰা, ডাঙৰ ডাঙৰ ফ্লেট আদিত অসমৰ পৰম্পৰাগত বাঁহ-বেত-কাঠেৰে তৈয়াৰী শিল্পবস্তুবোৰক গৃহসজ্জাৰ আহিলা হিচাপে ব্যৱহাৰ কৰাটোক মানুহে ব্যতিক্ৰমী গৃহসজ্জাৰ পদ্ধতি বুলি শলাগি প্ৰশংসা কৰিছে। কিয়নো গভীৰভাৱে দৃষ্টিপাত কৰিলে দেখা যায় যে গ্ৰাম্য পৰিৱেশতো পূৰ্বাপৰ প্ৰচলিত অসমৰ আপুৰুগীয়া লোক-সংস্কৃতিৰ সমলবোৰ লাহে লাহে বিলুপ্তিৰ পথলৈ গতি কৰিছে। অসমৰ উঠি অহা ভৱিষ্যৎ প্ৰজন্মও এইবোৰ নিৰ্মাণৰ প্ৰতি আগ্ৰহী নহয় বা অগ্ৰজসকলেও তেওঁলোকক আগ্ৰহী কৰি তুলিব পৰা নাই। আধুনিক জীৱন-পদ্ধতিয়ে অনা পৰিৱৰ্তনক সহজে প্ৰতিহত কৰাও সম্ভৱ নহয়।

বাঁহশিল্পৰ অস্তিত্বৰ ক্ষেত্ৰলৈ অহা এনে পৰিস্থিতিৰ অন্তৰালত আৰু এটা কাৰণ জড়িত হৈ আছে। সেয়া হৈছে আমাৰ বাঁহ-শিল্পীসকলে তেওঁলোকৰ দ্বাৰা তৈয়াৰী শিল্পবস্তুবোৰৰ বিনিময়ত উপযুক্ত বজাৰ-মূল্য লাভ নকৰে। ফলত শিল্পীসকলৰ উত্তৰসূৰী প্ৰজন্মই সেইবোৰ নিৰ্মাণৰ প্ৰতি উৎসাহিত নহৈ জীৱিকাৰ অন্য পথৰ অনুসন্ধান কৰিছে বা অন্য ক্ষেত্ৰত নিয়োজিত হৈছে।

বাঁহ-বেত শিল্পৰ পৰম্পৰাগত এনে শিল্পবস্তুবোৰৰ পৰিৱৰ্তে কেতবোৰ শিল্পৰ চাহিদা আকৌ বজাৰত বৃদ্ধি হোৱা দেখা গৈছে। বাঁহ-বেতেৰে নিৰ্মাণ কৰা আধুনিক পালেং, চোফা, ডাইনিং টেবুল, আলনা, টেবুল লাইট আৰু চিলিং লাইটৰ ফ্ৰেম, বুক চেল্‌ফ, আলমাৰি আদিৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। নলবাৰী, বৰপেটা, কামৰূপ, বঙাইগাঁও আদি নামনি অসমৰ ঠাইসমূহৰ লগতে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, লখিমপুৰ আদিত বাঁহ-বেতৰ এনেধৰণৰ আচবাব তৈয়াৰ কৰা বহু প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। ই স্বনিয়োজনৰ লগতে অসমৰ অৰ্থনীতিতো ইতিবাচক প্ৰভাৱ পেলাইছে। এনেদৰে পৰম্পৰা আৰু পৰিৱৰ্তনৰ মাজেৰে অসমৰ বাঁহ-বেত শিল্পই বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে।

**৫.৪.২ বাঁহ-বেতৰ শিল্পজাত সামগ্ৰীৰ নিৰ্মাণ-পদ্ধতি ঃ**

শিল্পবস্তু অনুসৰি বাঁহ-বেত শিল্পৰ নিৰ্মাণ-পদ্ধতিৰ মাজত পাৰ্থক্য থাকিলেও সামগ্ৰিকভাৱে চাবলৈ গ'লে এই শিল্পবস্তুবোৰৰ নিৰ্মাণৰ ক্ষেত্ৰত কেইটামান সাধাৰণ পৰ্যায় বা স্তৰ অতিক্ৰম কৰিব লগা হয়। এই ক্ষেত্ৰত এটা কথা উল্লেখ কৰা প্ৰয়োজন যে বাঁহৰ পৰা তৈয়াৰ কৰা প্ৰায়বোৰ শিল্পবস্তু বাঁহডাল কেঁচা হৈ থকা অৱস্থাতে তৈয়াৰ কৰা হয়। শুকান বাঁহেৰে সাধাৰণতে শিল্পবস্তু তৈয়াৰ কৰা নহয়। বেত-শিল্পৰ ক্ষেত্ৰত অৱশ্যে সেই কথা প্ৰযোজ্য নহয়। তলত বাঁহ-বেতৰ পৰম্পৰাগত শিল্পবস্তু, বিশেষকৈ কৃষিজাত আৰু মাছ ধৰা সঁজুলিসমূহৰ নিৰ্মাণৰ ক্ষেত্ৰত শিল্পীসকলে মানি চলা কেইটামান সাধাৰণ পৰ্যায় বা স্তৰ সম্পৰ্কে উল্লেখ কৰা হ'ল —

**১ম স্তৰ** ঃ শিল্পবস্তু তৈয়াৰ কৰিবৰ বাবে বাঁহ, বেত, নিৰ্মাণৰ লগত জড়িত অন্যান্য সা-সামগ্ৰীৰ লগতে বিভিন্ন সা-সঁজুলি, যেনে ঃ দা, কটাৰী, কৰত (হেক্সো) আদি যোগাৰ কৰি লয়। বাঁহনিৰ পৰা বাঁহ কাটিবলৈ দা আৰু কৰত ব্যৱহাৰ কৰা হয়। আনহাতে বেতনিৰ পৰা বেত কাটিবলৈ মেচি দা, কটাৰী আদি ব্যৱহাৰ কৰা হয়।

**২য় স্তৰ** ঃ বাঁহ-বেতৰ কেঁচাসামগ্ৰীসমূহ গোটাই লোৱাৰ পিছত যিটো শিল্পবস্তু নিৰ্মাণ কৰিবলৈ লোৱা হ'ব, সেই অনুসৰি কেঁচাসামগ্ৰীবোৰক নিৰ্দিষ্ট দৈৰ্ঘ্য আৰু আকাৰত কাটি টুকুৰা কৰি লোৱা হয়।

**৩য় স্তৰ** ঃ বাঁহ আৰু বেতসমূহ জোখ অনুসৰি টুকুৰা কৰাৰ পৰৱৰ্তী সময়ত সেইবোৰ দা বা কটাৰীৰ সহায়ত ফালি মিহি মিহিকৈ কাঠি বা দৈ তৈয়াৰ কৰা হয়। এই ক্ষেত্ৰত নিদিষ্ট সঁজুলিটো কিমান ডাঙৰ বা সৰুকৈ তৈয়াৰ কৰিব, সেই অনুসৰিহে কাঠি বা দৈবোৰ প্ৰস্তুত কৰি উলিওৱা হয়।

**৪ৰ্থ স্তৰ** ঃ এই স্তৰত বাঁহৰ কাঠিবোৰ তৈয়াৰ কৰিব লোৱা শিল্পবস্তু অনুসৰি বিশেষ শৈলীত গুঁঠি লৈ তাৰ চাৰিওফালে বাঁহৰ পৰা তৈয়াৰ কৰা চিৰিৰ নিচিনা চেপেটা দীঘল কামিৰে নিৰ্দিষ্ট 'ফ্ৰেম'ত বান্ধি পেলোৱা হয়। এই বান্ধে শিল্পবস্তুটো কট্‌কটীয়া কৰি তোলে। উল্লেখযোগ্য যে বাঁহৰ শিল্পবস্তুবোৰত যিবোৰ বান্ধ দিয়া হয়, সেইবোৰত বেতৰ প্ৰয়োগ কৰা হয়। বেত অবিহনে বাঁহ শিল্পক পৰিপূৰ্ণ বুলিব নোৱাৰি।

**৫ম স্তৰ** ঃ শেষ স্তৰত নিৰ্মাণ হৈ উঠা শিল্পবস্তুটো বেৰৰ গজাল বা অন্য ঠাইত আঁৰি থ'ব পৰাকৈ বেতেৰে এটা বান্ধ দিয়া হয়।

বাঁহ-বেত শিল্প নিৰ্মাণৰ উল্লিখিত স্তৰ কেইটা বিশেষকৈ ডলা, চালনী (বৰ চালনী, সৰু চালনী), খৰাহি, পাচি, জাকৈ আদি সঁজুলিসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি ক'ব পাৰি। এই ক্ষেত্ৰত অন্য প্ৰতিবিধ শিল্প নিৰ্মাণৰ ক্ষেত্ৰত শিল্পীসকলে বেলেগ বেলেগ পদ্ধতি অৱলম্বন কৰিব লগা হয়।

বাঁহ-বেতৰ আধুনিক আচবাব, বিশেষকৈ পালেং, চোফা, ডাইনিং টেবুল, আলনা, টেবুল লাইট আৰু চিলিং লাইটৰ ফ্ৰেম, বুক চেল্‌ফ আদিবোৰ বনোৱাৰ ক্ষেত্ৰত কেতবোৰ আধুনিক প্ৰযুক্তিৰ লগতে

ৰাসায়নিক বিভিন্ন দ্ৰব্য ব্যৱহাৰ কৰা হয়। ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰৰ ফলত সেইবোৰত ঘূণে নধৰে বা সোনকালে নষ্ট হৈ নাযায়। এই ক্ষেত্ৰত বৰাক্স বা বৰিক্স পাউদাৰ পানীত মিহলি কৰি বাঁহ আৰু বেতবোৰ চাৰি-পাঁচদিন তিয়াই থ'ব লগা হয়। আনহাতে আধুনিক প্ৰযুক্তি প্ৰয়োগ কৰি বাঁহ-বেতৰ শিল্পবোৰ খৰতকীয়াকৈ কাটি উলিয়াব পৰাৰ লগতে সেইবোৰ বেছি মিহিও কৰি তুলিব পাৰি। তদুপৰি পৰম্পৰাগত শিল্পসমূহ নিৰ্মাণৰ ক্ষেত্ৰত হাতুৰি, বটালি, গজাল, ৰং, বাৰ্ণিচ আদি সঁজুলি বা উপকৰণবোৰৰো প্ৰয়োগ দেখা নাযায়। তাৰ সলনি বেতেৰে নিকপকপীয়াকৈ বান্ধ দি সেইবোৰ তৈয়াৰ কৰা হয়। কিন্তু আধুনিক উল্লিখিত শিল্পবোৰৰ নিৰ্মাণৰ ক্ষেত্ৰত বেতৰ গাঁথিৰ উপৰিও এইসমূহ সঁজুলি তথা উপকৰণৰ প্ৰয়োজন হয়।

**৫.৪.৩ বাঁহ-বেতৰ শিল্পজাত সামগ্ৰী নিৰ্মাণৰ লগত জড়িত সঁজুলি ঃ**

বাঁহ-বেতৰ শিলবস্তুসমূহ তৈয়াৰ কৰি উলিয়াবলৈ বহু সা-সঁজুলিৰ প্ৰয়োজন নহয় যদিও কেইবিধমান মুখ্য সঁজুলি নহ'লেই নহয়। এই ক্ষেত্ৰত প্ৰধান সঁজুলিবোৰ হ'ল — বিভিন্ন প্ৰকাৰৰ দা (যেনে ঃ খামতি দা, মেচি দা আদি), কটাৰী (কাঠি আৰু দৈ তোলাৰ লগতে সেইবোৰ মিহি কৰিবলৈ ব্যৱহাৰ কৰা হয়), কৰত আৰু হেক্সো (বাঁহবোৰ মিহিকৈ টুকুৰা কৰিবৰ বাবে ব্যৱহৃত), সানশিল বা শিল (দা, কটাৰী আদিত ধাৰ তুলিবলৈ ব্যৱহৃত), কেঁচী (প্ৰয়োজন অনুসৰি বেতৰ গাঁথিবোৰ মিহিকৈ কাটিবৰ বাবে প্ৰয়োজন হয়) আদি। ঘৰুৱা আচবাব, যেনে ঃ চকী, টেবুল, চোফা, ডাইনিং চেট, আলনা আদি আধুনিক শিল্পবোৰ নিৰ্মাণৰ বাবে ৰং, বাৰ্ণিচ আদিৰ উপৰি গজাল, হাতুৰি, বৰিক্স আদি ৰাসায়নিক দ্ৰব্য, মিহি কৰিবলৈ চিচ্ কাগজ আদি সা-সঁজুলি ব্যৱহাৰ কৰা হয়।

**৫.৪.৪ বাঁহ-বেত শিল্পৰ জৰিয়তে উৎপাদিত ভিন্ন শিল্প-সামগ্ৰী ঃ**

অসমীয়া লোক-সংস্কৃতিৰ অন্তৰ্গতভাৱে বৰপেটাৰ লোক-জীৱনতো বাঁহ-বেতৰ শিল্পজাত সামগ্ৰীসমূহে বিশেষ স্থান দখল কৰি আছে। কৃষি কৰ্ম, মাছ ধৰা কাৰ্য, তাঁতশাল আদিৰ লগত জড়িত শিল্পবস্তুসমূহৰ উপৰি দৈনন্দিন ব্যৱহাৰ্য অনেক বস্তু বৰপেটাৰ লোকশিল্পীসকলে বাঁহ-বেতৰ পৰা নিৰ্মাণ কৰি আহিছে। তদুপৰি বাদ্যযন্ত্ৰ, ৰন্ধন প্ৰণালী আদিৰ লগত জড়িতভাৱেও বিবিধ শিল্পবস্তু বাঁহ-বেতৰ পৰা সাজি শিল্পীসকলে সাজি উলিয়ায়। তলত এই সম্পৰ্কে উল্লেখ কৰা হ'ল —

কৃষি কৰ্ম বা কৃষিৰ লগত জড়িতভাৱে বাঁহ শিল্পৰ বিবিধ আহিলা বৰপেটাৰ লোকসমাজত নিৰ্মাণ কৰা হয়। সেইবোৰ হ'ল — নাঙলৰ ডিলা (হাল বাওঁতে যুঁৱলিখনৰ লগত সংযোগ স্থাপন কৰা এডাল মাৰি), যুঁৱলি (হাল বাওঁতে গৰুহাল একেলগে বান্ধিবলৈ আৰু নাঙলৰ লগত সংযোগ স্থাপন কৰিবলৈ গৰুহালৰ কান্ধত বান্ধি লোৱা সঁজুলিবিশেষ), শ'লমাৰি (গৰু বা ম'হৰ ডিঙিৰ দুই দাঁতিত লগা যুঁৱলিৰ শাল), কাণমাৰি (খেতিপথাৰলৈ কঠিয়া নিবলৈ ব্যৱহাৰ কৰা গোটা দীঘল মাৰি), মৈ (মাটি চাহ কৰিবলৈ ব্যৱহাৰ কৰা সঁজুলিবিশেষ), দলিমাৰি (পথাৰৰ টান চপৰা ভাঙিবলৈ কাঠৰ গোটা টুকুৰাৰ

সৈতে বাঁহৰ নালৰ এবিধ সঁজুলি), হালোৱা এছাৰি (মাটি চহ কৰোঁতে গৰুক কোবাবলৈ ব্যৱহাৰ কৰা এছাৰি), কোৰৰ নাল, লাহনী (পথাৰত পানী সিঁচিবলৈ ব্যৱহাৰ কৰা সঁজুলিবিশেষ), বাঁওকা বা বাংকা (ফলীয়া বাঁহৰ কাণমাৰি), জাপি, ওখোন (শস্য গোটোৱা বা লুটিওৱা আগ বেঁকা বাঁহ), বিৰিয়া (ধানৰ ডাঙৰি আনিবলৈ দুই মূৰ জোঙা কৰি লোৱা ফলীয়া বাঁহৰ এবিধ সঁজুলি), তমাল (ডাঙৰি বা কঠিয়া বন্ধা কুমলীয়া বাঁহৰ পৰা তৈয়াৰ কৰা জৰী), জবকা (জাৰৰ গোটাবলৈ বাঁহৰ কাঠীযুক্ত এবিধ সঁজুলি), মোখোৰা (মৰণা মাৰোঁতে গৰুৰ মুখত পিন্ধোৱা এবিধ মুখা), কোৰোণা বা ৰইনা (মৰণাৰ ধান চপাবলৈ কোৰ আকৃতিৰ এচটা কাঠত বাঁহৰ নাল লগোৱা এবিধ সঁজুলি), বিন্ধা (জবকাৰ নিচিনা ধান নিৰোৱা এবিধ আহিলা), টোম (কঠিয়াৰ টোপোলা বান্ধিবলৈ বাঁহৰ কাঠীৰে তৈয়াৰী এবিধ আহিলা), পাচি (শস্য থ'বলৈ বাঁহৰ কাঠীৰে কৰা এবিধ সঁজুলি), ডুলি (ধান-সৰিয়হ থোৱা এবিধ ডাঙৰ পাচি), দোণ (ধান-চাউল আদি জোখা এবিধ পাত্ৰ), ডলা (বাঁহৰ কাঠীৰে তৈয়াৰী এবিধ চেপেটা বহল, ঘূৰণীয়া পাত্ৰ), কুলা (শস্য জাৰিবলৈ ব্যৱহাৰ কৰা চেপেটা এবিধ পাত্ৰ), জেউৰা (শস্যক জীৱ-জন্তুৰ পৰা ৰক্ষা কৰিবলৈ কৰা বেৰা), খৰাহি (শস্য থ'বলৈ বাঁহৰ কাঠীৰ পাত্ৰবিশেষ), গোজ (জেউৰাৰ মাজে মাজে ফলীয়া বা গোটা বাঁহৰ খুঁটি), ঢেঁকীৰ কঁতৰা (ঢেঁকীৰ মাজত থকা গোটা বাঁহৰ খুঁটি), বঢ়নী মাৰি (ঢেঁকীত ধান খুন্দোতে ধান বঢ়াই দিয়া বাঁহৰ মাৰি), জপনা আদি। কৃষি কৰ্মৰ আৰম্ভণিৰ পৰা অৰ্থাৎ পথাৰত হাল বাই, মৈ দি মাটি চহ কৰাৰ পৰা আৰম্ভ কৰি কঠিয়া ৰোৱা, ধান চপোৱা তথা ধান খুন্দি চাউল উলিওৱালৈকে বিশেষ বিশেষ কাম অনুসৰি প্ৰতিটো ক্ষেত্ৰতে এই কৃষিজাত শিল্পসমূহ ব্যৱহাৰ কৰা হয়।

বাঁহৰ কৃষিজাত শিল্পবস্তুসমূহৰ উপৰিও মাছ ধৰা বিবিধ সঁজুলি বৰপেটা জিলাৰ লোকসমাজত ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। সেই শিল্পবস্তুবোৰ হ'ল — জাকৈ (মাছ ধৰা তিনিকোণীয়া মুখৰ বাঁহৰ কাঠীৰ যতন), খালৈ (টেকেলিৰ আকৃতিৰ বাঁহৰ কাঠীৰ মাছ থোৱা পাত্ৰ), পল (তলফালে উদং, বহল আৰু ওপৰৰ ফালে ঠেক বাঁহৰ কাঠিৰ এবিধ সঁজুলি; পানীত চাব মাৰি মাছ ধৰিব পাৰি), চেপা (পেটৰ ফালে ডাঙৰ আৰু দুই মূৰ চেপেটা বাঁহৰ কাঠীৰে বন্ধা এবিধ সঁজুলি), ডিঙৰা (মাজ বহল দুই মূৰ চেপ খোৱা এবিধ কাঠীৰ সঁজুলি), ঠুহা (বাঁহৰ কাঠীৰ এবিধ ঠেক মাছ ধৰা সঁজুলি), টনি জাল বা টঙি জাল (মাছ ধৰা চাৰি চুকীয়া এবিধ জাল), ঢেঁকী জাল (দীঘল দুডাল বাঁহত বান্ধি লোৱা ঢেঁকীৰ চাব মৰাৰ নিচিনাকৈ হেঁচুকিব লগা এবিধ জাল) বান (বাঁহৰ ঘন কাঠীৰে তৈয়াৰী জেউৰাৰ দৰে দীঘল এবিধ সঁজুলি), পঁচা বা কঁচ (পাঁচ বা ততোধিক জোং থকা বাঁহৰ দীঘল মাৰি লগোৱা মাছ খোঁচা অস্ত্ৰ), বৰশী ডাঁৰিকি (বৰশীত সংযুক্ত হৈ থকা এবিধ লেকেচীয়া বাঁহ), খোকাফিছা (গোটা বাঁহ এডোখৰৰ এটা মূৰত গাঁথি থকা আৰু আনটো ফাল সৰু সৰু কাঠীৰ নিচিনা কৰি ঘূৰণীয়াকৈ বন্ধা এবিধ আহিলা), ঘগৰা (ঘূৰণীয়া মুখৰ তলিৰ পিনে জোঙা বাঁহৰ কাঠীৰ মাছ ধৰা এবিধ আহিলা), ঘনি (চেপাজাতীয় বাঁহৰ কাঠীৰ এবিধ

সঁজুলি), হুকুমা (ডিঙৰাৰ নিচিনা বাঁহৰ কাঠীৰ এবিধ যতন) আদি। এনেবোৰ যতনৰ সহায়ত বৰপেটাৰ লোকসমাজত মাছ ধৰাৰ পৰম্পৰা পূৰ্বাপৰ চলি আহিছে যদিও সম্প্ৰতি বহু সঁজুলিৰ নিৰ্মাণ কমি অহা পৰিলক্ষিত হৈছে। তাৰ পৰিৱৰ্তে সহজভাৱে উপলব্ধ অন্য সঁজুলিৰ ব্যৱহাৰ ক্ৰমে বাঢ়ি আহিছে।

তাঁতশিল্পৰ লগত জড়িত বিবিধ সা-সঁজুলিও বৰপেটাৰ তাঁতীসকলে বা গ্ৰাম্য সমাজৰ শিপিনীসকলে বাঁহ-বেতৰ পৰা নিৰ্মাণ কৰি লয়। তেনে কেতবোৰ সা-সঁজুলি হ'ল — ৰাঁচ (সৰু সৰু কাঠী থকা তলে-ওপৰে দুচটা কাঠৰ মাজত সুমোৱা তাঁত বোৱা যতন), উঘা (এবিধ সূতা মেৰোৱা সঁজুলি), চেৰেকী (উঘাতকৈ অলপ ডাঙৰ সূতা মেৰোৱা এবিধ যতন), লেটাই (উঘাতকৈ ডাঙৰ আৰু আগলৈ চিএগ্ৰা এবিধ সূতা মেৰোৱা সঁজুলি), চিৰি (চেপেটা আৰু এফালে মিহিকৈ জোঙা কৰা মাৰি), কাঠী (তাঁতত ফুল বাছোঁতে ব্যৱহাৰ কৰা মিহি শলি), শলি (গোটা দীঘল কাঠী), ব-চুঙা (তাঁতৰ ব তুলিবৰ বাবে ব্যৱহাৰ কৰা মিহি চুঙা), গৰকা (তাঁত বওঁতে মাকো সুমোৱাবৰ নিমিত্তে দীঘল সূতাবোৰ বেলেগ কৰা এবিধ যতন; দুডাল দীঘল বাঁহ তাঁতৰ তলত দি তলধৰা জৰীৰ সহায়ত সিহঁতৰ সংযোগ কৰা হয় আৰু তাঁত বওঁতাই এবাৰ এডালত এবাৰ সিডালত গচকি মাকো ভৰাবৰ বাবে সূতাবোৰ ওপৰ-তল কৰে), নাচনী মাৰি (তাঁতৰ ব ধৰি ৰখা আৰু সূতাবোৰ ওপৰ-তল কৰিবলৈ দাংমাৰিত ওলোমাই থোৱা দুফালে দুটা ঘাত থকা চেপেটা এবিধ যতন), কাণমাৰি (তাঁতৰ সূতাবোৰ টানি ধৰি ৰাখিবৰ বাবে টুলুঠাৰ মূৰত থকা ফুটাত ভৰাই থোৱা সৰু গোটা বা ফলীয়া মাৰি), জখলা (গোটেই তাঁতখন ওলোমাই ৰাখিবৰ বাবে ব্যৱহাৰ কৰা ঘাত থকা এডাল গোটা মাৰি), দাংমাৰি (তাঁতৰ ববোৰ ওপৰলৈ টানি ধৰি ৰাখিবৰ বাবে জখলাৰ ওপৰত উঠাই থোৱা গোটা বাঁহ), তলধৰা (তাঁতৰ সূতাবোৰৰ তলফালে থকা ববোৰ টানি ধৰি ৰাখিবৰ বাবে ব্যৱহৃত দুডাল শলি) ককৰা (গৰকাডালৰ ভৰিৰে গচকাফালৰ বিপৰীত মূৰে থকা এটা খুটি), বাছনি কাঠী (তাঁত-বাটি কৰোঁতে সূতাবোৰ ধৰি ৰখা এটা সৰু খুঁটি), নাকটি মাৰি (তাঁতশালৰ দোৰ্পতি দুচলা ধৰি ৰাখিবলৈ লগোৱা বাঁহৰ শলি), মহুৰা (মাকোৰ ভিতৰত সূতা মেৰিয়াই ৰখা এবিধ যতন), নাকটি বাৰি (মাকোৰ ভিতৰত মহুৰা ধৰি ৰাখিবলৈ ব্যৱহাৰ কৰা ক্ষুদ্ৰ শলা), তাঁতৰ খুঁটি (তাঁতবাটি কৰোঁতে সূতাবোৰ ধৰি ৰাখিবলৈ একেবাৰে মূৰত ব্যৱহৃত গোটা বাঁহৰ এটি খুঁটা) ইত্যাদি। বৰপেটাৰ গ্ৰাম্য সমাজৰ তাঁতশালত উল্লিখিত প্ৰতিবিধ সঁজুলিৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। সাধাৰণতে মাটিশালত এই সঁজুলিবোৰৰ প্ৰয়োগ অধিক। আজিকালি দুই-এক শিপিনীয়ে তাঁতীশাল ব্যৱহাৰ কৰে। সেইবোৰ শালত অত্যাধুনিক সঁজুলিৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

বৰপেটাৰ লোকশিল্পীসকলে বিবিধ বাদ্যযন্ত্ৰও বাঁহৰ পৰা নিৰ্মাণ কৰি লয়। এই বাদ্যযন্ত্ৰবোৰৰ ভিতৰত বাঁহী বা মুৰুলী, টকা, গগণা, চিফুং (বড়ো-কছাৰীসকলে ব্যৱহাৰ কৰা এক প্ৰকাৰৰ বাঁহী), বিশেষভাৱে উল্লেখযোগ্য। তদুপৰি ঢোল, ডবা আদি বজাবলৈ যিডাল মাৰি ব্যৱহাৰ কৰে, সেই মাৰিডালো বাঁহৰ পৰাই সাজি লোৱা হয়।

দৈনন্দিন ব্যৱহাৰ্য অনেক শিল্পবস্তু বৰপেটাৰ লোকশিল্পীসকলে বাঁহ-বেতৰ পৰা নিৰ্মাণ কৰি আহিছে। এই ক্ষেত্ৰত ৰন্ধন-কাৰ্য, ঘৰুৱা আচবাব, ঘৰৰ সাজ-সজ্জাৰ লগত জড়িত বিবিধ সামগ্ৰী, আ-অলংকাৰ আদিৰ কথা উল্লেখ কৰিব পাৰি। ৰন্ধন-কাৰ্যৰ লগত সম্পৰ্কিত শিল্পবস্তুসমূহ হৈছে— ধোঁৱা চাং (জুইশালৰ ওপৰত খাদ্যবস্তু তথা পাকঘৰৰ বিধিধ বয়বস্তু উঠাই থ'ব পৰা চাংবিশেষ), বাঁহৰ চুঙা (চুঙা পিঠা, চুঙা চাউল তৈয়াৰ কৰিব পৰা চুঙা), খৰিকা, ঘোটনি মাৰি, ফু চুঙা (জুইকুৰা জ্বলাবলৈ মুখেৰে ফু দিব পৰা চুঙা), চেপেনা (জুইত পোৰা খাদ্যবস্তু উঠাবলৈ ব্যৱহাৰ কৰা সঁজুলি) আদি। বাঁহ-বেতেৰে নিৰ্মাণ কৰা ঘৰুৱা আচবাববোৰ হৈছে— মুঢ়া, শোৱা চাং, ঢাৰি, জপা, বাঢ়নি মাৰি, কেৰেপা (দা, কটাৰী আদি গুজি থোৱা আহিলা), বিচনী আদি। এইবোৰৰ উপৰিও আজিকালি বাঁহ-বেতেৰে আধুনিক বিবিধ আচবাব তথা ঘৰুৱা কামত ব্যৱহাৰযোগ্য অনেক শিল্পবস্তু তৈয়াৰ কৰা দেখা যায়। সেইবোৰৰ ভিতৰত ট্ৰে, শৰাই, বাঁহ-বেতৰ চকী, চোফা, ডাইনিং টেবুল, আলনা, ফুলদানি, ধূপদানি, চাহ খোৱা কাপ, পেন ষ্টেণ্ড, টুল, লাইট বক্স, ডাষ্টবিন, ফুলৰ টাব আদি। মহিলাসকলে পৰিধান কৰা বিভিন্ন ধৰণৰ আ-অলংকাৰো বাঁহ-বেতৰ পৰা নিৰ্মাণ কৰা দেখা যায়। সেইবোৰৰ ভিতৰত কাণফুলি, নেকলেচ্, খাৰু, কেশসজ্জাৰ বাবে ব্যৱহাৰ কৰা ক্লিপ বা কাটা আদি।

উল্লিখিত সকলোবোৰ শিল্পবস্তুবোৰৰ উপৰি বৰপেটা জিলাত আন কেতবোৰ সা-সঁজুলি বাঁহ-বেতৰপৰা লোকশিল্পীসকলে তৈয়াৰ কৰি আহিছে। বিশেষকৈ, বৰপেটা শংকৰী সংস্কৃতিৰ পীঠস্থান হোৱাৰ বাবে জিলাখনত অনুষ্ঠিত ভাওনা অনুষ্ঠানত ব্যৱহাৰ কৰা ধনু, কাঁড়, লাঠি, কাঁড় থোৱা খোং, গদা আদি বিভিন্ন অস্ত্ৰ-শস্ত্ৰ, মুখা আদি বাঁহ-বেতৰ পৰাই শিল্পীসকলে নিৰ্মাণ কৰে।

বৰপেটাৰ গ্ৰাম্য জীৱনত হাঁহ-কুকুৰা বান্ধি ৰাখিবৰ বাবে বাঁহৰ কাঠীৰে খাং, গঁড়াল আদি নিৰ্মাণ কৰাৰ উপৰিও গৃহ-নিৰ্মাণৰ বাবে খুঁটা, বেৰ, চটি, চালি, দুৱাৰ, খিৰিকী, দাং মাৰি, মাৰলি, কামি আদি সকলো বাঁহ-বেতৰ পৰা সাজি উলিওৱা হয়। সৰু সৰু জান-জুৰি পাৰ হ'বলৈ দলং, সাঁকো আদিও গাঁৱলীয়া লোকসমাজে সততে নিৰ্মাণ কৰি লয়।

এনেদৰে বৰপেটাৰ লোকসমাজত বাঁহ-বেতৰ প্ৰয়োজনীতা অপৰিসীম। অসমৰ আন আন ঠাইৰ লোকসমাজৰ দৰে বৰপেটাৰ লোকসমাজখনেও প্ৰাকৃতিক সমল হিচাপে বাঁহ-বেতৰ পৰা তৈয়াৰী শিল্পবস্তুসমূহ ব্যৱহাৰ কৰি আহিছে। উল্লেখযোগ্য যে বাঁহ-বেতৰ পৰম্পৰাগত শিল্পবস্তুবোৰ লোকশিল্পীসকলে দৈনন্দিন প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্মাণ কৰি লয়। বিপৰীতে বাঁহ-বেতৰ আধুনিক শিল্পবস্তুসমূহ, যেনে ঃ চোফা, আৰামী চকী, ডাইনিং টেবুল, লাইট ষ্টেণ্ড আৰু ফ্ৰেমৰ লগতে গৃহসজ্জাৰ বিবিধ সামগ্ৰী আদি চহৰ-নগৰৰ মাজ-মজিয়াত শিল্পীসকলে গঢ়ি তোলা প্ৰতিষ্ঠানসমূহত সংশ্লিষ্টসকলে নিৰ্মাণ কৰি আহিছে। এইবোৰৰ সৈতে বাণিজ্যিক দিশটো জড়িত হৈ থাকে। পৰম্পৰাগত

শিল্পবস্তুসমূহৰ ক্ষেত্ৰত বাণিজ্যিক দিশটো প্ৰত্যক্ষভাৱে জড়িত হৈ নাথাকে। দৈনন্দিন ব্যাৱহাৰিক উপযোগিতা এই শিল্পসমূহৰ নিৰ্মাণৰ মূল উদ্দেশ্য।

**৫.৪.৫ বাঁহ-বেত শিল্পৰ লগত জড়িত শিল্পীসকল ঃ**

বৰপেটাৰ লোকজীৱনত বিভিন্ন লোকশিল্পী বাঁহ-বেতৰ শিল্পবস্তু নিৰ্মাণ কাৰ্যত ব্ৰতী হৈ আছে যদিও বৃত্তিগতভাৱে সকলোবোৰ শিল্পী এতিয়াও ওলাই অহা নাই। বৰপেটাৰ গাঁৱে-ভূঁঞে এই শিল্পীসকল সিঁচৰতি হৈ আছে। কিন্তু কিছু সংখ্যক মুষ্টিমেয় শিল্পীয়ে বাঁহ-বেতৰ শিল্পবস্তু নিৰ্মাণ কৰি ইয়াক বজাৰমুখী কৰি তোলাৰ ক্ষেত্ৰত এতিয়াও নীৰৱ সাধনা কৰি আছে। এই ক্ষেত্ৰত বৰপেটাৰ মেটুৰাকুছিৰ মানেন্দ্ৰ ডেকাৰ নাম উল্লেখ কৰিব পাৰি। তেখেতে বাঁহ-বেতৰ বিবিধ শিল্পবস্তু, যেনে, চকী, মেজ আদি ঘৰুৱা আচবাবৰ লগতে সাজ-সজ্জাৰ লগত জড়িত অন্যান্য শিল্পবস্তু নিৰ্মাণ কৰি আহিছে। তদুপৰি বাঁহ-বেতেৰে তেখেতে ৰিক্সা, চাইকেল আদিও তৈয়াৰ কৰি মানুহৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। মানেন্দ্ৰ ডেকাৰ দুই ভাতৃ অমেন ডেকা আৰু কবীন ডেকায়ো বাঁহ-বেত শিল্পৰ সৈতে জড়িত হৈ আছে। অমেন ডেকা সম্প্ৰতি বৰপেটাৰ 'ডেকা কেন এণ্ড বেম্বো ইণ্ডাষ্ট্ৰি'ৰ স্বত্তাধিকাৰী। এওঁলোকৰ শিল্পশালাত তৈয়াৰী শিল্পসমূহ অসমৰ লগতে ভাৰতৰ আন আন ঠাইতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

বৰপেটাৰ বিভিন্ন স্থানত, বিশেষকৈ বৰপেটা, বৰপেটা ৰোড, সৰভোগ, বজালী, সৰুপেটা, বহৰি আদিত বাঁহ-বেতৰ যিবোৰ শিল্পালয় বা সৰু-বৰ উদ্যোগ আছে, সেইবোৰৰ সৈতে বহু সংখ্যক শিল্পী জড়িত হৈ আছে। এনে শিল্পীসকলৰ ভিতৰত উল্লেখযোগ্য এজন শিল্পী হৈছে বৰপেটা চহৰৰ পৰা পাঁচ কিলোমিটাৰ উত্তৰত অৱস্থিত ধানবন্ধা গাঁৱৰ ছফিকুল আলী। তেখেতে বৰপেটাৰ অমেন ডেকাৰ অধীনত এই শিল্পৰ কাম আয়ত্ত কৰে। সম্প্ৰতি ছফিকুল আলীয়ে বাঁহ-বেতৰ বিভিন্ন শিল্পবস্তুৰ উপৰিও বাঁহৰ আৰামী চকী, চোফা, বাঁহৰ চিলাই মেচিন আদি নিৰ্মাণ কৰি সকলোৰে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

বৰপেটাৰ হাউলীৰ শালমাৰা ভালুকী গাঁৱৰ নিবাসী মাৰ্জিনা খাতুন আৰু চাহিদা চৌধুৰীয়েও যোৱা বিশ বছৰ ধৰি বাঁহ-বেতৰ শিল্প-নিৰ্মাণৰ কামত নিৰলসভাৱে জড়িত হৈ আছে। চাহিদা চৌধুৰীৰ স্বামী মহিৰুদ্দিন আহমেদো এই শিল্পৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। তেওঁলোকৰ উদ্যোগত 'এচ. চি. হেণ্ডিক্ৰাফ্‌ট' নামৰ এটা প্ৰতিষ্ঠানেও জন্ম লাভ কৰিছে। এওঁলোকৰ অধীনত এই শিল্প-প্ৰতিষ্ঠানটোত বৰ্তমান ২০গৰাকী শিল্পীয়ে শিল্প-চৰ্চাৰে কৰ্ম-সংস্থাপনৰ বাট মুকলি কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিষ্ঠানটোৱে অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত বাণিজ্য-মেলাবোৰত শিল্পবোৰ বিক্ৰীৰ বাবে নিয়াৰ লগতে প্ৰয়োজন অনুসৰি এইবোৰৰ ভিন্ন ঠাইলৈ ৰপ্তানিও কৰে। পৰম্পৰাগত শিল্পবস্তুবোৰৰ উপৰিও তেওঁলোকে বাঁহ-বেতৰ আধুনিক শিল্পবস্তুবোৰো নিৰ্মাণ কৰি আহিছে।

**৫.৪.৬ অৰ্থনৈতিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত বাঁহ-বেত শিল্পৰ ভূমিকা ঃ**

অসমৰ লগতে বৰপেটা জিলাৰ বাঁহ-বেত শিল্পয়ো গ্ৰাম্য অৰ্থনীতি তথা স্বনিয়োজনৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। পূৰ্বতে বাঁহ-বেতৰ শিল্পজাত সামগ্ৰীবোৰ কেৱল দৈনন্দিন জীৱনত হোৱা প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত লোকশিল্পীসকলে নিৰ্মাণ কৰি লৈছিল। সম্প্ৰতি বাঁহ-বেতৰ পৰা তৈয়াৰ কৰা কেতবোৰ লোকশিল্পই ব্যৱসায়িক মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে এই ক্ষেত্ৰত উল্লেখ কৰা প্ৰয়োজন যে বাঁহ-বেতৰ সকলো শিল্পজাত সামগ্ৰীয়ে ব্যৱসায়িক গুৰুত্ব লাভ কৰা নাই। বৰপেটাৰ লোকসমাজত পৰম্পৰাগতভাৱে ব্যৱহাৰ হৈ অহা কৃষিজাত শিল্প-সামগ্ৰীসমূহৰ লগতে মাছ ধৰা সঁজুলিসমূহৰ ব্যৱসায়িক উপযোগিতা দেখা নাযায়। গ্ৰাম্য লোকসমাজত পৰম্পৰাগত কৃষি পদ্ধতিলৈ পৰিৱৰ্তন আহিছে। সমান্তৰালভাৱে মাছ ধৰা পৰম্পৰাগত সঁজুলিসমূহৰ ব্যৱহাৰো কমি আহিছে। এনে পৰিপ্ৰেক্ষিতত বৰপেটা জিলাত এই সঁজুলিবোৰৰ নিৰ্মাণ আৰু ব্যৱহাৰ ক্ৰমে হ্ৰাস পাই অহাৰ লগতে এই সঁজুলিবোৰৰ ব্যৱসায়িক চাহিদাও বৰ বিশেষ দেখা পোৱা নাযায়। কৃষি সম্পৰ্কীয় দুই-এক শিল্পবস্তু, যেনে — কুলা, ডলা, চালনী, খৰাহী আদি শিল্পবস্তুসমূহৰ নিত্য প্ৰয়োজনীয়তালৈ চাই এইবোৰৰ নিৰ্মাণ আৰু উপযোগিতা এতিয়াও অক্ষুণ্ণ অৱস্থাত আছে। বৰপেটা জিলাৰ বৰপেটা, হাউলী, সৰভোগ, বৰপেটা ৰোড, পাঠশালা, বহৰি, সৰুপেটা আদি ঠাইত অৱস্থিত দুই-এখন বিক্ৰী কেন্দ্ৰত এই শিল্পবোৰ উপলব্ধ। উপভোক্তায়ো নিৰ্দিষ্ট দৰত এই শিল্পবোৰ ক্ৰয় কৰে। সেইদৰে ৰন্ধন কাৰ্য, তাঁত শিল্প আদিৰ লগত জড়িত বাঁহ-বেতৰ শিল্পসমূহৰ লগতো অৰ্থনৈতিক দিশটো প্ৰত্যক্ষভাৱে জড়িত হৈ থকা দেখা পোৱা নাযায়। গ্ৰাম্য পৰিৱেশত লোকশিল্পীসকলে নিজৰ প্ৰয়োজনৰ খাতিৰত এই শিল্পবস্তুসমূহ ঘৰতে তৈয়াৰ কৰি লয়।

বাঁহ-বেতৰ শিল্পজাত বস্তুসমূহৰ ভিতৰত আধুনিকভাৱে নিৰ্মিত কেতবোৰ আচবাব, গৃহসজ্জাৰ কেতবোৰ সা-সামগ্ৰী আদিয়ে আধুনিক বজাৰ ব্যৱস্থাত বিশেষ চাহিদা লাভ কৰিবলৈ সক্ষম হৈছে। এই শিল্পবস্তুসমূহৰ ভিতৰত বিশেষকৈ বাঁহ আৰু বেতৰ চকী, চোফা, আৰামী চকী, আধুনিক শৈলীৰে নিৰ্মাণ কৰা বাঁহৰ পালেং, লাইট ষ্টেণ্ড আৰু ফ্ৰেম, ফুলৰ টাব, ফুলদানি, ট্ৰে, মুঢ়া, জীৱ-জন্তুৰ কায়াকৃতি, চেল্‌ফ, বুক চেল্‌ফ আদি শিল্পবস্তুসমূহে গ্ৰাহকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। গ্ৰাহকেও সমুচিত দৰত এই শিল্পবস্তুবোৰ ক্ৰয় কৰি আহিছে। উল্লেখযোগ্য যে এযোৰ চোফা চেটৰ ডিজাইন আৰু মান অনুসৰি ইয়াৰ দামো আকৰ্ষণীয়। মান অনুসৰি বাঁহ-বেতৰ বিবিধ প্ৰকাৰ আছে। উৎকৃষ্ট বাঁহ-বেতেৰে নিৰ্মাণ কৰা আৰু আকৰ্ষণীয় ডিজাইনযুক্ত এযোৰ চোফা চেটৰ দাম আজিৰ তাৰিখত প্ৰায় ষাঠি হাজাৰৰো অধিক। প্ৰস্তুত হৈ থকা বাঁহ-বেতৰ সহায়ত দুজন শিল্পীয়ে এসপ্তাহৰ পৰা পোন্ধৰ দিনৰ ভিতৰত এযোৰ চোফা তৈয়াৰ কৰিব দিব পাৰে। অৱশ্যে ডিজাইন

অনুসৰি কেতিয়াবা সময়ৰ তাৰতম্য থাকিব পাৰে। গতিকে ইয়াৰ বিক্ৰীৰ জৰিয়তে শিল্পীসকলে সমুচিত দাম লাভ কৰাৰ লগতে স্বনিয়োজনৰ এক বিশেষ দিশ ইয়াৰ সৈতে জড়িত হৈ আছে। সেইদৰে বজাৰত উল্লিখিত অন্যান্য শিল্পসমূহৰো যথেষ্ট চাহিদা দেখা পোৱা গৈছে।

বৰপেটাৰ লগতে সমগ্ৰ অসমত বাঁহ-বেতৰ পৰা নিৰ্মাণ কৰা জাপিৰ অৰ্থনৈতিক ভূমিকা তাৎপৰ্যপূৰ্ণ। কৃষি কৰ্মৰ ক্ষেত্ৰত হোৱা ইয়াৰ পৰম্পৰাগত ব্যৱহাৰৰ উপৰিও মানুহে চ'ৰাঘৰ সজাবলৈ বা যিকোনো অনুষ্ঠানত অতিথি বা বিশেষ ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ বাবে এই জাপি প্ৰায়ে ব্যৱহাৰ কৰে। ব'হাগ বিহুৰ সময়তো জাপিৰ চাহিদা প্ৰতিবছৰে যথেষ্ট বৃদ্ধি পায়। বিহুনাচ প্ৰদৰ্শনৰ উপৰিও বিশেষ ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ ক্ষেত্ৰত জাপিৰ প্ৰয়োজন সৰ্বাধিক। ফলত লোকশিল্পীসকলৰ ই অৰ্থনৈতিক চাহিদা পূৰণ কৰাৰ লগতে স্বনিয়োজনৰ পথো প্ৰশস্ত কৰিছে বুলিব পাৰি। আকাৰ-আকৃতি অনুসৰি জাপিবোৰৰ দামো ভিন্ন ভিন্ন।

বৰপেটাত বাঁহ-বেতৰ পৰা নিৰ্মাণ কৰা ঢাৰিৰ চাহিদা মন কৰিবলগীয়া। বৰপেটাৰ কয়াকুছি অঞ্চল 'ঢাৰি নগৰী' ৰূপে খ্যাত। ইয়াৰে 'বগুৰাপাৰা' নামে জনাজাত কুহিঁৰা গাঁৱৰ প্ৰায় আশী-নব্বৈ শতাংশ মানুহৰ মূল জীৱিকা হৈছে ঢাৰি-শিল্প। প্ৰথমে নলেৰে তেওঁলোকে ঢাৰি নিৰ্মাণ কৰিছিল যদিও কেঁচামালৰ অভাৱত তেওঁলোকে বাঁহৰ পৰাই ঢাৰি নিৰ্মাণ কৰিবলৈ ল'লে। বিশেষকৈ মুছলমান সম্প্ৰদায়ৰ লোকসকল এই ঢাৰি-শিল্পৰ লগত বিশেষভাৱে জড়িত। নলেৰে প্ৰথমে ঢাৰি নিৰ্মাণ কৰিছিল বাবে এই মানুহখিনিক 'নৈলা' নামেৰেও জনা যায়। সম্প্ৰতি নিবনুৱা সমস্যা দূৰ কৰিবলৈ আত্ম সহায়ক গোটৰ সহায়ত ঢাৰিৰ ব্যৱসায় চলি আহিছে। আৰ্থিক দুৰৱস্থাৰ বাবে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বুঢ়া-বুঢ়ী সকলো এই শিল্পৰ লগত জড়িত হৈ পৰিছে। ব্যৱসায়িকভাৱেও এই শিল্পবিধে স্থানীয় বজাৰসমূহ দখল কৰাৰ লগতে পশ্চিমবংগৰ শিলিগুৰি, অন্ধ্ৰপ্ৰদেশৰ হাইদৰাবাদ, গুজৰাট, মুম্বাই, পুণে আদি ঠাইৰ লগত ইয়াৰ ব্যৱসায়ীসকলে প্ৰত্যক্ষ যোগাযোগৰ মাজেৰে ব্যৱসায় পৰিচালনা কৰি আছে। কয়াকুছিত ঢাৰি নিৰ্মাণৰ বাবে মাজে মাজে প্ৰশিক্ষণ কাৰ্যসূচীও অনুষ্ঠিত হয়। 'ধৃতি' নামৰ এটি সংস্থাৰ লগতে 'কয়াকুছি-কৰিহা-বগুৰাধাৰা শিল্পী সমিতি'য়ে এই শিল্পৰ প্ৰসাৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বৰ্তমান এই শিল্পবিধ যে কেৱল বগুৰা বা নৈলাসকলৰ মাজতে সীমাবদ্ধ আছে, এনে নহয়। কয়াকুছিৰ আন আন গাঁৱৰ লগতে গোৱালপাৰা তথা বৰপেটাৰ অন্য ঠাইৰ লোকসকলৰ মাজলৈও এই শিল্প সম্প্ৰসাৰিত হৈছে। কয়াকুছি অঞ্চলত কেঁচা-সামগ্ৰী কমি অহাত বৰ্তমান ইয়াৰ শিল্পীসকলে পাঠশালা, কেন্দুগুৰি, মুগুৰীয়া আৰু বাক্সা জিলাৰ শিমলাৰ পৰা বাঁহ আনিব লগা হয়। সম্প্ৰতি বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ লগে লগে ঢাৰিৰ বিকল্প অন্য সামগ্ৰীৰ সৈতে এই শিল্পই ফেৰ মাৰিব লগা অৱস্থাৰ সৃষ্টি হৈছে। অৱশ্যে এই ক্ষেত্ৰত উল্লেখযোগ্য যে কয়াকুছিৰ বৃহত্তৰ পৰিসৰৰ জনসাধাৰণক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাত এই শিল্পৰ ভূমিকা অপৰিসীম। তদুপৰি ভৱিষ্যৎ প্ৰজন্ময়ো এই শিল্পৰ জৰিয়তে স্বনিয়োজনৰ

বাট মুকলি কৰিব পৰা এক সম্ভাৱনা নিহিত হৈ আছে। তলত বৰপেটাৰ বাঁহ-বেতৰ কেতবোৰ শিল্পবস্তুৰ সাম্প্ৰতিক বজাৰ মূল্যৰ এখনি তালিকা দাঙি ধৰা হৈছে —

| ক্ৰ. নং | শিল্পবস্তুৰ নাম | আকাৰ আকৃতি | বজাৰ মূল্য |
|---|---|---|---|
| ১ | ডলা | -- | ১৬০ |
| ২ | কুলা | -- | ১৫০ |
| ৩ | ঢাৰি (ভকত বহিবৰ বাবে ব্যৱহৃত) | | ২০০ |
| ৪ | আৰামী চকী | ডাঙৰ (বয়োজ্যেষ্ঠৰ বাবে) | ২,০০০ |
| ৫ | আৰামী চকী | সৰু (শিশুৰ বাবে) | ১,০০০ |
| ৬ | মুঢ়া | -- | ৩০০ |
| ৭ | জপাই সৰু কৰি থ'ব পৰা বিচনী | -- | ৫০ |
| ৮ | বাঁহ-বেতৰ ৰঙীণ বিচনী | -- | ১০০ |
| ৯ | কলম থোৱা ষ্টেণ্ড | -- | ৫০ |
| ১০ | চুলিত মৰা কাটা | -- | ৩০-৪০ |
| ১১ | বাঁহৰ বটা | -- | ১০০ |
| ১২ | ফল-মূল থোৱা আধুনিক শৈলীৰ খৰাহী | -- | ৪০০ |
| ১৩ | লাইটৰ ফ্ৰেম | -- | ২০০ |
| ১৪ | বাঁহৰ ফ্ৰেম থকা আইনা | সৰু | ১০০ |
| ১৫ | বাঁহৰ চাহ খোৱা কাপ | -- | ৬০ |
| ১৬ | ফুলদানি ষ্টেণ্ড | সৰু | ১০০ |
| ১৭ | ফুলদানি ষ্টেণ্ড | ডাঙৰ | ৩০০ |
| ১৮ | ট্ৰে' | -- | ১০০ |
| ১৯ | শিশুৱে খেলা মুঢ়া (যোৰা) | সৰু | ১০০ |
| ২০ | বাঁহৰ মুখা (সজাই থ'বৰ বাবে ব্যৱহৃত) | -- | ১০০ |
| ২১ | পেপাৰ ষ্টেণ্ড | -- | ৩০০ |
| ২২ | বেতৰ চোফা | -- | ২০,০০০-- ৫০,০০০ (ডিজাইন অনুসৰি) |
| ২৩ | বাঁহৰ চোফা | -- | ২০,০০০-- ৫০,০০০ (ডিজাইন অনুসৰি) |
| ২৪ | বাঁহ-বেতৰ বিছনা | -- | ২০,০০০-- ৬০,০০০ (ডিজাইন অনুসৰি) |
| ২৫ | পানীৰ বটল | ডাঙৰ | ৫০০ |
| ২৬ | পানীৰ বটল | সৰু | ৩০০ |
| ২৭ | জাপি | সৰু | ১৫০ |
| ২৮ | জাপি | মজলীয়া | ৫০০ |
| ২৯ | জাপি | ডাঙৰ | ১,০০০-৩,০০০ |

তালিকা নং ৫.১ ঃ বাঁহ-বেতৰ শিল্প-সামগ্ৰীৰ বজাৰ মূল্য

### ৫.৪.৭ লোক-সংস্কৃতিত বাঁহ-বেত শিল্পৰ গুৰুত্ব ঃ

সমন্বয়, সমাহৰণ আৰু সংমিশ্ৰণৰ মাজেৰে বিকশিত হৈ অহা অসমৰ লোক-সংস্কৃতিত বাঁহ-বেত শিল্পৰ অপৰিসীম ভূমিকা আৰু গুৰুত্ব আছে। বৃহত্তৰ অসমৰ লোক-সংস্কৃতিৰ অন্তৰ্গতভাৱে বৰপেটা জিলাৰ লোক-জীৱনতো এই শিল্পজাত সামগ্ৰীবোৰৰ বিশেষ তাৎপৰ্য নিহিত হৈ আছে। প্ৰকৃতিৰ পৰা আহৰণ কৰা সমল হিচাপে এই শিল্পবস্তুবোৰ পৰিৱেশ উপযোগী হোৱাৰ লগতে সমাজ-জীৱনৰ বিভিন্ন

পৰম্পৰা, সামাজিক আচাৰ-অনুষ্ঠান, লোকবিশ্বাস, লোকসাহিত্য আদিৰ সৈতে এই শিল্পবস্তুবোৰৰ নিবিড় সম্পৰ্ক বিদ্যমান। বৰপেটাৰ লোকজীৱনত উদ্‌যাপিত সামাজিক তথা জন্ম, মৃত্যু, বিবাহ আদি জীৱনবৃত্তৰ লগত জড়িত আচাৰ-অনুষ্ঠানসমূহত বাঁহ-বেতৰ শিল্পবস্তুসমূহৰ বিস্তৃত ব্যৱহাৰ লক্ষ্য কৰা যায়। তদুপৰি বৰপেটা অঞ্চলত প্ৰচলিত কেতবোৰ ফকৰা যোজনা, ডাকৰ বচনতো এই শিল্পবোৰৰ স্থান পৰিলক্ষিত হয়। এই আলোচনাত তাৰে এক আভাস দাঙি ধৰা হৈছে।

আগতে লোকসমাজত ধাইৰ সহায়ত ঘৰতে সন্তান প্ৰসৱ কৰোৱা হৈছিল। প্ৰসৱৰ সময়ত সন্তানৰ নাড়ী ছেদনৰ লগত তাঁতশালৰ বাঁহৰ খুঁটাৰ সম্পৰ্ক আছে। পৰম্পৰা অনুসৰি তাঁতশালৰ বাঁহৰ খুঁটাত এঘাপ মাৰি এচটা বাঁহ আঁতৰাই আনি নিৰ্ধাৰিত জোখত বাঁহ চটাৰে নাড়ী ছেদন কৰা হয়। এই বাঁহচটাক কৰ্তনবাৰি বোলে। আধুনিক চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিৰ পৰিপ্ৰেক্ষিতত সেই পৰম্পৰা এতিয়া লোপ পালে।

মাঘৰ বিহুত লাগনী গছত বাঁহৰ তমাল বন্ধা নিয়ম অসমৰ লগতে বৰপেটা জিলাতো প্ৰচলিত এক সামাজিক লোকপ্ৰথা। এনে কৰিলে লাগনী গছত ফল-মূল আদিৰ উৎপাদন বৃদ্ধি হয় বুলি বিশ্বাস কৰা হয়। তদুপৰি বৰপেটা অঞ্চলৰ মানুহে বিশ্বাস কৰে যে বাৰীৰ পাচলি, ফল-মূল আদি বাঁহৰ খৰাহীত ভৰাই ছিঙিব লাগে। তেনেকৈ ছিঙিলে বাৰীৰ ফল-মূল, পাচলি আদি ডাল ভৰি লমালমে লাগে বুলি বৰপেটাৰ লোকে বিশ্বাস কৰে। একেদৰে বৰপেটা দৌল উৎসৱৰ সুঁৱেৰীৰ দিনা বাঁহ ভঙা অনুষ্ঠানত ব্যৱহৃত বাঁহডাল ঘৰত ৰাখিলে মঙ্গল হয় বুলি বিশ্বাস কৰা হয় নতুবা বাঁহডালত লাগনী গছ বগাবলৈ দিলেও সেই গছ লহপহকৈ বাঢ়ে বুলি বিশ্বাস প্ৰচলিত আছে।

নোৰাই তুলনী বিয়া তথা কইনাৰ বৰ বিয়াত বাঁহৰ দোণত চাউল, তামোল-পাণ, আমপাত আদি দি দোণৰি ধৰা যি প্ৰথা প্ৰচলিত আছে, তাতো বাঁহৰ পৰা তৈয়াৰী দোণৰ ব্যৱহাৰ মন কৰিবলগীয়া। তদুপৰি অন্যান্য কেতবোৰ সামাজিক আচাৰ-অনুষ্ঠানতো বাঁহৰ শিল্পবস্তুৰ ব্যৱহাৰ বিশেষ তাৎপৰ্যপূৰ্ণ। উদাহৰণস্বৰূপে, কোনো শুভ কামত দুৱাৰমুখত খৰাহী ভৰাই ধান থোৱাৰ নিয়ম বৰপেটাৰ সমাজত প্ৰচলিত আছে। সেইদৰে বিবাহ-অনুষ্ঠানৰ সুৱাগুৰি তোলা পৰ্বত নতুন ডলা, চালনী, কুলা আদিত সেন্দূৰৰ ফোঁট দি ধান জাৰে আৰু চালে। জোৰোণ দিয়া অনুষ্ঠানতো দৰা-ঘৰে অন্যান্য সা-সামগ্ৰীৰ লগতে বাঁহৰ চালনী এখনো কইনাৰ ঘৰলৈ অনাৰ নিয়ম প্ৰচলিত আছে। বিবাহৰ দিনা দৰা-কইনাক চোতালত বাঁহৰ ঢাৰিতে বহিবলৈ দিয়া হয়। সেইদৰে যিকোনো সকাম-নিকামত ভকত-বৈষ্ণৱক বহিবৰ বাবে বাঁহৰ ঢাৰিকে ব্যৱহাৰ কৰা হয়। মৃত্যু সম্পৰ্কীয় লোকাচাৰতো বাঁহৰ কেতবোৰ শিল্পবস্তুৰ ব্যৱহাৰ লক্ষ্য কৰিবলগীয়া।

ঘৰৰ চালৰ খেৰ, বেৰৰ কামী, ঘৰৰ খুঁটা আদি ঢাহি-মুহি নি জুই জ্বলালে ঘৰখন দৰিদ্ৰ হয় বুলি বৰপেটাত লোকবিশ্বাস প্ৰচলিত আছে। লোক-সমাজত প্ৰচলিত আছে যে "ঢুহে বেৰা, ঢুহে চাল, ভাতে

নাটে সৰ্বতি কাল।" কুলা, চালনী, ডলা আদিত বহিব নাপায়। কোনোবাই বহিলে গাত ফুহা, খহু আদি উঠে বুলি বিশ্বাস কৰা হয়। তাঁতশালৰ সঁজুলি চুৰ কৰিলে বিষৰ বেমাৰ হয় বুলিও জন-সমাজে বিশ্বাস কৰে।

বৰপেটা জিলাৰ কেতবোৰ লোকসাহিত্যত, বিশেষকৈ ফকৰা-যোজনা আৰু ডাকৰ বচনত বাঁহৰ শিল্পবস্তুৰ উল্লেখ পোৱা যায়। উদাহৰণস্বৰূপে —

(ক) বেৰাৰ বল কামী, নাৰীৰ বল স্বামী।

(খ) ঢেঁকীৰ হেচত কাত্‌ৰা নাচে, বৰীৰ কথাত বেটা নাচে।

(গ) কথা নহয় বাদী, ঢেঁকী মৰে চাউল কোৱাই, কত্‌ৰাই মাতে কান্দি।

(ঘ) পাটীত শুচি তিৰীৰ পাৰ, পানীত শুচি ডোমৰ নাৰ।

(ঙ) আহক আঘোণ আহক পুহ, পাচিয়ে পাচিয়ে বিলাম তুঁহ।

(চ) বৰাহীৰ পুতেকে খৰাহি সাজিলে, দৈতে লাগিলে কেনা।

(ছ) পৰক দেইখে কান্দে কাটে, চত্‌কি চত্‌কি জাপা বান্ধে।

(জ) কাপুৰ নহ জাপা, সান্ধা নহ আপা।

(ঝ) হাঁহ গলা, বাঁহী মাতা।

(ঞ) দুইহাত দুই মুঠি কোৰৰ নাল। বুকৰ সোমান টোকন ডাল।।

অসমীয়া লোকসমাজৰ সমান্তৰালভাৱে বৰপেটাৰ লোকসমাজতো অধিক শস্য লাভৰ বাবে লখিমী দেৱীক সন্তুষ্ট কৰিবলৈ লখিমী আদৰা নাম গোৱা হয়। এই লখিমী আদৰা নামত বাঁহৰ খৰাহী, চালনি, ডলা, ডুলি আদিৰ উল্লেখ পোৱা যায়। যেনে ঃ

আখৈ এ খৰাহী ডাবহী ডুবহী
পিঠা এ খৰাহী সৰু এ।
লখিমী আই এ ভঁৰালটি ভৰাব
ভৰাব গোহালিৰ গৰু এ।।

বৰপেটা অঞ্চলত প্ৰচলিত নাওখেলা গীততো বাঁহৰ শিল্পবস্তুৰ উল্লেখ আছে। যেনে —

ঢাৰিৰ ভলুকা কাটি নাৰৰ দিলা চৈ।
নালাগে সাউদ বণিজে খাব যাওক ছোটভাই।।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে বৰপেটাৰ লোকসমাজত প্ৰচলিত বিভিন্ন সামাজিক লোকাচাৰ, উৎসৱ-অনুষ্ঠান আদিত বাঁহৰ শিল্প-সামগ্ৰীৰ বিশেষ ব্যাৱহাৰিক তথা সাংস্কৃতিক গুৰুত্ব নিহিত হৈ আছে। সেইদৰে লোকসাহিত্যতো ইয়াৰ উল্লেখ তাৎপৰ্যপূৰ্ণ।

**৫.৪.৮ বৰপেটাৰ বাঁহ-বেত শিল্পৰ সাম্প্ৰতিক আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি ঃ**

অসমৰ লোক-সংস্কৃতিৰ অন্তৰ্গতভাৱে বৰপেটা জিলাৰ লোক-সংস্কৃতিতো বাঁহ-বেত শিল্প-সামগ্ৰীসমূহৰ ব্যৱহাৰ পুৰণি কালৰে পৰা চলি আহিছে। অৱশ্যে সমাজ-সংস্কৃতিৰ পৰিৱৰ্তনশীলতাৰ গতিত কেতবোৰ শিল্পবস্তুৰ ব্যাৱহাৰিক প্ৰয়োজনীয়তা সাম্প্ৰতিক প্ৰেক্ষাপটত ক্ৰমান্বয়ে হ্ৰাস পাই অহা পৰিলক্ষিত হৈছে। মানুহৰ অৰ্থনৈতিক স্থিতিৰ পৰিৱৰ্তনৰ লগে লগে লোক-জীৱন ধাৰণ পদ্ধতিলৈ পৰিৱৰ্তনৰ জোৱাৰ আহিছে। কৃষিকেন্দ্ৰিক জীৱন-প্ৰবাহৰ পৰিৱৰ্তে আজিৰ লোকসকলে ব্যৱসায়-বাণিজ্য, চৰকাৰী-বেচৰকাৰী চাকৰি আদিৰ জৰিয়তে উপাৰ্জন কৰি পৰিয়াল পৰিচালনা কৰিবলৈ আৰম্ভ কৰিছে। এইখিনিতে এটা কথা উল্লেখ কৰা প্ৰয়োজন যে বৰপেটাৰ লগতে সমগ্ৰ অসমৰ বাঁহ-বেতৰ শিল্পজাত সামগ্ৰীবোৰৰ বেছিভাগেই গ্ৰাম্য জীৱন আৰু কৃষিৰ লগত জড়িত। গতিকে মানুহৰ জীৱন-ধাৰণ পদ্ধতিলৈ অহা পৰিৱৰ্তনৰ সমান্তৰালভাৱে বাঁহ-বেতৰ পৰম্পৰাগত শিল্পসমূহৰ ব্যাৱহাৰিক প্ৰয়োজনো কমি আহিছে। এই ক্ষেত্ৰত কৃষিৰ লগত জড়িত সা-সঁজুলিসমূহৰ উপৰিও মাছ ধৰা, পৰম্পৰাগত তাঁতশিল্প, গৃহ-নিৰ্মাণৰ লগত জড়িত শিল্পসমূহৰ ক্ষেত্ৰত এনে স্থিতি প্ৰত্যক্ষ কৰা যায়।

পৰিৱৰ্তন সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত এক চিৰাচৰিত পৰিঘটনা। সময়ে অনা পৰিৱৰ্তনক কোনেও ৰোধ কৰিব নোৱাৰে। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশত এনে পৰিৱৰ্তন দ্ৰুত গতিত বৃদ্ধি পাইছে। এই পৰিৱৰ্তন আহিছে বিশেষকৈ বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত হোৱা অভিনৱ আৱিস্কাৰসমূহৰ ফলত। বিজ্ঞান-প্ৰযুক্তিৰ উন্নয়নৰ প্ৰভাৱ কেৱল চহৰাঞ্চলতে সীমাবদ্ধ হৈ নাথাকি গাঁও অঞ্চলসমূহকো ই সামৰি লৈছে। বিশেষকৈ যোগাযোগ ব্যৱস্থালৈ অহা দ্ৰুত পৰিৱৰ্তনৰ ফলত সমগ্ৰ বিশ্বখনেই সম্প্ৰতি এখন সৰু গাঁও সদৃশ হৈ পৰিছে। কম্পিউটাৰ, লেপটপ, স্মাৰ্টফোন আদিত সংযোজিত হোৱা ইণ্টাৰনেট ব্যৱস্থাই পৃথিৱীৰ যিকোনো ঠাইৰ লগত তাৎক্ষণিক যোগাযোগ সম্ভৱ কৰি তুলিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ বাণিজ্য, অৰ্থনীতি, সমাজ-নীতি আদি ক্ষেত্ৰলৈ অহা 'বিশ্বায়ন'ৰ প্ৰেক্ষাপটত ক্ষুদ্ৰ ক্ষুদ্ৰ পৰিসৰত জীয়াই থকা ভাষা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰলৈ বিৰাট পৰিৱৰ্তনৰ সূচনা হৈছে। পৰম্পৰাগত কৃষিভিত্তিক জীৱন-প্ৰবাহেৰে পৰিচালিত গাঁওবোৰতো আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি হ'বলৈ ধৰিছে। গৰুহালৰ পৰিৱৰ্তে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদিৰ ব্যৱহাৰৰ ফলত পৰম্পৰাগত নাঙল, যুঁৱলি, মৈ আদি বহু সংখ্যক বাঁহ-বেতৰ সঁজুলিৰ ব্যৱহাৰ নাইকিয়া হৈ আহিছে। সেইদৰে ধানৰ মৰণা মৰাৰ সলনি আজিকালি মেছিনৰ সহায়তে ধান মৰা হয়। পুখুৰী, নৈ, বিল আদিত বাঁহ-বেতৰ পৰম্পৰাগত সঁজুলিৰে মাছ ধৰা পদ্ধতিৰ সলনি প্লাষ্টিকৰ আঠুৱাৰ নিচিনা কেতবোৰ উপকৰণৰ ব্যৱহাৰ হ'বলৈ ধৰিছে। গাঁৱত বাঁহ-বেতৰ ঘৰ আজিকালি প্ৰায় নোহোৱাই হৈছে। সকলো ঘৰ ৰড-শিল-ইটা-চিমেণ্টৰ সহায়ত নিৰ্মাণ কৰিবলৈ লৈছে। গ্ৰাম্য সমাজ-সংস্কৃতিলৈ অহা এনে দ্ৰুত

পৰিৱৰ্তনৰ ফলত স্বাভাৱিকতে বৰপেটাৰ লগতে অসমৰ এনেধৰণৰ শিল্পবস্তুসমূহৰ অস্তিত্ব আৰু ব্যৱহাৰলৈ ভাবুকি নামি আনিছে। ইয়াৰ পৰিৱৰ্তে বাঁহ-বেতৰ পৰা নিৰ্মাণ কৰি উলিওৱা গৃহসজ্জা তথা অন্যান্য আধুনিক শিল্পবস্তুৰ চাহিদা কমি অহা নাই; বৰঞ্চ বৃদ্ধিহে পাইছে। এই ক্ষেত্ৰত বাঁহ-বেতৰ ফুলদানি বা ফুলদানিৰ ষ্টেণ্ড, পানীৰ বটল, কাপ, ট্ৰে, বিভিন্ন ডিজাইনৰ মুখা, ফুলৰ টাব, ফল-মূলৰ আধুনিক ডিজাইনৰ খৰাহী, কিতাপ ষ্টেণ্ড, লাইটৰ ফ্ৰেম, বিভিন্ন ডিজাইনৰ কলম ষ্টেণ্ড, সৰু সৰু ল'ৰা-ছোৱালীয়ে খেলিবৰ বাবে বা আলমিৰাত সজাই থ'বৰ বাবে নিৰ্মাণ কৰা সৰু সৰু জাকৈ, খালৈ, ডলা, চালনী, কুলা আদি; বিভিন্ন আ-অলংকাৰ, যেনে ঃ খাৰু, চুলিত মৰা কাটা, ক্লিপ আদি; বিশেষ ব্যক্তিক সম্বৰ্ধনা জনাবলৈ বাঁহ-বেতৰ পৰা সাজি উলিওৱা স্মাৰক, জাপি, জপাই থ'ব পৰা বিছনী আদি শিল্পবস্তুৰ কথা উল্লেখ কৰিব পাৰি। বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা বাণিজ্য-মেলাবোৰত উল্লিখিত শিল্পবস্তুবোৰৰ বৰ্দ্ধিত চাহিদা লক্ষ্য কৰা যায়। তদুপৰি বাঁহ-বেতৰ চোফা, আৰামী চকী, কেঁচুৱাক শুৱাবৰ বাবে ব্যৱহাৰ কৰা পাল্কি আদিবোৰৰো চাহিদা বজাৰত বহুত।

বিশ্বায়নে এফালে পৰম্পৰাগত শিল্পসমূহলৈ যিদৰে ভাবুকি কঢ়িয়াই আনিছে, আনফালে এইবোৰৰ প্ৰচাৰ-প্ৰসাৰৰ সুযোগ-সুবিধাও এই ব্যৱস্থাটোৰ সৈতে জড়িত হৈ আছে। আগ্ৰহী, ইচ্ছুক তথা উৎসাহী লোকশিল্পীয়ে বাঁহ-বেতৰ উপৰি যিকোনো শিল্পবস্তু নিৰ্মাণ কৰি ইণ্টাৰনেট সংযোজিত যিকোনো ব্যৱস্থা, যেনে ঃ ফেইচ্‌বুক, ইউটিউব, বিভিন্ন পে'জ আদিৰ জৰিয়তে বৃহত্তৰ জন-সমাজৰ মাজত প্ৰচাৰ-প্ৰসাৰ কৰিব পাৰে। এনে প্ৰচাৰ-প্ৰসাৰে শিল্পবোৰক জন-সমাজৰ মাজত পৰিচয় কৰাই দিয়াৰ লগতে মুকলি এখন বজাৰৰো ই সূচনা কৰিব পাৰে। তদুপৰি ইয়াৰ জৰিয়তে লোকশিল্পীসকলৰ নিয়োজন আৰু উপাৰ্জনৰো পথ মুকলি হোৱাৰ অৱকাশ আছে।

সাম্প্ৰতিক পৰিৱৰ্তনশীল সমাজ-সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত অসম তথা বৰপেটাৰ বাঁহ-বেত শিল্পৰ পৰম্পৰাগত শিল্পসমূহৰ ব্যাৱহাৰিক ক্ষেত্ৰখন সংকুচিত হৈ আহিছে, সেয়া সঁচা। কিন্তু আধুনিক যোগাযোগ ব্যৱস্থাসমূহক আয়ত্তাধীন কৰি লোকশিল্পীসকলে জনসমাজৰ মাজত চাহিদা থকা শিল্পবস্তুবোৰ অধিক উৎপাদন কৰি সেইবোৰৰ প্ৰচাৰ-প্ৰসাৰৰ কাম হাতত ল'লে অনলাইন মাৰ্কেটিঙৰ এখন বৃহৎ ক্ষেত্ৰ ইয়াৰ জৰিয়তে গঢ়ি তুলিব পৰা সম্ভাৱনীয়তা লুকাই আছে। যুগৰ সৈতে খাপ খোৱাকৈ সকলো বস্তুকে নিজস্ব নিৰ্মাণ-ক্ষেত্ৰতে সীমাবদ্ধ কৰি নাৰাখি শিল্পবোৰৰ প্ৰচাৰ-প্ৰসাৰ কৰাটো এক প্ৰয়োজনীয় কৰ্তব্য। তেনেদৰে আগবাঢ়িলেহে এনে শিল্পবোৰে আন ঠাইৰ শিল্পৰ সৈতে প্ৰতিযোগিতা কৰি তিষ্ঠি থাকিব পাৰিব। তদুপৰি নৱ-প্ৰজন্মকো এই শিল্পবোৰ নিৰ্মাণৰ প্ৰশিক্ষণ প্ৰদান কৰি অনাগত ভৱিষ্যতৰ বাবে এইসমূহক জীয়াই ৰখাৰ পদক্ষেপ হাতত ল'ব লাগিব। অন্যথা এই শিল্পবোৰ কালৰ গৰাহত হেৰাই যোৱাৰ সম্ভাৱনা আছে।

**৫.৫ কাঠ শিল্প ঃ**

পৃথিৱীৰ সকলো ঠাইৰ জনজীৱনৰ সৈতে কাঠ ওতপ্ৰোতভাৱে জড়িত। জীৱন-যাত্ৰাৰ প্ৰয়োজনীয় বিভিন্ন বয়-বস্তু কাঠেৰে নিৰ্মাণ কৰি মানুহে নিজৰ জীৱন সুচল কৰাৰ বাবে ব্যৱহাৰ কৰি আহিছে। এই বয়-বস্তুবোৰ নিৰ্মাণৰ ক্ষেত্ৰতো মানুহৰ কল্পনা-শক্তি আৰু সৃষ্টিশীলতাৰ প্ৰকাশ ঘটিল। ফলত ই শিল্পলৈ পৰ্যবসিত হৈ সভ্যতাৰ বিকাশত অৰিহণা যোগাইছে।

লোক-সমাজত কাঠেৰে নিৰ্মিত দৈনন্দিন ব্যৱহাৰ্য শিল্প-সামগ্ৰীসমূহেই কাঠশিল্পৰ অন্তৰ্ভুক্ত। ইয়াৰ নিৰ্মাণৰ লগত জড়িত শিল্পীসকলক অসমীয়াত বাঢ়ৈ বোলা হয়। অসমীয়া সংস্কৃতিৰ অন্তৰ্গতভাৱে অসমৰ বিভিন্ন ঠাইৰ কাঠশিল্পৰ সৈতে বৰপেটা জিলাৰ কাঠশিল্পৰ সাদৃশ্য আছে। গৃহ-নিৰ্মাণ, ঘৰুৱা আচবাব আদিৰ লগত জড়িত কেতবোৰ বয়বস্তু, যেনে ঃ চকী, মেজ, বিছনা বা পালেং, আলনা, দুৱাৰ, খিৰিকী, বেঞ্চ-ডেস্ক তথা গৃহ-নিৰ্মাণৰ বিভিন্ন সা-সামগ্ৰী আদি এই ক্ষেত্ৰত উল্লেখযোগ্য। সেইদৰে লোৰ বিভিন্ন সঁজুলি, যেনে ঃ দা, কটাৰী, কাঁচি আদিত থকা নালটোও কাঠেৰে বনোৱা হয়। প্ৰাচীন কালৰে পৰা ব্যৱহাৰ হৈ অহা যাতায়াত তথা বেপাৰ-বাণিজ্যৰ অন্যতম বাহন নাওখনো কাঠেৰেই নিৰ্মিত। এই ক্ষেত্ৰত দোলা, পাল্কী, পানচৈ আদিসমূহৰ কথাও উল্লেখ কৰিবলগীয়া।

অসমীয়া সংস্কৃতিৰ নিজা বিশেষত্বসমৃদ্ধ তথা জীৱন-যাত্ৰাৰ বিভিন্ন উপলক্ষ্যত ব্যৱহৃত বহুবোৰ শিল্পবস্তুত কাঠ ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত কৃষিৰ লগত জড়িত কেতবোৰ সঁজুলি, যেনে ঃ নাঙল, যুঁৱলি, নাঙলৰ ডিলামাৰি, ঢেঁকী, গাইশালি, উৰাল, উৰালৰ মাৰি আদি; বয়নশিল্পৰ লগত জড়িত সা-সঁজুলি, যেনেঃ যঁতৰ, ববিন, টোলোঠা, মাকো, দোৰপতি, মহুৰা আদি; বিবিধ বাদ্যযন্ত্ৰ, যেনে ঃ ঢোল, খোল, নাগেৰা, ডবা, দোতাৰা, একতাৰা, ডগৰ আদিত কাঠৰ ব্যৱহাৰ মন কৰিবলগীয়া। এইবোৰৰ উপৰি জীৱন-যাত্ৰাৰ অন্যান্য ক্ষেত্ৰত ব্যৱহাৰ হোৱা ঠেলা, বেলনা, খুন্দনা, ঘুটনি মাৰি, হেঁতা, ঘট, পেৰা, চৰিয়া, বাটি, গছা, কাঁকৈ ফণী, কঁড়িয়া আদিও কাঠেৰেই নিৰ্মাণ কৰা হয়।

সত্ৰ, নামঘৰ আদি ধৰ্মীয় ক্ষেত্ৰত ব্যৱহাৰ হোৱা বিবিধ শিল্পবস্তুতো কাঠ এক অপৰিহাৰ্য উপাদান। উদাহৰণস্বৰূপে, গুৰু আসন, ঠগী, শৰাই, বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি, সত্ৰীয়া ভাস্কৰ্য, সত্ৰৰ বেৰত কাটি ৰিলিফ, মুখা আদি। আনহাতে সত্ৰ-নামঘৰৰ খুটা, চ'তি , নামঘৰ-গোসাঁইঘৰৰ স্তম্ভ, দুৱাৰ আদিতো কাঠ ব্যৱহাৰ কৰা হয়। এইবোৰত আধ্যাত্মিক তথা শিল্পসুলভ ৰূপ প্ৰদান কৰিবলৈ গৈ শিল্পীয়ে ফুল, লতা, পশু-পক্ষী, জগন্নাথৰ মূৰ্তি আদি কাটি অনন্য মাত্ৰা প্ৰদান কৰিলে। দৰাচলতে অসমৰ সত্ৰ-নামঘৰৰ পৃষ্ঠপোষকতাত প্ৰাণ পাই উঠা শিল্প-ভাস্কৰ্যসমূহ অসমীয়া কাঠশিল্পৰ উৎকৃষ্ট নিদৰ্শন।

অসমত বসবাস কৰা জনগোষ্ঠীয় লোকসমাজতো কাঠৰ ব্যাপক ব্যৱহাৰ লক্ষ্য কৰা যায়।

তেওঁলোকৰ পৰম্পৰাগত গৃহ-নিৰ্মাণত কাঠ নহ'লে নহয়। জনগোষ্ঠীয় বাদ্যযন্ত্ৰ, নিত্য-ব্যৱহাৰ্য বিবিধ সামগ্ৰী, বয়নশিল্পৰ সা-সঁজুলি আদি বিভিন্ন ক্ষেত্ৰত কাঠৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়।

অসমীয়া বিবাহ অনুষ্ঠানত কইনাৰ লগত কাঠৰ বিবিধ আচবাব দিয়া হয়। সেই আচবাবসমূহত বিবিধ চানেকিৰে শিল্পসুলভ ৰূপ প্ৰদান কৰাটো শিল্পীসকলৰ এক বিশেষ কৃতিত্ব। ৰং-বাৰ্ণিছৰ প্ৰয়োগেৰে সেইবোৰক আকৰ্ষণীয় ৰূপত তুলি ধৰা হয়।

এনেদৰে অসমীয়া সমাজ-জীৱনৰ ব্যাপক ক্ষেত্ৰ সামৰি কাঠশিল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কাঠত কটা প্ৰতিটো শিল্প-সামগ্ৰী অসমীয়া জনজীৱনৰ এৰাব নোৱৰা সম্পদস্বৰূপ। এই অধ্যয়নৰ অন্তৰ্গতভাৱে 'সত্ৰকেন্দ্ৰিক লোকশিল্প' শীৰ্ষক অধ্যায়ত কাঠেৰে নিৰ্মাণ কৰা বিবিধ শিল্পবস্তু সম্পৰ্কে আলোচনা কৰা হৈছে। সেয়ে এই অধ্যায়ত সত্ৰকেন্দ্ৰিক লোকশিল্পসমূহক বাদ দি বৰপেটা জিলাত নিৰ্মিত তথা ব্যৱহৃত অন্যান্য কাঠশিল্পসমূহৰ বিষয়ে বিশ্লেষণ দাঙি ধৰা হৈছে।

**৫.৫.১ কাঠ-শিল্পৰ ইতিহাস ঃ**

জনবিশ্বাস অনুসৰি পৌৰাণিক কালৰপৰাই ভাৰতবৰ্ষত কাঠ-শিল্পৰ প্ৰচলনৰ কথা জনা যায়। ভাৰতীয় জনবিশ্বাসত শিল্পকলাৰ দেৱতা হিচাপে স্বীকৃত বিশ্বকৰ্মাই হৈছে সকলো শিল্পকলাৰ স্ৰষ্টা। নগৰ, ঘৰ-দুৱাৰ, মঠ-মন্দিৰ, স্থাপত্য-ভাস্কৰ্য, মূৰ্তি আদি সকলো তেওঁৰে স্ৰজন। হিন্দু দেৱতাসকলে হাতত ধাৰণ কৰা অস্ত্ৰ-শস্ত্ৰই তেওঁলোকৰ গুণাগুণ আৰু মহিমাকে প্ৰকাশ কৰে। এই ক্ষেত্ৰত বিশ্বকৰ্মাৰ হাতৰ অস্ত্ৰ হ'ল কুঠাৰ। এই কুঠাৰেই হৈছে বাঢ়ৈ বা কাঠমিস্ত্ৰীৰ প্ৰধান সঁজুলি। কুঠাৰ বিশেষভাৱে কাঠ কটা বা ফলাত ব্যৱহৃত হয়। সেই দৃষ্টিৰে ভাৰতীয় সংস্কৃতিত কাঠ-শিল্প বা স্থাপত্যৰ স্থান ভাস্কৰ্যতকৈ আগত।[৫২] ঋকবেদত কাঠেৰে নিৰ্মিত মন্দিৰ আৰু ৰামায়ণত মধ্য এছিয়াৰ পৰা অহা শিলাকুটিৰ উল্লেখৰ কথা বিচাৰ-বিশ্লেষণ কৰি পণ্ডিতসকলে প্ৰস্তৰ শিল্পতকৈ কাঠশিল্পৰ প্ৰাচীনত্বৰ কথা স্বীকাৰ কৰিছে।

ভাৰতীয় আদৰ্শ অনুসৰি 'অতিথি দেৱো ভৱঃ'। সেই আদৰ্শৰে প্ৰতিফলন ঘটিছে মৎস্যপুৰাণত। তাত উল্লেখ আছে যে আলহী-অতিথিক যথোপযুক্ত স্বাগত-সম্ভাষণ জনাবলৈ হ'লে ঘৰৰ দুৱাৰৰ চৌকাঠটো খোদাই কৰা হ'লে ভাল। সেই আদৰ্শকে সাৰোগত কৰি ভাৰতবৰ্ষৰ প্ৰায়বোৰ অঞ্চলৰ ঘৰ-দুৱাৰ, মঠ-মন্দিৰ, ৰাজহুৱা ভৱন আদিত স্থাপত্যধৰ্মীভাৱে কাঠত খোদাই কৰি দুৱাৰৰ চৌকাঠৰ লগতে প্ৰকৃতিৰ বিভিন্ন উপকৰণ আৰু মানুহৰ মূৰ্তিযুক্ত বাৰান্দা নিৰ্মাণ কৰা হৈছিল। এই পৰম্পৰাৰ চাপ অসমীয়া সংস্কৃতিতো পৰিছিল।

বনজ সম্পদ তথা কাঠ উৎপাদনৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চল ভাৰতবৰ্ষৰ ভিতৰতে বিশেষভাৱে সমৃদ্ধিশালী। অসমৰ অৰণ্যাঞ্চলত বিবিধ মূল্যবান কাঠ পৰ্যাপ্ত পৰিমাণে পোৱা যায়। সেইবাবে

কাঠশিল্পৰ ক্ষেত্ৰত অসমৰ লোকসমাজ বিশেষভাৱে সমৃদ্ধ। অসমীয়া মানুহে দৈনন্দিন জীৱনত কাঠৰ বিবিধ শিল্প-সামগ্ৰী ইতিহাসে ঢুকি নোপোৱা কালৰ পৰাই পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি আহিছে। অসমত কাঠশিল্পৰ প্ৰাচীনত্ব তথা ইয়াৰ প্ৰচলনৰ সঠিক সময় নিৰ্ধাৰণ কৰিব নোৱাৰি যদিও খ্ৰীষ্টীয় সপ্তম শতিকাৰ পূৰ্বৰে পৰা এই শিল্পৰ প্ৰচলনৰ সম্ভেদ পোৱা গৈছে। বাণভট্টৰ 'হৰ্ষচৰিত'ত উল্লেখ থকা অনুসৰি সপ্তম শতিকাৰ কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই ৰজা হৰ্ষবৰ্ধনলৈ পঠোৱা উপহাৰৰ ভিতৰত কাঠত ফুল কটা বাকচো আছিল। 'ফটিয়া ইব্ৰিয়া' শীৰ্ষক এখন প্ৰাচীন ইছলামী পুথিতো আহোম যুগৰ অসমীয়া কাঠ শিল্পৰ উল্লেখ পোৱা যায়। গ্ৰন্থখনত উল্লেখ থকা অনুসৰি অসমীয়া বাঢ়ৈয়ে অতি নিখুঁট আৰু আকৰ্ষণীয়কৈ এটুকুৰা কাঠতে শৰাই, পেৰা, পেটাৰি, পীৰা, আদি কাটি তাতে চালে চকুৰোৱাকৈ জীৱ-জন্তু, ফুল, গছ-লতিকা আদি খোদাই কৰিব পাৰিছিল। তদুপৰি দোলা, পাল্কী, পানচৈ, খেলা নাও আদিত অৰ্থপূৰ্ণকৈ প্ৰতিকৃতি কাটি উলিওৱাৰ দক্ষতা আছিল। লতা-ফুল আদি খোদিত সুন্দৰ নাওৰ কথা বনমাল বৰ্মাৰ তামৰ ফলিতো উল্লেখ আছে। খ্ৰীষ্টীয় সপ্তদশ শতিকাত মিৰজুমলাৰ সৈতে অসমলৈ অহা চাহাবউদ্দিন তালিছে অসমৰ মঠ-মন্দিৰ, সত্ৰ-নামঘৰ আদিৰ খুঁটাসমূহত খোদিত মূৰ্তিবোৰ প্ৰত্যক্ষ কৰি আচৰিত হৈ কৈছিল, "জীৱন্ত মানুহকহে অসমৰ ঘৰৰ খুঁটা হিচাপে ব্যৱহাৰ কৰে"। অসমৰ সত্ৰসমূহৰ দুই-চাৰিখনত এতিয়াও তেনে মূৰ্তিখচিত খুঁটা আছে।[৫৩]

অসমৰ শিল্প-সাহিত্য-সংস্কৃতিৰ ইতিহাসত 'সোণালী যুগ' হিচাপে অভিহিত শংকৰী যুগত অসমৰ কাঠ শিল্পই এক উন্নত ৰূপ লাভ কৰিবলৈ সক্ষম হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ নেতৃত্বত আৰম্ভ হোৱা অসমৰ বৈষ্ণৱ আন্দোলনৰ ফলশ্ৰুতিত অসমৰ বিভিন্ন ঠাইত সত্ৰ-নামঘৰ প্ৰতিষ্ঠা হ'বলৈ ধৰে। এই ক্ষেত্ৰত অসমৰ কাঠ শিল্পীসকলে সত্ৰ-নামঘৰ নিৰ্মাণত নিজৰ শৈল্পিক দক্ষতাৰ প্ৰকাশ ঘটাবলৈ সক্ষম হয়। কাঠৰ পাটত শিল্পীসকলে নিজৰ কল্পনাক চিত্ৰায়িত কৰি বাঙ্ময় ৰূপ প্ৰদান কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ উদগনি আৰু সহযোগতে তদানীন্তন বাঢ়ৈ শিল্পীসকলে কাঠেৰে গোসাঁই মূৰ্তি, দুৱাৰ, সিংহাসন, চ'তিকাঠ আদি তৈয়াৰ কৰাৰ লগতে ধৰ্মীয় আখ্যান অনুসৰি জীৱ-জন্তু, ফুল-লতা, মাছ-মগৰ, চৰাই-চিৰিকতি আদি কাঠত কাটি উলিয়াইছিল। এই কথাৰ উল্লেখ গুৰুচৰিতত পোৱা যায়। শঙ্কৰদেৱৰ ধৰ্মীয় আদৰ্শতে কাঠ শিল্পীসকলে গুৰু-আসনৰ চাৰিটা কোণৰ খুঁটাত উৰণীয়া সিংহ, হাতী আৰু কাছৰ কায়াকৃতি সাজি তাত শিল্পটোৰ মাত্ৰা বৰ্ধন কৰিছিল। সত্ৰীয়া পৃষ্ঠপোষকতাত নিৰ্মিত কাঠ-শিল্পই শিল্পৰ ক্ষেত্ৰখনতে সুকীয়া স্থান লাভ কৰি আহিছে। বৰ্তমানেও অসমৰ মাজুলী, কুৰুৱাবাহী, যোৰহাট, তিতাবৰ, মঙ্গলদৈ, বৰপেটা আদি ঠাইৰ সত্ৰসমূহত নিৰ্দিষ্ট পৰম্পৰা অনুসৰি কাঠশিল্পীসকলে শিল্প নিৰ্মাণ কৰি আহিছে।

নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যনিহিত শংকৰী সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত অসমৰ কাঠশিল্পই বিশেষ মৰ্যাদাৰে সমৃদ্ধিশালী ৰূপ লাভ কৰিছিল। শংকৰী যুগৰ কাঠশিল্পৰ বিশেষত্ব সম্পৰ্কত

ধ্রুৱকুমাৰ তালুকদাৰৰ এযাৰি মন্তব্য প্ৰণিধানযোগ্য—“...শংকৰী সংস্কৃতিৰ প্ৰভাৱেৰে প্ৰাণ পাই উঠা অসমৰ কাঠ শিল্পৰ ক্ষেত্ৰত ধৰ্মীয় চৰিত্ৰ বিদ্যমান। ধৰ্মীয় পৰম্পৰাৰ মাজেৰে সৃষ্ট কাৰণেই অসমৰ প্ৰায়ভাগ কাঠশিল্প বৰ্ণনাত্মক, আৰু একেডাল কাঠতে ভাস্কৰ্য নিৰ্মাণ কৰা হয় বাবে ই প্ৰায় গোটাসজীয়া আৰু ইয়াত কোনো যোৰা নাথাকে।”[৫৪] অসমৰ সত্ৰ আৰু নামঘৰৰ বেৰসমূহৰ কাঠত কটা ভাস্কৰ্যসমূহে অসমীয়া কাঠ শিল্পৰ এক সমৃদ্ধিশালী ঐতিহ্য বহন কৰি আহিছে।

শংকৰী যুগৰ কাঠশিল্পৰ আন এটা বিশেষ উদাহৰণ হ’ল মুখাশিল্প। সেই যুগত কাঠেৰেও মুখা নিৰ্মাণ কৰা হৈছিল। সেই মুখাসমূহ অঙ্কীয়া ভাওনা প্ৰদৰ্শনৰ বাবে ব্যৱহৃত হৈছিল। বিভিন্ন পৌৰাণিক চৰিত্ৰক আকৰ্ষণীয় আৰু বিশ্বাসযোগ্য ৰূপত জনচক্ষুৰ সন্মুখত তুলি দিয়াৰ ক্ষেত্ৰত মুখা শিল্পৰ ভূমিকা প্ৰণিধানযোগ্য।

পুৰণি কালত নাও যোগাযোগ আৰু যাতায়াতৰ মুখ্য বাহন আছিল। সেই সময়ৰ নাওৰ টিঙত ময়ূৰ, মগৰ আদি মূৰ্তি আৰু বাহিৰৰ দুয়োফালে লতা-ফুল আদি কাটি শিল্পসন্মত ৰূপ প্ৰদান কৰা হৈছিল। বৰ্তমানো বৰপেটা অঞ্চলত নাওখেলাৰ বাবে ব্যৱহৃত নাওবোৰত লতা-ফুল কটাৰ পৰম্পৰা পৰিলক্ষিত হয়। সেইদৰে কাঠেৰে নিৰ্মাণ কৰি উলিওৱা নিত্য ব্যৱহাৰ্য বিবিধ সঁজুলি, যেনে ঃ চৰিয়া, পেৰা, গছা, কঁড়িয়া, নদীয়া, কাকৈ ফণী, বাতি, শৰাই, যঁতৰ, উৰাল, তাঁশালৰ নাচনী, দোতাৰাৰ মূৰ আদিত সৌন্দৰ্যবৰ্ধনৰ বাবে বিভিন্ন ফুল, পাত, বিভিন্ন পক্ষী, মগৰ আদিৰ নক্সা কটাৰ পৰম্পৰা তাহানি কালৰ পৰাই অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে।

অসমত বসবাস কৰি থকা জনগোষ্ঠীয় লোকসমাজতো পৰম্পৰাগত বিবিধ কাঠশিল্পৰ নিৰ্মাণ আৰু ব্যৱহাৰ দেখা পোৱা যায়। পৰম্পৰাগত গৃহ-নিৰ্মাণ পদ্ধতি অনুসৰি চাংঘৰৰ খুটা, বিধি বাদ্যযন্ত্ৰ, চাংঘৰত উঠিবলৈ ব্যৱহাৰ কৰা বিশেষ জখলা, তাঁতশালত ব্যৱহৃত সঁজুলি, দৈনন্দিন ব্যৱহাৰ কৰা বিবিধ শিল্পবস্তু আদি জনগোষ্ঠীয় লোকসমাজৰ উল্লেখযোগ্য কাঠ শিল্পৰ নিদৰ্শন।

অসমৰ কাঠশিল্পই অতীতৰ পৰা বৰ্তমানলৈকে সমৃদ্ধিশালী আৰু গতিশীল ৰূপত অগ্ৰসৰ হ’বলৈ সক্ষম হৈছে। পৰিৱৰ্তনশীলতাৰ ধৰ্ম অনুযায়ী কাঠেৰে নিৰ্মিত আধুনিক শৈলীৰ বিবিধ শিল্পবস্তু অসমীয়া সংস্কৃতিত অন্তৰ্ভুক্ত হৈছে। কাঠশিল্পৰ বাণিজ্যকৰণৰ লগে লগে ইয়াৰ বৰ্ধিত চাহিদা অনুসৰি শিল্পীসকলেও শিল্পবস্তু অনুসৰি নতুন নতুন শৈলী, নতুন নতুন প্ৰযুক্তি প্ৰয়োগ কৰি ইয়াক আৰু অধিক মসৃণ, আকৰ্ষণীয় আৰু শিল্পসন্মত ৰূপ প্ৰদান কৰিবলৈ সক্ষম হৈছে। তাৰ মাজতো অসমীয়া লোক-পৰম্পৰাৰ স্বাক্ষৰ এই শিল্পবস্তুসমূহত ৰক্ষিত নোহোৱাকৈ থকা নাই। বিবাহ অনুষ্ঠানত কইনাৰ সৈতে দি পঠোৱা কাঠৰ আচবাবসমূহতো আধুনিক প্ৰযুক্তি আৰু শৈলীৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। এই আচবাববোৰে লোক-পৰম্পৰাৰ নিদৰ্শন দাঙি ধৰাৰ লগতে এইসমূহত আধুনিকতাৰ স্পষ্ট প্ৰতিফলন লক্ষ্য কৰা যায়। আনহাতে

সত্ৰ-নামঘৰ বা অন্যান্য ধৰ্মীয় ক্ষেত্ৰত নিৰ্মিত, চৰ্চিত আৰু বিকশিত শিল্পসমূহত পৰম্পৰাগত ৰূপটো এতিয়াও ৰক্ষিত হৈ আছে। মুঠতে ক'বলৈ গ'লে কাঠশিল্পৰ শিল্প-সামগ্ৰীসমূহ অসমীয়া জনজীৱনৰ এৰাব নোৱৰা সম্পদ হোৱাৰ লগতে ই লোক-কল্পনা, প্ৰতিভা আৰু সৃজনীশীলতাৰ উৎকৃষ্ট নিদৰ্শনস্বৰূপ।

**৫.৫.২ কাঠ শিল্পজাত সামগ্ৰীৰ নিৰ্মাণ-পদ্ধতি ঃ**

কাঠৰ শিল্পবস্তু অনুসৰি ইয়াৰ নিৰ্মাণ-পদ্ধতিৰ মাজত পাৰ্থক্য থাকিলেও সামগ্ৰিকভাৱে প্ৰতিটো শিল্পবস্তু নিৰ্মাণ কৰোঁতে শিল্পীসকলে কেইটামান সাধাৰণ স্তৰ অতিক্ৰম কৰিব লগা হয়। এই ক্ষেত্ৰত শিল্পবস্তু অনুসৰি ইয়াৰ পদ্ধতিসমূহ আলোচনা নকৰি সাধাৰণ স্তৰকেইটা ইয়াত উল্লেখ কৰা হৈছে —

**১ম স্তৰ** ঃ কাঠৰ শিল্পবস্তুসমূহ নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা প্ৰয়োজনীয় সা-সঁজুলিসমূহ সংগ্ৰহ;

**২য় স্তৰ** ঃ শিল্পবস্তু অনুসৰি নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা কাঠৰ যোগাৰ আৰু সেইবোৰ বিশেষ সঁজুলিৰে নিৰ্দিষ্ট জোখত কাটি বা ফালি তক্তা বা টুকুৰা হিচাপে প্ৰস্তুত কৰা হয়।

**৩য় স্তৰ** ঃ কাটি বা ফালি উলিওৱা কাঠবোৰ শিল্পবস্তু অনুসৰি সাজু কৰি সেইবোৰ ৰাণ্ডা, বটালি, হাতুৰি আদি ব্যৱহাৰ কৰি মিহি কৰা হয়। প্ৰয়োজন অনুসৰি কুণ্ডত কাটিও শিল্প অনুসৰি বিশেষ ৰূপ প্ৰদান কৰা হয়।

**৪ৰ্থ স্তৰ** ঃ মিহি কৰা কাঠৰ টুকুৰাবোৰ শিল্পবস্তু অনুসৰি যোৰা লগাবলৈ জোখ মতে নিৰ্দিষ্ট স্থানত খোল বা খোলনি কটা হয়।

**৫ম স্তৰ** ঃ খোলনি কৰা স্থানত শিল্পবস্তুবোৰৰ ভিন ভিন অংশ বিশেষ পদ্ধতিৰে টানকৈ যোৰা লগাই দিয়া হয়।

**৬ষ্ঠ স্তৰ** ঃ শিল্পবস্তুটো কটকটীয়া কৰি তুলিবলৈ যোৰা লগোৱা স্থানত গজাল বা প্ৰয়োজন মতে বাঁহৰ শলা যোগাৰ কৰি মাৰি দি নিৰ্দিষ্ট ৰূপ প্ৰদান কৰা হয়।

**৭ম স্তৰ** ঃ নিৰ্মাণ কৰি উলিওৱা বিশেষ শিল্পবস্তুটো প্ৰয়োজন মতে অধিক মিহি আৰু আকৰ্ষণীয় কৰি তুলিবলৈ ৰাণ্ডা মৰা হয় বা চিৰিচ কাগজ ব্যৱহাৰ কৰা হয়।

**৮ম স্তৰ** ঃ এই স্তৰত শিল্পবস্তু অনুসৰি বিভিন্ন ৰং লগোৱা হয়। বিশেষভাৱে ডাঠ বা পাতল মটীয়া ৰং প্ৰায়বোৰ কাঠৰ শিল্পবস্তুত ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। ক'ৰবাত যদি সৰু ছিদ্ৰ থাকি গৈছে, তাকো পুটিনৰ সহায়ত মাৰি দিয়া হয়।

**৯ম বা শেষ স্তৰ ঃ** কাঠশিল্পৰ এই স্তৰত প্ৰতিবিধ শিল্পবস্তু জিলিকাই তুলিবৰ বাবে বাৰ্ণিছ ৰং প্ৰস্তুত কৰি কাপোৰেৰে উপৰিভাগত লেপন দি শুকাবলৈ দিয়া হয়। এনেবোৰ স্তৰৰ মাজেৰেই কাঠশিল্পী বা বাঢ়ৈসকলে ভিন্ন শিল্পজাত সামগ্ৰীসমূহ প্ৰস্তুত কৰি উলিয়ায়।

**৫.৫.৩ কাঠ শিল্পজাত সামগ্ৰী নিৰ্মাণৰ লগত জড়িত সঁজুলি ঃ**

বাঢ়ৈ বা কাঠশিল্পীসকলে কাঠ কটা আৰু ফলাৰ পৰা আৰম্ভ কৰি শিল্পবস্তুসমূহ নিৰ্মাণ কৰি উলিওৱালৈকে বিভিন্ন সঁজুলি ব্যৱহাৰ কৰিব লগা হয়। এই ক্ষেত্ৰত প্ৰধান সঁজুলিবোৰ হ'ল — বিভিন্ন আকাৰৰ হাতুৰী (সৰু, মজলীয়া আৰু ডাঙৰ), বিভিন্ন প্ৰকাৰৰ কৰত (যেনে ঃ চেউনি কৰত, ফলা কৰত, ঠেলা কৰত, টনা কৰত আদি), বটালি (যেনে ঃ পাট বটালি, নাঙল বটালি, খোলনী বটালি আদি), ৰাণ্ডা (চিংগল আৰু ডাবল ৰাণ্ডা,ৰাউণ্ড ৰাণ্ডা, প্লেইন ৰাণ্ডা আদি); গিৰ্মিট (কাঠত ফুটা কৰিবলৈ ব্যৱহাৰ কৰা দীঘল লোৰে তৈয়াৰী এবিধ সঁজুলি), ৰেতি বা ৰেত (কৰতৰ ধাৰ উঠোৱা কামত ব্যৱহৃত লোৰ এবিধ সঁজুলি), গজাল, চাবুল (কাঠৰপৰা গজাল উঠোৱা কামত ব্যৱহাৰ কৰা লোৰে তৈয়াৰী এবিধ আহিলা), সানশিল (লোৰ বিভিন্ন সঁজলিৰ ধাৰ উঠাবলৈ ব্যৱহাৰ কৰা এবিধ শিল), ক্লেমপিচ (দুটুকুৰা কাঠ যোৰা লগাবৰ বাবে ব্যৱহাৰ কৰা লোৰ এবিধ সঁজুলি), মাজাৰী বা ফট্‌কচ (কাটিবলৈ লোৱা কাঠত নিৰ্দিষ্ট জোখ অনুসৰি চিন দিবলৈ ব্যৱহৃত কাঠৰ এবিধ সঁজুলি), বাতাম (কাঠত পোনকৈ জোখ অনুসৰি চিন দিবলৈ ব্যৱহৃত লোৰ এবিধ আহিলা), মিটাৰ টেপ্ (জোখ ল'বলৈ ব্যৱহাৰ কৰা এবিধ আহিলা), ৰেন্স (নাত, বল্টু টান কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা লোৰ এবিধ আহিলা), পঞ্চু (টিঙত বিন্ধা উলিওৱা কামত ব্যৱহৃত লোৰ এবিধ সঁজুলি), চিৰিচ কাগজ আদি। উল্লিখিত সঁজুলিসমূহ বাঢ়ৈসকলে পৰম্পৰাগতভাৱে কাঠৰ শিল্পবস্তুসমূহ নিৰ্মাণ কৰোঁতে ব্যৱহাৰ কৰি আহিছে। অৱশ্যে স্থানভেদে এই সঁজুলিবোৰৰ নাম ভিন্ ভিন্ হ'ব পাৰে।

**৫.৫.৪ কাঠ-শিল্পৰ জৰিয়তে উৎপাদিত ভিন্ন শিল্প-সামগ্ৰী ঃ**

অসমৰ লোকশিল্পৰ অন্তৰ্গতভাৱে কাঠৰ বিভিন্ন শিল্পবস্তু বৰপেটা জিলাৰ কাঠশিল্পী বা বাঢ়ৈসকলেও পৰম্পৰাগতভাৱে নিৰ্মাণ কৰি আহিছে। ইয়াৰে বহু সংখ্যক শিল্পবস্তু অসমৰ অন্যান্য ঠাইৰ সৈতে একে। বিশেষকৈ কৃষি, বয়নশিল্প তথা দৈনন্দিন জীৱন-প্ৰবাহৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত বহু শিল্পবস্তু এই প্ৰসংগত উল্লেখ কৰিব পাৰি। কৃষিৰ লগত জড়িত কাঠৰ শিল্পবস্তুসমূহৰ ভিতৰত নাঙল, নাঙলৰ ডিলা, যুঁৱলি, দলিমাৰি (পথাৰত মাটিৰ টান চপৰা ভাঙিবলৈ ব্যৱহাৰ কৰা এবিধ সঁজুলি), জবকা (জাৰৰ-জোঁথৰ আঁতৰোৱাত ব্যৱহাৰ কৰা এবিধ সঁজুলি), কোৰোণা (মৰণাৰ ধান চপোৱাত ব্যৱহৃত কোৰৰ নিচিনা সঁজুলি), ঢেঁকী, ঢেঁকীৰ থোৰা, উৰাল, গায়েন (উৰালত কৃষিজাত বস্তু খুন্দিবলৈ ব্যৱহাৰ কৰা দীঘল কাঠৰ মাৰি) আদিয়েই প্ৰধান।

কাঠেৰে নিৰ্মাণ কৰা বয়ন শিল্পৰ লগত জড়িত বহু শিল্পবস্তু অসমীয়া শিপিনীসকলে পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি আহিছে। উদাহৰণস্বৰূপে, যঁতৰ, ববিন, টোলোঠা, দোৰ্পতি, মহুৰা, মাকো আদি।

ঘৰৰ বিভিন্ন আচবাবৰ লগতে দৈনন্দিন ব্যৱহৃত বহু শিল্পবস্তু কাঠেৰে নিৰ্মাণ কৰা হয়। সেইবোৰৰ

ভিতৰত —চকী, মেজ, দুৱাৰ, খিৰিকী, বেঞ্চ, ডেস্ক, পালেং, ঠেলা, গৰু গাড়ী আৰু চকা, বিভিন্ন প্ৰকাৰৰ পীৰা (যেনে ঃ চালপীৰা, বৰপীৰা, তামুলীপীৰা, দৰা বহা পীৰা আদি), চোফা, বেল্না, বেল্না মাৰি, খুন্দনা, বিভিন্ন ধাতুজাত শিল্পসামগ্ৰীৰ নাল, আলনা, ৰেগ্, আলমাৰি, বাকচ আদি উল্লেখযোগ্য। তদুপৰি বিবিধ বাদ্যযন্ত্ৰ, যেনে, ঢোল, খোল, তবলা, দোতাৰা, দগৰ, একতাৰা, ডবা, টোকাৰী আদিৰ মূল খোলাটোও কাঠেৰেই নিৰ্মাণ কৰা হয়।

উল্লিখিত শিল্পসামগ্ৰীসমূহৰ উপৰিও বৰপেটা জিলাৰ স্বকীয় বিশেষত্বসমৃদ্ধ বহু শিল্পবস্তু কাঠৰ পৰা সাজি উলিওৱা হয়। ইয়াৰে বহু শিল্পবস্তু সত্ৰীয়া পৰিৱেশত নিৰ্মিত। যেনে ঃ গুৰুআসন, বিভিন্ন ভাস্কৰ্য তথা মূৰ্তি, সত্ৰৰ বেৰ আৰু দুৱাৰত কটা ৰিলিফ, কাঠৰ চৰিয়া, কাঠৰ ঘটি আদি। কাঠেৰে নিৰ্মিত সত্ৰকেন্দ্ৰিক লোকশিল্পবোৰৰ বিষয়ে ইতিমধ্যে এই গৱেষণাৰ তৃতীয় অধ্যায়ত আলোচনা কৰা হৈছে।[৫৫]

অসমৰ প্ৰায় সকলো অঞ্চলতে নাৱৰ প্ৰচলন আছে যদিও বৰপেটা এই শিল্পৰ বিশেষ তাৎপৰ্য আৰু বৈশিষ্ট্য নিহিত আছে। নাওশিল্পৰ লগত জড়িত শিল্পীসকলক ‘সূতৰ’ বুলি কোৱা হয়। এই নাওবোৰৰ ভিতৰত খেল নাও বৰপেটাৰ লোকশিল্পৰ উল্লেখযোগ্য সম্পদ। বৰপেটা শিল্পীয়ে ময়ূৰ পংখী খোদিত নাও সাজি উলিয়ায়। গুৰুসকলৰ তিথি আৰু অন্যান্য উপলক্ষ্যত বৰপেটাত আজিও নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত হয়।[৫৬] এই খেল নাও সাধাৰণতে শাল, ধূপ, গামেৰি, এজাৰ, চাম আদি কাঠেৰে নিৰ্মাণ কৰা হয়। অতীতত কাঠৰ গোল কুণ্ডাৰ পৰা নাও কটা হৈছিল। প্ৰায় ৩০ হাতলৈ দীঘল নাও খেলনাও হিচাপে ব্যৱহাৰ হৈছিল। চুটি নাৱো আছিল যদিও এনে নাৱৰ বেগ কম আছিল। বৰপেটা অঞ্চলৰ নাও সাধাৰণতে কনৰাত বাস কৰা সূতৰ বা বৰ সূতৰে কৰিছিল। কনৰা সত্ৰত শতাধিক সূতৰে বাস কৰিছিল। ব্ৰহ্মপুত্ৰৰ ভাবুকি বা অন্য কাৰণত এই সূতৰসকলে কালক্ৰমত কনৰা ত্যাগ কৰে। এতিয়া কনৰা নামৰ ঠাইত এজনো সূতৰ নাই। পিছলৈ সূতৰ বা বৰ সূতৰসকল বৰপেটা বা ইয়াৰ কাষৰীয়া ঠাইত থাকিবলৈ লয়।[৫৭]

গোল কুণ্ডাৰ পৰা নাও বা খেল নাও তৈয়াৰ কৰোঁতে সূতৰসকলৰ যথেষ্ট পৰিশ্ৰম হয়। লাহে লাহে কাঠৰ কুণ্ডাৰ নাটনি হোৱাত কাঠৰ তক্তা ব্যৱহাৰ হ’বলৈ ধৰে। নাও সাজোঁতে কাঠৰ তক্তাবোৰ যোৰা লগাবলৈ লোহাৰ চেপেটা খিলি আৰু জিনাৰী গজাল ব্যৱহাৰ হৈছিল। গৃহস্থৰ প্ৰয়োজন অনুসৰি এশ মোনী, দুশ মোনী বা একেবাৰে সৰু নাও, কম বা বেছি দীঘল খেল নাও সাজি উলিয়াইছিল। পুৰণি দিনৰ বৰপেটাৰ সকলো সূতৰৰ বিষয়ে জানিবৰ উপায় নাই যদিও বৰপেটাৰ জনমানসত খ্যাতি লাভ কৰা কেইগৰাকীমান সূতৰ হ’ল — বৰপেটাৰ মাজৰ হাটীৰ মহা সূতৰ, বিলৰতাৰী হাটীৰ মনু সূতৰ, মহোদৰ সূতৰ, বৃন্দাবন হাটীৰ পানৰাম সূতৰ, বাতহু সূতৰ, ঘন সূতৰ; কুজিৰদহাটীৰ পদ্ম সূতৰ, বৰ হাটীৰ বিপিন সূতৰ, দক্ষিণ হাটীৰ বিক্ৰী সূতৰ আদিৰ নাম উল্লেখযোগ্য।[৫৮]

**৫.৫.৫ কাঠ-শিল্পৰ লগত জড়িত শিল্পীসকল ঃ**

কাঠ শিল্পৰ সৈতে বৰপেটাৰ বহু সংখ্যক শিল্পী জড়িত হৈ আছিল। এসময়ত হাতীদাঁত শিল্পৰ বাবে প্ৰখ্যাত বৰপেটা অঞ্চল কাঠ শিল্পৰ বাবেও বিশেষভাৱে প্ৰসিদ্ধ। ঊনৈশ শতিকাৰ আগভাগত বৰপেটাত হাতীদাঁত শিল্পৰ পাতনি মেলা আত্মাৰাম দাস হাতীদাঁত শিল্পী হোৱাৰ উপৰিও নিপুণ কাঠশিল্পী আছিল। তেওঁৰেই প্ৰধান শিষ্য ৰাধাকান্ত দাসো আছিল একাধাৰে হাতীদাঁত শিল্পী আৰু কাঠ শিল্পী। অলংকাৰ শিল্পতো তেওঁ দক্ষ আছিল। বৰপেটা সত্ৰত থকা বদুলা আতাৰ ভেটি-গৃহৰ বেৰবোৰত ভগৱান মাহাত্ম্যৰে পৰিপূৰ্ণকৈ খোদিত কাঠৰ চিত্ৰ আৰু কীৰ্তনঘৰৰ উত্তৰ-পূৰ পিনৰ (মঠৰ চোতালৰ ফালৰ) প্ৰৱেশদ্বাৰৰ 'কাপেলী'ত চান্দি ৰূপেৰে খোদিত চিত্ৰসমূহ ৰাধাকান্ত দাসৰ শিল্প-নৈপুণ্যৰ চানেকি। শুৱালকুছিৰ কীৰ্তনঘৰত খোদিত কাঠৰ শিল্প-কলাসমূহেও তেওঁৰ শিল্প-গৌৰৱ অক্ষুণ্ণ ৰাখিছে।

হাতীদাঁত শিল্পী হিচাপে খ্যাত টিকেন্দ্ৰজিৎ বায়নেও হাতীদাঁতৰ অভাৱত কাঠশিল্প-চৰ্চাত মনোনিৱেশ কৰিছিল। বায়নৰ শিল্প-চাতুৰ্যৰ জ্বলন্ত নিদৰ্শন হ'ল তেখেতৰ দ্বাৰা নিৰ্মিত গুৰু-আসনসমূহ। ১৯৮৬ চনত নতুন দিল্লীত অনুষ্ঠিত গণৰাজ্য দিৱসত অসমৰ প্ৰতীকপট হিচাপে এওঁৰ দ্বাৰা নিৰ্মাণ কৰা গুৰু-আসন প্ৰদৰ্শন কৰা হৈছিল। ইয়াৰ উপৰিও কাঠেৰে বিভিন্ন দেৱ-দেৱী, জীৱ-জন্তুৰ মূৰ্তি আদিও তেওঁ নিৰ্মাণ কৰি প্ৰসিদ্ধি লাভ কৰিছে।

কাঠ-শিল্পৰ চৰ্চাৰে বিশেষ খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱা বৰপেটাৰ আন এজন উল্লেখনীয় শিল্পী হৈছে মুকুট বায়ন। তেওঁ টিকেন্দ্ৰজিৎ বায়নৰ তত্ত্বাৱধানতে শিল্প-চৰ্চাৰ কামত হাত দিয়ে। গুৰু-আসনৰ লগতে এই শিল্পীজনে বিভিন্ন জীৱ-জন্তুৰ মূৰ্তি, নামঘৰৰ কাৰুকাৰ্য খচিত দুৱাৰ আদি নিৰ্মাণ কৰি আহিছে। শিল্পীজনৰ শিল্পসমূহ অসমৰ শিৱসাগৰ, তিতাবৰ, ডিব্ৰুগড়, মাজুলী, শুৱালকুছি, হাজো, গুৱাহাটী, মঙলদৈ, ধেমাজি, লখিমপুৰ আদি ঠাইৰ লগতে দিল্লী, আমেৰিকাৰ দৰে স্থানলৈও ৰপ্তানি কৰা হৈছে। এওঁৰ তত্ত্বাৱধানত বহু কেইগৰাকী কৰ্মীয়ে কৰ্ম-সংস্থাপন লাভ কৰাৰ উপৰিও এই শিল্প-চৰ্চাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আছে।

বৰ্তমান বৰপেটাৰ কাঠ-শিল্পীসকলৰ ভিতৰত কিছুসংখ্যকেহে পৰম্পৰাগতভাবে শিল্পবস্তু নিৰ্মাণৰ লগত জড়িত হৈ আছে। বাকীসকল কাঠশিল্পী আধুনিক শিল্পবস্তু নিৰ্মাণৰ লগত জড়িত। তেওঁলোকে আধুনিক যন্ত্ৰ-পাতিৰে ঘৰৰ প্ৰয়োজনীয় আচবাব নিৰ্মাণ কৰে। পৰম্পৰাগতভাৱে কাঠত ৰিলিফ কটা বৰপেটাৰ পুৰণি শিল্পী দুজন হ'ল কেহৰু বাপু আৰু ৰাধানাথ দাস। টিকেন দাস, মহানন্দ দাস আদি শিল্পীয়ে তৈয়াৰ কৰা কাঠৰ মূৰ্তি, গুৰু আসন আদি অসমৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ গৈছে। নতুন প্ৰজন্মৰ শিল্পীৰ ভিতৰত বৰপেটাৰ গলিয়াহাটীৰ নিৰ্মল কুমাৰ দাসে কাঠৰ গুৰু আসন, গৰুড় চৰাই, মূৰ্তি, নামঘৰৰ দৰ্জা আদি তৈয়াৰ কৰে। শিল্পীজনে কাঠশিল্পী সুশীল কুমাৰ

দাসৰ তত্বাৱধানত শিল্প নিৰ্মাণৰ শিক্ষা লাভ কৰিছিল। তেওঁৰ শিল্প প্ৰতিষ্ঠান ‘এন.কে. শিল্পালয়’ত ভদ্ৰেশ্বৰ পাঠক, ৰঞ্জন দাস, চিতু দাস আদি শিল্পীয়ে কাম কৰি আছে। কাঠশিল্পী কমল চন্দ্ৰ দাস ‘কমল ফাৰ্ণিচাৰ হাউচ’ৰ স্বত্বাধিকাৰী। শিল্পীগৰাকীয়ে গুৰু আসন, মন্দিৰ, সত্ৰৰ দুৱাৰত ৰিলিফ আদি কাটে। বৰপেটাৰ গলিয়াহাটীৰ কাঠশিল্পী হ’ল হিতেশ দাস, তেওঁ ‘লাৱণ্য শিল্পালয়’ৰ স্বত্বাধিকাৰী। তেওঁ কাঠৰ বিভিন্ন মূৰ্তি, ৰিলিফ আদি কাটে। বৰপেটাৰ পালাংদিহাটীৰ কবীন দাসে North East Young Talent Artist Award : 2009-10 লাভ কৰে। এই শিল্পীজনে কাঠেৰে শংকৰদেৱ, মহাত্মা গান্ধী, আব্দুল কালামৰ প্ৰতিমূৰ্তি কাঠেৰে নিৰ্মাণ কৰিছে। পালাংদিহাটীৰে ধ্ৰুৱ দাস, শ্যামসুন্দৰ দাস নামৰ শিল্পী দুজনে কাঠৰ ক্ষুদ্ৰ গুৰু আসন, পাটৰ আ-অলংকাৰ, মূৰ্তি, ৰিলিফ আদিৰ কাম কৰে।

**৫.৫.৬ অৰ্থনৈতিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত কাঠ শিল্পৰ ভূমিকা ঃ**

বৰপেটাৰ লগতে সমগ্ৰ অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত কাঠশিল্পৰ যথেষ্ট অৱদান আছে। আগতে অসমৰ হাবিত কাঠ পৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল। গ্ৰাম্য সৰল জীৱনৰ প্ৰয়োজনসাপেক্ষে কাঠেৰে শিল্পজাত সামগ্ৰী মানুহে নিজা সামৰ্থ্য আৰু দক্ষতা অনুসৰি প্ৰস্তুত কৰি লৈছিল। লাহে লাহে জনসংখ্যা বৃদ্ধিৰ ফলত প্ৰাকৃতিক অন্যান্য সমলৰ লগতে উন্নত মানৰ কাঠো ক্ৰমে কমি আহিল। সমান্তৰালভাৱে শিল্পৰ ক্ষেত্ৰত বাণিজ্যকৰণৰ প্ৰসংগ জড়িত হৈ পৰাৰ ফলত শিল্পীসকলে জীৱন-জীৱিকাৰ এক সাধন হিচাপে এই শিল্পক গ্ৰহণ কৰিবলৈ ল’লে। বৰপেটাৰ সত্ৰীয়া পৰিৱেশত এসময়ত হাতীদাঁত শিল্পৰ লগত জড়িত প্ৰায়সকল শিল্পীয়ে কেঁচামালৰ অভাৱৰ বাবে কাঠশিল্পকে জীৱিকা হিচাপে গ্ৰহণ কৰিছিল। বৰপেটাৰ সত্ৰৰ আশে-পাশে থকা বাণিজ্যিক প্ৰতিষ্ঠানসমূহত এতিয়াও কাঠ-শিল্পজাত বিভিন্ন সামগ্ৰী যেনে ঃ কাঠত খোদিত গৰুড় পক্ষী, বিভিন্ন আকৃতিৰ গুৰু আসন, সত্ৰ-নামঘৰৰ ফুলকটা দুৱাৰ, কাঠৰ বৰপীৰা, ঠগী, ধৰ্মীয় বিভিন্ন প্ৰতীক, দেৱ-দেৱতাৰ মূৰ্তি আদি বিক্ৰী কৰা হয়। এই শিল্পবস্তুবোৰৰ অসমৰ লগতে অসমৰ বাহিৰতো যথেষ্ট চাহিদা আছে। বৰপেটা সত্ৰৰ আশে-পাশে থকা প্ৰতিষ্ঠানসমূহে এই শিল্পবস্তুবোৰ তৈয়াৰ কৰি অসমৰ বিভিন্ন ঠাইলৈ ৰপ্তানি কৰে। তদুপৰি নতুন দিল্লীৰ প্ৰগতি ময়দানৰ লগতে অসমৰ বিভিন্ন স্থান, বিশেষকৈ গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ, শিল্পগ্ৰাম আদিত চৰকাৰী পৃষ্ঠপোষকতাত অনুস্থিত শিল্পৰ প্ৰদৰ্শনীতো এই প্ৰতিষ্ঠানসমূহে অংশগ্ৰহণ কৰে। আনহাতে জিলাই জিলাই অনুষ্ঠিত বাণিজ্য মেলাবোৰতো এই শিল্পবস্তুবোৰ প্ৰদৰ্শিত হোৱাৰ লগতে বিক্ৰীও কৰা হয়। ইয়াৰ জৰিয়তে সংশ্লিষ্ট শিল্পীসকল আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ লগতে এই শিল্পসমূহৰ জনপ্ৰিয়কৰণ, প্ৰচাৰ-প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰতো অৰিহণা যোগাই আহিছে।

সম্প্ৰতি বৰপেটাৰ ঠায়ে ঠায়ে বিভিন্ন ‘ফাৰ্ণিচাৰ’ বিক্ৰী কৰা দোকান-পোহাৰ গঢ় লৈ উঠিছে। সেইবোৰত ঘৰুৱা বিভিন্ন আচবাব, যেনে — চোফা, পালেং, বিভিন্ন ডিজাইনৰ দুৱাৰ-খিৰিকী, আলমিৰা, টেবুল, চকী, ৰেক্, আলনা, মিটচেফ্ আদি চালে চকুৰোৱা শৈলী বা ডিজাইনত তৈয়াৰ কৰি বিক্ৰী কৰে।

জীৱন-যাত্ৰাৰ ক্ষেত্ৰত এই আচবাববোৰ নিত্য প্ৰয়োজনীয় হোৱাৰ বাবে এইবোৰৰ চাহিদা বজাৰত বহুত। তদুপৰি বিবাহত কইনাৰ লগত কাঠেৰে নিৰ্মিত আচবাব দিয়াৰ যি প্ৰথা অসমীয়া সমাজত প্ৰচলন আছে, তাৰ পৰিপ্ৰেক্ষিততো এইবোৰৰ চাহিদা দিনক দিনে বৃদ্ধি হৈ গৈ আছে। অৱশ্যে ডিজাইন আৰু কাঠৰ মান তথা শিল্পবোৰৰ আকাৰ-আকৃতি অনুসৰি এইবোৰৰ মূল্য কম-বেছি হয়। এই প্ৰতিষ্ঠানসমূহৰ সৈতে বহু সংখ্যক কাৰিকৰ বা মিস্ত্ৰী জড়িত হৈ থকাৰ লগতে নিয়োজনৰ এক সম্ভাৱনাময় পথ ইয়াৰ মাজত প্ৰশস্ত হৈ আছে। মুঠতে 'ফাৰ্ণিচাৰ দোকান' তথা আচবাব নিৰ্মাণৰ লগত জড়িত প্ৰতিষ্ঠানসমূহে একাংশ নিবনুৱাক কৰ্ম-সংস্থাপন প্ৰদান কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে।

**৫.৫.৭ কাঠ-শিল্পৰ সাংস্কৃতিক গুৰুত্ব ঃ**

বৰপেটাৰ লগতে অসমৰ সাংস্কৃতিক ইতিহাসত কাঠ-শিল্পৰ বিশেষ গুৰুত্ব নিহিত আছে। এই শিল্পজাত সামগ্ৰীসমূহ অসমীয়া জনজীৱন-প্ৰবাহৰ লগত ওতপ্ৰোতভাৱে জড়িত। ইয়াৰে বহু সংখ্যক শিল্প-সামগ্ৰী দৈনন্দিন জীৱনৰ এৰাব নোৱৰা সম্পদ হোৱাৰ লগতে লোক-সাংস্কৃতিক দিশত এইবোৰে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ লোক-সমাজত পৰম্পৰাগতভাৱে পালন কৰা কেতবোৰ আচাৰ-অনুষ্ঠানত কাঠ শিল্পজাত সামগ্ৰীবোৰৰ ব্যৱহাৰ এক সামাজিক তথা সাংস্কৃতিক ৰীতিলৈ উন্নীত হৈছে। তলত এই সম্পৰ্কে আলোচনা দাঙি ধৰা হ'ল—

শঙ্কৰী সংস্কৃতিৰ অন্তৰ্গতভাৱে অসমৰ মুখাশিল্পৰ তাৎপৰ্য আৰু গুৰুত্ব অপৰিসীম। বাঁহ-বেতৰ লগতে কাঠৰ মুখাও বৰপেটা অঞ্চলত নিৰ্মাণ হৈ আহিছে। এই মুখাসমূহ ভাওনা অনুষ্ঠানত বিশেষ চৰিত্ৰ এটা ফুটাই তুলিবৰ বাবে পৰিধান কৰা হয়। পৌৰাণিক বিভিন্ন চৰিত্ৰ মুখাসমূহৰ জৰিয়তে মূৰ্ত হৈ উঠে। দৰ্শকেও কাহিনীৰ লগত একাত্ম হৈ আধ্যাত্মিক আনন্দত আত্মহাৰা হয়। সম্প্ৰতি এই মুখাশিল্প মানুহৰ ঘৰৰ চ'ৰাঘৰত সৌন্দৰ্যবৰ্ধক সাংস্কৃতিক উপাদান হিচাপেও ব্যৱহৃত হ'বলৈ ধৰিছে।

পীৰা অসমীয়া সমাজত ব্যৱহৃত কাঠশিল্পৰ এক অনবদ্য উপাদান। সাধাৰণতে অসমীয়া সমাজত ব্যৱহৃত পীৰা চাৰি প্ৰকাৰৰ— চালপীৰা, বৰপীৰা, তামুলীপীৰা বা দৰা বহা পীৰা আৰু খুঁটিপীৰা। অসমীয়া সমাজত কোনো মাংগলিক বা শুভ কৰ্মত পীৰাৰ ব্যৱহাৰ মন কৰিবলগীয়া। চালপীৰাৰ ব্যৱহাৰ মানুহে শুবৰ বাবে ব্যৱহাৰ কৰিছিল যদিও তাৰ ব্যৱহাৰ আজিকালি কমি আহিছে। আনহাতে ছোৱালীৰ নোৱাই তুলনী বিয়া বা বৰ বিয়াত কইনাক যিখন পীৰাত বহুৱাই মাহ-হালধিৰে নুওৱা-ধুওৱা হয়, সেইখন পীৰাৰ নাম বৰপীৰা। দৰাৰ ক্ষেত্ৰতো একে নিয়মে মানি চলা হয়। একেদৰে অসমীয়া বিবাহ অনুষ্ঠানত তামুলীপীৰাৰো ব্যৱহাৰ লক্ষ্যণীয়। কইনা-ঘৰৰ পদূলিমুখত তামুলীপীৰাতে দৰাক থিয় হ'বলৈ দি দৰাৰ ভৰি দুখন কইনাৰ ভায়েক বা ভনীয়েকে ধুই দৰাক আদৰে। কইনাঘৰৰ মানুহে দৰা আদৰাৰ পিছত ৰভাতলিত তামুলীপীৰাতে দৰাক বহিবলৈ দিয়ে। সেইবাবে ঠাইভেদে এই পীৰাখনৰ নাম 'দৰা বহা

পীৰা' বোলে। দৰাই কইনা লৈ নিজৰ ঘৰৰ পদূলিমুখ পাওঁতে দৰা-কইনাক তামুলীপীৰাতে থিয় হ'বলৈ দি দৰাৰ ভায়েক বা ভনীয়েকৰ দ্বাৰা ভৰি ধুওৱা হয়। তাৰ পিছত দৰাৰ মাকে বোৱাৰীয়েকৰ আঁচলত ধৰি উৰুলি দি অকণমান আগলৈ টানি পীৰাৰ পৰা বোৱাৰীয়েকক নমাই আনে। সেই তামুলীপীৰাখন যুগ্ম জীৱনৰ সাক্ষী স্বৰূপে দৰা-কইনাৰ কোঠাতে থোৱা হয় আৰু তেওঁলোকক নিজ নিজ কৰ্তব্য পালন কৰিবলৈ সেই পীৰাখনে যেন প্ৰতি মুহূৰ্ততে সকীয়াই থাকে। তদুপৰি বসন্ত ৰোগ হ'লে তামুলীপীৰাতে বগা কাপোৰ পাৰি পানীৰে পূৰ হৈ থকা এটা ঘটৰ ডিঙিত এঁৰা সূতা দি আমপাত আদিৰে আসন পতা হয়। খুঁটিপীৰাত বহি গ্ৰামাঞ্চলৰ মানুহে পৰিয়ালৰ আটাইৰে লগত ভাত-পানী খায়। লোকসাহিত্যতো পীৰাক লৈ বহু গীত বা যোজনা প্ৰচলন আছে। উদাহৰণস্বৰূপে,

"চিৰিপ চিৰিপ কৰি নৈতে পীৰা পাৰি
তুমি কাৰে কাপোৰ ধোৱা ?
ভৰি ধোৱা চলেৰে তোমাক সুধি গ'লোঁ
তুমি কাৰে কিয়ে হোৱা ?"

সেইদৰে পীৰাক লৈ প্ৰচলিত এটি ফকৰা যোজনা এনেধৰণৰ —

"মাহেকে পষেকে যাবা
বৰপীৰাখন পাবা,
সপ্তাহে সপ্তাহে যাবা
থকনা-গোজনা খাবা।"

অসমীয়া শিশু-গীততো পীৰাই স্থান লাভ কৰিছে এনেদৰে—

"চাউল দিম চৰু দিম
বৰপীৰাখন পাৰি দিম।"

সেইদৰে পীৰাক কেন্দ্ৰ কৰি বহু লোকবিশ্বাসো অসমীয়া সমাজত প্ৰচলিত আছে। কাঠশিল্পৰ এক উপাদান হিচাপে অসমীয়া সংস্কৃতিত পীৰাৰ গুৰুত্ব লেখত ল'বলগীয়া।

বৰপেটা অঞ্চলত নাৱৰ এক বিশেষ সাংস্কৃতিক মূল্য আছে। বৰপেটা সত্ৰৰ দুজনা গুৰুৰ কীৰ্তন মহোৎসৱ, বুঢ়া আতাৰ কীৰ্তন, জন্মাষ্টমী আদিত পৰম্পৰাগতভাৱে নাওখেল অনুষ্ঠিত হয়। এনে পৰম্পৰাৰ পৰিপ্ৰেক্ষিততে বৰপেটাৰ লোকসাহিত্যত নাওখেলৰ গীতৰ এক বিশেষ মহত্ব আৰু গুৰুত্ব আছে। তেনে এটি নাও খেলৰ গীত হ'ল —

ঘোষা ঃ "অ' মোৰ মলুৱাৰে
মোৰ মলুৱাক কোনে মাৰিলে

অ’ মোৰ মলুৰাৰে।

পদ ঃ নেঠা নেঠা কৰে তাই নেঠা আনি দিলোঁ মই।

নেঠাত ধৰি কান্দে অ’ মোৰ মলুৰাৰে।।

কপাহ কপাহ কৰে তাই কপাহ আনি দিলোঁ মই।

কপাহত ধৰি কান্দে অ’ মোৰ মলুৰাৰে।।” ইত্যাদি।

তাঁতশাল অসমীয়া জনজীৱনৰ এৰাব নোৱৰা সাংস্কৃতিক সম্পদ। দক্ষ শিপিনীয়ে তাঁতশালতে জীৱনৰ সপোন ৰচে। এই শিল্প-সম্পদৰ লগত জড়িত টোলোঠা, দোৰপতি, যঁতৰ আদি কাঠেৰে নির্মাণ কৰা হয়। এইবোৰৰ অবিহনে এখন তাঁতশাল কেতিয়াও পৰিপূৰ্ণ নহয়। এই শিল্পবস্তুসমূহক লৈও অসমীয়া লোকসমাজত বিভিন্ন গীত-মাত, প্ৰবাদ-প্ৰবচনৰ প্ৰচলন আছে। বনগীত, বিয়ানাম, ফুলকোঁৱৰৰ গীত, মণিৰাম দেৱানৰ গীত আদিৰ লগতে বহু লোকবিশ্বাসো এইবোৰৰ সৈতে সম্পৰ্কিত। তলত মণিৰাম দেৱানৰ গীত এফাকি উল্লেখ কৰা হ’ল—

“ৰূপৰ টোলোঠা সোণৰ দোৰপতি

বহি বৈ আছিলো তাঁত

লাহে লাহে কৰি মণিৰাম দেৱানে

লগাই পটেশ্বৰীক মাত।”

অসমীয়া সমাজত ঘৰৰ দুৱাৰখন কাঠেৰে নির্মাণ কৰাৰ লগতে পুৰণি দিনত দুৱাৰত খিলি মৰাৰ ব্যৱস্থা নাছিল। সেই সময়ত দুৱাৰত এডাল ‘ডাং মাৰি’ দি দুৱাৰখন বন্ধ কৰা হৈছিল। বৰপেটাত সেই ডাংমাৰিডালক ‘হাঙাৰ বাৰী’ বুলি কোৱা হয়। বৰপেটাৰ এটি বিয়ানামত কাঠৰ সেই হাঙাৰ বাৰীডালৰ কথা উল্লেখ আছে এনেদৰে —

“দুৱাৰ মেলা দুৱাৰ মেলা কাঠৰ হাঙাৰ বাৰী।

আনিছু গঙ্গাৰে জল নিয়া আগবাঢ়ি।।”

লোকবিশ্বাস তথা লোকাচাৰৰ ক্ষেত্ৰতো কাঠশিল্পৰ এক অংগ হিচাপে ঢেঁকীৰ গুৰুত্ব লেখত ল’বলগীয়া। বিবাহ অনুষ্ঠানৰ অন্তৰ্গত গাঁঠিয়ন খুন্দা লোকাচাৰত ঢেঁকী ব্যৱহাৰ হয়। ঢেঁকীশালত লখিমী বাস কৰে বুলি বিশ্বাস কৰা হয়। সেইবাবে ন-কইনাই গৃহ-প্ৰৱেশ কৰাৰ দিনা ঢেঁকীশাল দেখুওৱাৰ নিয়ম অসমীয়া সমাজত প্ৰচলিত। মাঘৰ বিহুত ঘৰৰ লাগনী গছৰ লগতে ঢেঁকীতো ধান খেৰ বন্ধাৰ নিয়ম অসমীয়া সমাজত আছে। বতৰ খৰাং হ’লে পূৱ মুৱাকৈ থকা ঢেঁকী এটা চুৰ কৰি নি ওভতাই পুতিলে বৰষুণ হয় বুলি অসমীয়া মানুহে বিশ্বাস কৰে।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে অসমীয়া সংস্কৃতিত কাঠেৰে নিৰ্মিত উল্লিখিত

শিল্পবস্তুসমূহৰ লগতে আন আন শিল্পবস্তু, যেনে ঃ শৰাই, ঠগী, উৰাল, নাঙল, যুঁৰলি, বিবিধ বাদ্যযন্ত্র আদিক কেন্দ্র কৰিও বিভিন্ন লোকাচাৰ, লোকবিশ্বাস, গীত-মাত, প্রবাদ-প্রবচন, ফকৰা যোজনা আদি প্রচলন আছে। অসমৰ জনগোষ্ঠীয় লোক-সমাজতো একেধৰণৰ স্থিতিয়ে বিৰাজমান। মুঠতে এই শিল্পবস্তুবোৰ অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া সম্পদ।

**৫.৫.৮ বৰপেটাৰ কাঠ-শিল্পৰ সাম্প্রতিক আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি ঃ**

অসমৰ আন আন ঠাইৰ লগতে বৰপেটা জিলাতো কাঠ পৰ্যাপ্ত পৰিমাণে উৎপাদিত হয়। অৱশ্যে সম্প্রতি জনসংখ্যাৰ বৃদ্ধিৰ লগে লগে বনভূমিৰ পৰিমাণ পূৰ্বতকৈ কমি আহিছে। তথাপি বৰপেটা জিলাত বহু লোকশিল্পৰ নিৰ্মাণ পৰম্পৰাগতভাৱে এতিয়াও চলি আছে। বৰপেটাৰ সত্রীয়া পৰিৱেশত পৰম্পৰাগতভাৱে নিৰ্মাণ হৈ থকা কাঠ-শিল্পজাত সামগ্রীসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে— গুৰু-আসন, গড়ুৰ মূৰ্তি, বিভিন্ন জীৱ-জন্তুৰ মূৰ্তি, সত্র-নামঘৰত ব্যৱহৃত ফুলকটা কাঠৰ দুৱাৰ, ফুল তথা আধ্যাত্মিক প্রতীকযুক্ত কাঠৰ ৰিলিফ আদি। বৰপেটাৰ এই শিল্পবস্তুবোৰৰ চাহিদা দিনক দিনে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। আনকি এই শিল্পবস্তুবোৰ বৰপেটাৰ পৰা অসমৰ বিভিন্ন ঠাইৰ মানুহে ক্রয় কৰে। তদুপৰি শিল্পীসকলৰ সৈতে অসমৰ বিভিন্ন ঠাইৰ মানুহে সত্রীয়া শিল্পজাত সামগ্রীবোৰ নিৰ্মাণৰ বাবে নিয়মীয়াকৈ যোগাযোগ কৰে বুলিও সংশ্লিষ্টসকলে জানিবলৈ দিছে। এই সত্রীয়া লোকশিল্পবোৰৰ চাহিদালৈ চাই ইয়াৰ সাম্প্রতিক স্থিতি সন্তোষজনক বুলিয়ে অনুমান কৰিব পাৰি। শিল্পীসকলেও এইবোৰৰ নিৰ্মাণৰ জৰিয়তে স্বাৱলম্বী জীৱন অতিবাহিত কৰাৰ এক সুযোগ আৰু পৰিৱেশ লাভ কৰি আহিছে।

আনহাতে বৰপেটাৰ স্বকীয় বৈশিষ্ট্যযুক্ত নাৱৰ নিৰ্মাণ সম্প্রতি প্রায় লোপ পাইছে বুলিব পাৰি। এই শিল্পৰ লগত পৰম্পৰাগতভাৱে জড়িত হৈ থকা সূতৰসকলেও জীৱিকাৰ সংক্রান্তত অন্য কামত নিয়োজিত হৈছে। অৱশ্যে বৰপেটাৰ চৰ-চাপৰিত বসবাস কৰি থকা মুছলমান সম্প্রদায়ৰ মাজত এই শিল্পবিধৰ নিৰ্মাণ এতিয়াও চলি আছে। তেওঁলোকৰ মাজত নাওখেলৰ প্রতিযোগিতাও বিভিন্ন উপলক্ষ্যত অনুষ্ঠিত হয়। কিন্তু বৰপেটাৰ লোক-সংস্কৃতিৰ অন্তৰ্গতভাৱে নাওখেলৰ যি প্রতিযোগিতা কিছু বছৰ আগলৈকে অনুষ্ঠিত কৰা হৈছিল, সেই পৰম্পৰা লাহে লাহে কমি অহা পৰিলক্ষিত হৈছে। পৰম্পৰাগত নাওখেলৰ গীতসমূহৰ পৰিৱেশনৰ বাস্তৱসন্মত পৰিৱেশো লাহে লাহে নোহোৱা হৈ আহিছে। কাৰণ সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ জীৱন-জীৱিকা, কৰ্ম-ব্যস্ততা আদি সলনি হৈছে। আধুনিক বস্তুবাদী জীৱন-পৰিক্রমাৰ পৰিপ্রেক্ষিতত মানুহৰ ৰুচিবোধৰ পৰিৱৰ্তন হৈছে। গতিকে স্বাভাৱিকভাৱে লোক-সংস্কৃতিৰ কেতবোৰ মূল্যবান সম্পদ লোকজীৱনৰ পৰা ক্রমান্বয়ে হেৰাই যোৱাৰ উপক্রম হৈছে। এনে স্থিতি অব্যাহত থাকিলে অদূৰ ভৱিষ্যতে এই লোকশিল্পবিধ বৰপেটাৰ লোক-সাংস্কৃতিক জীৱনৰ পৰা চিৰকালৰ বাবে লোপ পাব বুলি ভাবিবৰ থল আছে।

একেদৰে আন কেতবোৰ লোকশিল্প, যেনে ঃ পীৰা, কাঠেৰে নির্মিত তাতঁশাল আৰু কৃষিৰ লগত জড়িত কেতবোৰ সা-সঁজুলিৰ নির্মাণৰ পৰম্পৰাও ক্রমে কমি অহা দেখা গৈছে। এই পৰিৱেশ যে কেৱল বৰপেটা জিলাতে হৈছে, তেনে নহয়। অসমৰ সামগ্রিক লোক-সাংস্কৃতিক জীৱনলৈ লক্ষ্য কৰিলে একে স্থিতিয়ে দেখা যাব। পীৰাৰ সলনি ডাইনিং টেবুলৰ ব্যৱহাৰ আজিকালি প্রায়বোৰ মানুহৰ ঘৰতে সুলভ। কেৱল বিবাহৰ অন্তর্গতভাৱেহে পীৰাৰ ব্যৱহাৰ দেখা পোৱা যায় যদিও সেই লোকাচাৰো সমাজভেদে সলনি হৈছে। একেদৰে সাম্প্রতিক কালত শিক্ষাৰ প্রসাৰ তথা আধুনিক প্রযুক্তিবিদ্যাৰ অভূতপূর্ব বিকাশৰ আজিৰ এই পৰিস্থিতিৰ প্রেক্ষাপটত তাঁতশালৰ পৰম্পৰাগত শিল্পবস্তুবোৰৰ নির্মাণো ক্রমে কমি আহিছে। আগতে গাঁৱৰ প্রতিঘৰ মানুহৰ ঘৰত একোখনকৈ তাঁতশাল দেখা গৈছিল। সেই পৰিৱেশ বৰপেটাত আজিকালি প্রায় দেখা পোৱা নাযায়। তাৰ সলনি বজাৰত উপলব্ধ বহিৰাগত সস্তীয়া কাপোৰ মানুহে ব্যৱহাৰ কৰিবলৈ লৈছে। তাঁতশিল্পক বাণিজ্যিকভাৱে গ্রহণ কৰি যিসকল লোকে স্বাৱলম্বী হোৱাৰ পথ মুকলি কৰিছে, তেওঁলোকৰ মাজতহে ব্যাপকভাৱে এই শিল্পবিধ জীয়াই আছে। তাৰ পৰিৱর্তে সহজ সৰল গাঁৱলীয়া শিপিনী ক্রমে কমি আহিছে।

কৃষিৰ লগত জড়িত কাঠৰ শিল্প-সামগ্রীৰ ক্ষেত্রতো একেধৰণৰ স্থিতিয়ে পৰিলক্ষিত হয়। কৃষিকর্মত পৰম্পৰাগত নাঙল, যুঁৱলিৰ প্রয়োগ সীমিত হৈ আহিছে আৰু তাৰ সলনি কম সময়তে বেছি মাটি চহ কৰিব পৰাকৈ ট্রেক্টৰ, পাৱাৰ টিলাৰৰ ব্যৱহাৰ বৃদ্ধি পাইছে। সেইদৰে দলিমাৰি, জবকা, কোৰোণা, ঢেঁকী, উৰাল, গায়েন আদিসমূহৰ ব্যৱহাৰো ক্রমান্বয়ে নোহোৱা হৈ আহিছে। তাৰ ঠাই অধিকাৰ কৰিছে আধুনিক কেতবোৰ প্রযুক্তিয়ে।

আনহাতে ঘৰুৱা বিবিধ আচবাব, যেনে ঃ পালেং, আলনা, দুৱাৰ, খিৰিকী, চকী, মেজ, বেঞ্চ, ডেস্ক, চোফা, আলমাৰি আদি শিল্পবস্তুবোৰ গ্রাহকৰ চাহিদা অনুসৰি কাঠমিস্ত্রীসকলে বর্তমানেও নির্মাণ কৰি আহিছে। বৰঞ্চ আধুনিক শৈলী আৰু অভিনৱ শৈল্পিক সৌন্দর্য প্রদান কৰি শিল্পীসকলে গ্রাহকক আকর্ষণ কৰি ইয়াৰ শিল্পমূল্য আদায় কৰিবলৈ সক্ষম হৈছে। এই শিল্পবস্তুবোৰে স্বনিয়োজনৰ এক বৃহৎ ক্ষেত্র অধিকাৰ কৰি আছে।

সংস্কৃতি পৰিৱর্তনশীল। সময়ৰ লগে লগে সংস্কৃতিত যিদৰে নতুন উপাদান সন্নিবিষ্ট হয়, ঠিক সেইদৰে অপ্রয়োজনীয় যেন লগা সমল সংস্কৃতিৰ পৰা এৰা খাই পৰে। এনেদৰে গ্রহণ-বর্জনৰ মাজেৰেই সংস্কৃতিয়ে গতি কৰে। বৰপেটাৰ কাঠশিল্পৰ ক্ষেত্রত যিবোৰ শিল্পবস্তুৰ চাহিদা ক্রমে কমি আহিছে, সময়ৰ লগে লগে সেইবোৰ লোকসমাজৰ পৰা ক্রমে নাইকিয়া হ'ব পাৰে বুলিয়ে অনুমান কৰিব পাৰি। তাৰ পৰিৱর্তে কেতবোৰ শিল্পবস্তুৰ চাহিদা আৰু গুৰুত্ব সাম্প্রতিক কাললৈকে অটুট আছে।

**৫.৬ অন্যান্য লোকশিল্প ঃ**

ইতিপূৰ্বে আলোচিত লোকশিল্পসমূহৰ উপৰি বৰপেটা জিলাৰ লোক-সমাজত প্ৰাকৃতিক সমলেৰে নিৰ্মিত আন কেতবোৰ লোকশিল্পৰ চৰ্চা পুৰণি কালৰ পৰাই চলি আহিছে। তেনে শিল্পবোৰৰ ভিতৰত বয়ন শিল্প, বৰপেটাৰ কয়াকুছিৰ ঢাৰি-পাটি শিল্প, গছৰ বাকলি তথা তামোলৰ ঢকুৱাৰে নিৰ্মিত শিল্প আদিসমূহৰ কথা উল্লেখ কৰিব পাৰি। সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্প, বৰপেটাৰ সত্ৰকেন্দ্ৰিক লোকশিল্প আৰু বিলুপ্তপ্ৰায় হাতীদাঁত শিল্পৰ শিল্পবস্তুসমূহে অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনত যিদৰে বিশেষ স্বকীয়তা বহন কৰি আহিছে, তাৰ তুলনাত এই শিল্পবোৰৰ স্বকীয়তা কেৱল বৰপেটাৰ মাজতে সীমাৱদ্ধ নহয়; বৰঞ্চ অসমৰ অন্য ঠাইৰ লোকশিল্পৰ লগত এইবোৰৰ সাদৃশ্য প্ৰত্যক্ষ কৰা যায়। তলত এই শিল্পবোৰৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে —

**৫.৬.১ বয়ন শিল্প ঃ**

তাহানি কালৰ পৰাই অসমৰ লোকশিল্পৰ ক্ষেত্ৰখনত বয়নশিল্পজাত সামগ্ৰীসমূহৰ বিশেষ প্ৰসিদ্ধি আছে। অসম মুগা আৰু পাট কাপোৰৰ বাবে বিখ্যাত। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ'তো মুগা আৰু পাট কাপোৰৰ উল্লেখ আছে। নবীন চন্দ্ৰ শৰ্মাই অৰ্থশাস্ত্ৰত উল্লেখ থকা 'সুৱৰ্ণকুণ্ড'ৰ পৰাই শুৱালকুছি শব্দৰ উদ্ভৱ হোৱাৰ কথা অনুমান কৰিছে।[৫৭] এই সুৱৰ্ণকুণ্ড নামৰ ঠাইখন মুগা আৰু পাট কাপোৰৰ বাবে বিখ্যাত আছিল বুলি উল্লিখিত গ্ৰন্থত পোৱা গৈছে। বাণভট্টৰ 'হৰ্ষচৰিত'তো উল্লেখ আছে যে কামৰূপৰ নৃপতি ভাস্কৰ বৰ্মনে হংসবেগৰ জৰিয়তে উত্তৰ ভাৰতৰ নৃপতি হৰ্ষবৰ্ধনলৈ প্ৰেৰণ কৰা বিবিধ উপহাৰৰ ভিতৰত ক্ষৌম বস্ত্ৰও আছিল— যাৰ উজ্জ্বলতা শৰৎ কালৰ পূৰ্ণিমাৰ জোনৰ দৰে শুভ্ৰ আছিল। অসমত উৎপাদিত তিনি প্ৰকাৰৰ ক্ষৌম বস্ত্ৰ হৈছে— পাট (পট্টবস্ত্ৰ), মুগা (সোণবৰণীয়া) আৰু এড়ী। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাতো অসমৰ বয়নশিল্পই ৰাজকীয় পৃষ্ঠপোষকতাৰে সমৃদ্ধিৰ পথত অগ্ৰসৰ হৈছিল। তেওঁলোকৰ দিনত বিশেষকৈ মোমাই তামুলী বৰবৰুৱাৰ দিনত প্ৰত্যেকগৰাকী মহিলাই ৰাতিৰ ভিতৰতে সূতা কাটি যুদ্ধলৈ যাব লগা বীৰসকলক কবচ বৈ দিয়াৰ নিয়ম প্ৰৱৰ্তন কৰা হৈছিল। সেই সময়ত অসমৰ ঘৰে ঘৰে পাট, মুগা, এড়ী আদি সূতা উৎপাদন কৰাৰ লগতে কপাহৰ খেতি, কপাহ নেঠা, সূতা কটা, কাপোৰ বোৱা আদি কামত প্ৰতিগৰাকী মহিলা সুদক্ষ আছিল। প্ৰত্যেকঘৰ মানুহে বছৰেকত এপোৱাকৈ পাটৰ সূতা ৰাজভঁৰাললৈ যোগান ধৰিব লাগিছিল। কপাহৰ খেতি কৰাটো একপ্ৰকাৰৰ বাধ্যতামূলক আছিল। আজিও অসমৰ গ্ৰামাঞ্চলৰ লোকে বোৱা-কটা কৰাটো নাৰীৰ এক প্ৰয়োজনীয় কৰ্তব্য বুলিয়ে বিবেচনা কৰে। বোৱা-কটাৰ ক্ষেত্ৰত অসমৰ জাতি-বৰ্ণ-ধৰ্মৰ মাজত কোনা পাৰ্থক্য নাছিল আৰু বৰ্তমানেও নাই। অসমৰ বড়ো, মিচিং, ৰাভা, ডিমাছা, দেউৰী, কাৰ্বি, তিৱা আদি প্ৰতিটো জনগোষ্ঠীৰ নিজা নিজা বৈশিষ্ট্যযুক্ত বয়নশিল্পৰ প্ৰচলন থকাৰ উপৰি অসমৰ ব্ৰাহ্মণ মহিলায়ো কাপোৰ বৈ নিজেও পৰিধান

কৰিছিল। অসমৰ এড়ী-পাট-মুগা খেতি কৰা আৰু সূতা উৎপাদন কৰাৰ পৰম্পৰা জনজাতিসকলৰ পৰাই আৰম্ভ হৈছে বুলি নবীন চন্দ্ৰ শৰ্মাই অনুমান কৰে।[৬০]

অসমীয়া বয়নশিল্পৰ এক অংশ হিচাপে বৰপেটা জিলাতো বয়ন শিল্পৰ এক সুপ্ৰাচীন ঐতিহ্য আছে। এই প্ৰসংগত বৰপেটাৰ বয়ন শিল্পৰ এক উল্লেখযোগ্য অনুপম কীৰ্তি হৈছে 'বৃন্দাবনী বস্ত্ৰ'। কোচৰজা নৰনাৰায়ণৰ অনুৰোধ মৰ্মে শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্ব আৰু তত্ত্বাৱধানত সাত বৈকুণ্ঠৰ পটচিত্ৰ আৰু শ্ৰীকৃষ্ণৰ বৃন্দাবনৰ লীলা-খেলা অতি মনোমোহা আৰু প্ৰাঞ্জল ৰূপত বৈ উলিয়াইছিল সেই সময়ৰ বৰপেটাৰ সুদক্ষ তাঁতী গোপাল বৰুৱা আৰু তেওঁৰ কেইগৰাকীমান সংগীয়ে। পিছলৈ সেই গোপাল বৰুৱাই গোপাল আতা আৰু মথুৰা দাস নামে পৰিচিত হৈছিল। গুৰুজনাই কেতিয়াবা শাস্ত্ৰ ৰচনাৰ কামত লাগি থকাৰ বাবে তাঁতীসকলৰ ওচৰলৈ যাব নোৱাৰিলে প্ৰিয় শিষ্য মাধৱদেৱক চোৱা-চিতা কৰি কাপোৰ বোৱাৰ দায়িত্ব অৰ্পণ কৰিছিল। চকুৰি হাত দীঘল আৰু তিনি কুৰি হাত বহল, নানা ৰং সম্বলিত চানেকিৰে ভৰপূৰ এই বস্ত্ৰভাগি গুৰুজনা, শিষ্য মাধৱদেৱৰ তথা বাৰজন মৰলৰ নিৰলস প্ৰচেষ্টাৰ অন্তত ছমাহৰ মূৰত সম্পন্ন হৈছিল।[৬১] পৰৱৰ্তী সময়ত এই বস্ত্ৰখন মধুপুৰ সত্ৰত সংৰক্ষিত হৈ আছিল যদিও বৃটিছ শাসনকালত এই বস্ত্ৰভাগি তেওঁলোকে লৈ গৈছিল। বৰ্তমান বস্ত্ৰৰ এটা সৰু ভাগ লণ্ডনৰ ভিক্টোৰিয়া আৰু এলবাৰ্ট যাদুঘৰত সংৰক্ষিত হৈ আছে।[৬২] শংকৰী যুগত 'পৰ্হি কাপোৰ' নামেৰে এবিধ বিশেষ কাপোৰ বৰপেটাত তৈয়াৰ কৰা হৈছিল। এই কাপোৰৰ বিশেষত্ব হৈছে যে ইয়াৰ এটা পিঠিয়ে উম লগাইছিল আনটো পিঠিয়ে গা জুৰ পেলায়। বাউসী পৰগনাৰ জাবৰিকুছি গাঁৱত উৎকৃষ্টমানৰ পৰ্হি কাপোৰ তৈয়াৰ হৈছিল।[৬৩] এনেধৰণৰ ঐতিহ্যৰ পৰা অনুমান কৰিব পাৰি যে প্ৰাচীন কালৰে পৰা বৰপেটা বয়ন শিল্পৰ ক্ষেত্ৰত বিশেষভাৱে সমৃদ্ধিশালী আছিল।

বৰপেটা তাঁতীকুছি নামেৰেও পৰিচিত। শিৱসাগৰ জিলাৰ খনাখোকোৰা নামৰ গাঁৱৰ তাঁতীসকল মহামাৰীৰ প্ৰকোপত বৰপেটালৈ আহি বসবাস কৰাৰ কাৰণে এই বৰপেটাৰ নাম তাঁতীকুছি হয়।[৬৪] সেই সময়ত বৰপেটাৰ শিপিনীসকলৰ বাবে তাঁতশালখন বৰ আদৰৰ বস্তু আছিল। ঘৰখনৰ বাবে প্ৰয়োজন হোৱা যাৱতীয় বস্ত্ৰ নিজৰ তাঁতশালখনতে শিপিনীসকলে তৈয়াৰ কৰি লৈছিল। নিজৰ ঘৰতে উৎপাদিত সূতাৰে কাপোৰ বৈ উলিয়াইছিল। আজিৰ দৰে বজাৰত সূতা পোৱা নগৈছিল। এড়ী আৰু কপাহৰ খেতিৰ পৰা সূতা উৎপাদন কৰি ৰিহা, মেখেলা, চেলেং, চুৰিয়া, পাগুৰি আদিৰ কাপোৰ শিপিনীসকলে প্ৰস্তুত কৰি লৈছিল। বিহুৰ সময়ত তাঁতশালত গামোছা বৈ উলিয়াই আত্মীয়জনক উপহাৰ দিছিল। বিয়া-সবাহৰ সময়ত লগা দৰকাৰী কাপোৰখিনি মহিলাসকলে তাঁতশালত ধুনীয়াকৈ বৈ লৈছিল। কিন্তু দুখৰ বিষয় যে আজি বৰপেটাত তেনে পৰিৱেশ লাহে লাহে নোহোৱা হৈ আহিছে। গাঁও অঞ্চলসমূহত তাঁতশালৰ প্ৰচলন আছে যদিও সেয়া বিস্তৃত আৰু সুলভ নহয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আজিৰ মহিলাসকলৰো

জীৱন-জীৱিকালৈ পৰিৱৰ্তন আহিছে। ঘৰৰ চাৰিবেৰৰ মাজতে নিজকে আৱদ্ধ নাৰাখি আজিৰ তিৰোতাসকলে শিক্ষা, ৰাজনীতি, ব্যৱসায়-বাণিজ্য আদি বিভিন্ন কামত নিজকে নিয়োজিত কৰিছে। তাঁতশালৰ মাজতে ব্যস্ত নাৰাখি তিৰোতাসকলে তড়িৎ আৰু ক্ষিপ্ৰ উপাৰ্জনৰ অন্যান্য পথৰ অনুসন্ধানত ব্ৰতী হৈছে। এনেবোৰ কাৰণতে মহিলাসকলৰ লগত বিশেষভাৱে সম্পৰ্কিত তাঁতশালখন সম্প্ৰতি এলাগি হৈ লোপ পোৱাৰ দিশে গতি কৰিছে। অৱশ্যে গ্ৰামাঞ্চলত এতিয়াও সৰহ সংখ্যক মহিলাই তাঁত ব'ব আৰু ফুল তুলিব জানে। কিন্তু এটা কথা স্বীকাৰ্য যে নতুন চামৰ মাজত তাঁতশালৰ জনপ্ৰিয়তা লাহে লাহে কমি অহা পৰিলক্ষিত হৈছে। এইখিনিতে এটা কথা উল্লেখ কৰা প্ৰয়োজন যে সম্প্ৰতি কিছু সংখ্যক মহিলাই শুৱালকুছিত ব্যৱহাৰ হোৱা পদ্ধতিৰে তাঁতশালত ভিন্ন ডিজাইনৰ কাপোৰ বোৱাৰ উদ্যোগ গঢ়ি তুলি মৃত্যুমুখী বয়নশিল্পক পুনৰ্জীৱিত কৰি তোলাত আগভাগ লৈছে। টচ, মুগা, পাট, নুনী, এড়ী আদি ভিন্ন সূতাৰে তৈয়াৰী এই কাপোৰবোৰৰ ডিজাইন আৰু ৰঙৰ মিশ্ৰণ চকুত লগা; সেইদৰে এইবোৰৰ বজাৰ-মূল্যও যথেষ্ট বেছি। মূলতঃ ব্যৱসায়িক উদ্দেশ্য আগত ৰাখি মুকলি কৰা এই শিল্পসমূহে বয়ন শিল্পৰ ক্ষেত্ৰত এক আলোড়নৰ সূচনা কৰিছে।

বৰপেটাৰ জন-জীৱনত 'আনাকাটা' কাপোৰৰ বিশেষ সাংস্কৃতিক মৰ্যাদা আৰু তাৎপৰ্য আছে। দৰা-কইনাই বিবাহৰ দিনা পিন্ধা কাপোৰবোৰ আনাকাটাকৈ বোৱা হয়। কইনাৰ চাদৰ বা শাৰী, দৰাৰ ধূতি বা চুৰিয়া, চেলেং চাদৰ, পাগুৰি মৰা চাদৰ, কলৰ গুৰিত গা ধুৱাই মচিবলৈ ব্যৱহাৰ কৰা গামোছাখনো আনাকাটাকৈ বৈ লয়। বিবাহৰ লগত জড়িত থাপনাখনৰ চাৰিটা চুকত পুতি লোৱা কলৰ পুলিকেইটাতো আনাকাটা ফুলাম গামোছাৰে মেৰিয়াই দিয়া হয়। একেদৰে ৰাতি বিয়াৰ সময়ত দৰা-কইনাই বহা পাটী বা ঢাৰিখনত পাৰি লোৱা চাদৰৰ দৰে বহল কাপোৰখনো ফুল-লতাৰ চানেকিৰে চকুত লগাকৈ আনাকাটা শৈলীৰে বোৱা হয়। তদুপৰি দৰা আদৰা, দৰা মতা, লগুণ গাঁঠি বন্ধা কাপোৰ আদিও আনাকাটাকৈ বয়। আনাকাটা প্ৰত্যেকবিধ কাপোৰ শুভ কামত কবচ হিচাপে ব্যৱহাৰ কৰাটো বৰপেটাৰ জনসমাজৰ এক পৰম্পৰা। লোকবিশ্বাস অনুসৰি এই কাপোৰ গাত ল'লে শুভ কামত কেতিয়াও ব্যাঘাত নঘটে।

'ঘৰচত্কা' অৰ্থাৎ ঘৰ-গছকা কাপোৰ, যেনে ঃ চাদৰ, গামোচা আদি কেইবাখনো কাপোৰ একলগ কৰি 'আনাকাটা'কৈ বৈ লোৱাৰ নিয়ম বৰপেটাত এতিয়াও প্ৰচলিত। বিবাহৰ দিনা দৰাই কইনাক লৈ যেতিয়া ঘৰলৈ ওভতে, তেতিয়া দৰাঘৰৰ দুৱাৰমুখত কলতলৰ পৰা দৰা-কইনাক আদৰি নি এই কাপোৰখনৰ ওপৰেৰে খোজ কঢ়াই ঘৰত সুমোওৱা হয়।

বৰপেটা জিলাৰ এক প্ৰকাৰৰ বিশেষ শ্ৰেণীৰ বস্ত্ৰ হৈছে 'আক্‌ল কাপোৰ'। বৰপেটাৰ সামাজিক-সাংস্কৃতিক জীৱনত এই আক্‌ল কাপোৰৰ তাৎপৰ্য মন কৰিবলগীয়া। এই কাপোৰখনৰ ৰং শুভ্ৰ। কাপোৰখন আনাকাটা পদ্ধতিৰে তৈয়াৰ কৰা হয়। সন্তান গৰ্ভত স্থিতি লোৱাৰ পিছত, বিশেষকৈ পাঁচমহীয়া গৰ্ভধাৰণৰ

সময়তহে কাপোৰখন বোৱা হয়। গৰ্ভৱতী মহিলাগৰাকীক পঞ্চামৃত খোওৱাৰ সময়ত মহিলাগৰাকীৰ কোঁচত এই কাপোৰখন থৈ তাৰ ওপৰত ফল-মূল আদি দিয়া হয়। কাপোৰখন সধৱা তথা কোনো সন্তানৰ মাতৃৰ দ্বাৰাহে বোৱা হয়। সন্তান জন্ম হোৱাৰ পিছতো সেই একেখন কাপোৰেৰে প্ৰথম বস্ত্ৰ হিচাপে সন্তানটোক মেৰিয়াই লোৱা হয়। এই কাপোৰখনক সন্তানটোৰ বাবে মংগলজনক আৰু শুভ বস্ত্ৰ বুলি বিশ্বাস কৰা হয়।

বৰপেটাৰ জনজীৱনত বিশেষ তাৎপৰ্যপূৰ্ণ আন এবিধ কাপোৰ হৈছে 'মূৰ বান্ধা কাপোৰ'। দৰা-কইনাৰ বিবাহ ঠিক হোৱাৰ পিছতহে এই কাপোৰখন বোৱা হয়। বিবাহৰ দিনা দৰাক নোওৱা-ধুওৱাৰ পিছত দৰাজনৰ মূৰত এই কাপোৰখন দি ভিতৰলৈ অনা হয়। পিছত হোমৰ গুৰিত দৰা-কইনাৰ লগ্ন গাঁথি এই কাপোৰখনৰ দ্বাৰাই দিয়াৰ নিয়ম বৰপেটাৰ সমাজত এতিয়াও প্ৰচলিত আছে।

বৰপেটাৰ লোক-সমাজত বিবাহ অনুষ্ঠানৰ লগত জড়িত 'পীৰাত পাৰা বস্ত্ৰ'খনৰো সাংস্কৃতিক ভূমিকা উল্লেখযোগ্য। হোমৰ গুৰিত দৰা-কইনাই বহিবৰ বাবে যি দুখন পীৰা ব্যৱহাৰ কৰা হয়, সেই পীৰা দুখনৰ ওপৰত এই বস্ত্ৰ পাৰি দিয়া হয়। এই বস্ত্ৰখনি বিভিন্ন ৰং-বিৰঙৰ ফুলৰ চানেকিৰে আকৰ্ষণীয় কৰি তোলা হয়। এই বস্ত্ৰভাগিও আনাকাটা পদ্ধতিৰ। হোম যজ্ঞ সম্পন্ন হোৱাৰ পিছত দৰাৰ পীৰাখনৰ ওপৰত পৰা বস্ত্ৰখনি দৰাঘৰে নিজৰ লগত লৈ যোৱাৰ নিয়ম বৰপেটাৰ লোক-সমাজত প্ৰচলিত আছে। এই বস্ত্ৰখনিত তোলা ফুলবোৰ 'নাগেশ্বৰ', 'চন্দ্ৰলতা' চানেকিৰ। 'পীৰাত পাৰা বস্ত্ৰ'খনি সন্তানৰ অন্ন-প্ৰাসনতো ব্যৱহাৰ কৰা হয়।

'ঢাৰিত পাৰা বস্ত্ৰ' নামৰ আন এক প্ৰকাৰৰ বিশেষ বস্ত্ৰ বিবাহ অনুষ্ঠানৰ উপলক্ষে বৰপেটাৰ লোক-সমাজত প্ৰস্তুত কৰা হয়। ৰঙৰ ক্ষেত্ৰত এই বস্ত্ৰখনিৰ কোনো ধৰাবন্ধা নিয়ম নাই। বিবাহৰ দিনা দৰা-কইনাক নোওৱা-ধুওৱাৰ পিছত বিবাহৰ কিছুমান নিয়ম পালন কৰিবৰ বাবে দৰা-কইনাক বহিবলৈ যিখন ঢাৰি দিয়া হয়, তাৰ ওপৰত এই বস্ত্ৰখন পাৰি দিয়া হয় বাবে ইয়াৰ নাম 'ঢাৰিত পাৰা বস্ত্ৰ'।

বৰপেটা অঞ্চলত 'দিনমইনা' নামৰ আন এক আনাকাটা বস্ত্ৰ দৰাই বিবাহৰ দিনা ডিঙিত পৰিধান কৰে। এই বস্ত্ৰখনি দৰাৰ ডিঙিৰ পৰা আঁঠুলৈকে পৰাকৈ দীঘল।

'আনাকাটা' কাপোৰ বোৱাৰ এক নিৰ্দিষ্ট পদ্ধতি আছে। 'আনাকাটা' মানে হৈছে কটাৰী, কেচি আদিৰে নকটাকৈ গোটে গোটে কাপোৰখন তাঁতশালত বৈ উলিওৱা কাপোৰ। চাৰিবাটি 'ব' সূতাবোৰ নকটাকৈ তাঁতৰ ওপৰতে উৰা বা চেৰেকীত লৈ সুন্দৰভাৱে কাপোৰখন বৈ উলিওৱা হয়। তাৰ পিছত ওলমি থকা দহি-সূতাবোৰ আকৰ্ষণীয়কৈ জালৰ দৰে গুঠি লোৱা হয়।[৬৫] পুহ মাহত আৰু অমাৱশ্যা, একাদশী, ভাতখটি, শনিবাৰ, মংগলবাৰ তথা ঘৰখন অশুচি হৈ থাকিলে আনাকাটা নলগায় বা শিপিনীয়ে তেনে দিনবোৰত কাপোৰ নবয় আৰু তথা বাটি নাকাঢ়ে। বাটি কঢ়া সময়ত কেনোবাই সূতা ছিঙি বা

গচকি পাৰ হৈ গ'লে বিহা নহা অৰ্থাৎ সূতাই নোজোৰে বুলি বিশ্বাস আছে। আনাকাটা কাপোৰ নিৰ্দিষ্ট এটা কামত ব্যৱহাৰ কৰাৰ পিছত একেখন কাপোৰ যদি পুনৰ ব্যৱহাৰ কৰিবলৈ লোৱা হয়, তাৰ আগতে সেই কাপোৰখনৰ এডাল দহি ছিঙি জুইত পুৰি পেলোৱা হয়। তেনে কৰিলে লোক-ঔষধ প্ৰস্তুত বা তন্ত্ৰ-মন্ত্ৰ কৰিব নোৱাৰে বুলি জনবিশ্বাস প্ৰচলিত আছে।

বিহুৱান বোৱাৰ ক্ষেত্ৰত শিপিনীয়ে ফাগুণ মাহতেই তাঁত লগায়। বিশেষ অসুবিধাত চ'ত মাহত বিহুৱান ব'লে ফাগুণ মাহত সাঁচি ৰখা 'ফাগ্‌ণা পানী'ৰেহে সূতাত মাৰ দিয়া হয়।[৬৬]

তাঁতশালৰ লগত বিবিধ সা-সঁজুলি জড়িত হৈ আছে। এই সঁজুলিবোৰে অসমৰ লোকশিল্পক বিশেষভাৱে চহকী কৰি ৰাখিছে। তাঁতশাল এখন পাতিব বিচাৰিলে প্ৰথমে চাৰিটা বাঁহ,তামোল নাইবা কাঠৰ খুটা বা ফ্ৰেমৰ প্ৰয়োজন হয়। তাঁতৰ সূতাবোৰৰ দুফালে দুটা দুটা খুটাক সমান্তৰালভাৱে দুডাল জখলা-মাৰিৰে সংযাগ কৰা হয়। জখলা-মাৰিৰ ওপৰত তাঁতৰ মূল সূতা আৰু ব-সূতবোৰ ধৰি ৰখা নাচনী-জৰীৰে সংযোজিত দাং মাৰিডাল উঠোৱা থাকে। তাঁতৰ দীঘ-সূতবোৰ ব-তুলি ৰাঁচত ভৰাই লোৱা হয়। আনহাতে নাচনী-মাৰিবোৰে ববোৰ আৰু সেই অনুসৰি দীঘ-সূতাবোৰ উঠা-নমা কৰাত সহায় কৰে। শিপিনীয়ে তাঁত বওঁতে উঠা-নমা কৰা সূতাৰ মাজেৰে মাকো ভৰাই তাঁতখন বৈ নিয়ে। মাকোৰ ভিতৰত সূতা মেৰোৱা এটা মহুৰা থাকে। মহুৰাটো মাকোত ধৰি ৰাখিবলৈও এডাল সৰু কাঠি মহুৰাটোৰ মাজেৰে ভৰোৱা থাকে। সেইডালক গেৰেলী মাৰি বোলে। সেই কাঠিটোকো আন এটা সৰু কাঠিৰ সহায়ত মাকোত থকা সৰু ফুটাত ভৰাই মহুৰাটো ওলাই নপৰাকৈ ধৰি ৰখোৱা হয়। সেই সৰু সোপা বা কাঠিটোক নাকতি বা গেৰেলী খুঁটি বোলে। বাঁহৰ পৰা তৈয়াৰ কৰি লোৱা চিৰি, কাঠি আদি সঁজুলি ব্যৱহাৰ কৰি শিপিনীসকলে আৰ্হি বা চানেকি চাই কাপোৰত ফুল তোলে। তাঁতশালখনত ব্যৱহাৰ হোৱা আন বহুতো সঁজুলি থাকে। সেই সঁজুলিবোৰৰ বিষয়ে ইতিমধ্যে বাঁহ-বেত শিল্প আৰু কাঠ শিল্প বিষয়ক আলোচনাত উল্লেখ কৰা হৈছে।[৬৭] আনহাতে তাঁত-বাটি কৰা কাম শিপিনীসকলে ঘৰৰ চোতালতে কৰে। কাপোৰৰ জোখ অনুসৰি 'হাতবাৰী'ৰে জোখ লৈ , খুঁটি মাৰি তাঁত-বাটি কৰা হয়। এই কাম শেষ হোৱাৰ পিছত ব তোলা, ৰাঁচ ভৰোৱা, চলোৱা আদি কামবোৰ চাৰি-পাঁচগৰাকী শিপিনীয়ে অতি আনন্দেৰে সমাপন কৰে।

বয়ন শিল্প অসমীয়া লোক-জীৱনৰ অমূল্য সম্পদ। বৰপেটাৰ লোক-জীৱনতো ইয়াৰ সাংস্কৃতিক মূল্য অপৰিসীম। ইয়াৰ সহায়ত শিপিনীসকলে সুন্দৰ সুন্দৰ কাপোৰ বৈ সেইবোৰ বজাৰত বিক্ৰী কৰিও স্বাৱলম্বী হোৱা পূৰ্ণ সুযোগ আৰু সম্ভাৱনা নিহিত হৈ আছে। চৰকাৰী পক্ষৰ পৰাও এই শিল্পবিধক যথোচিত মৰ্যাদা প্ৰদান কৰাতো নিতান্তই প্ৰয়োজনীয় কথা। সময়ে সময়ে এই সম্পৰ্কীয় উন্নত প্ৰশিক্ষণ প্ৰদান কৰি আমাৰ শিপিনীসকলক উলিয়াই আনিলে ইয়াৰ দ্বাৰা এখন কৰ্মমুখী সুস্থ

সমাজ গঢ়ি তুলিব পৰা যায়। বহিৰাগত সংস্কৃতি আৰু সময়ৰ পৰিৱৰ্তনৰ সৈতে নিজকে বিলীন নকৰি এই লোকশিল্পবিধক জীয়াই ৰখাটো প্ৰতিগৰাকী শিপিনী তথা জীয়ৰী-বোৱাৰীৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য।

**৫.৬.২ তামোলৰ ঢকুৱা-শিল্প**

পাৰিপাৰ্শ্বিক অৱস্থাৰ সৈতে খাপ খোৱাকৈ তামোলৰ ঢকুৱাৰে বিভিন্ন শিল্পবস্তু নিৰ্মাণ কৰা হয়। এই ক্ষেত্ৰত গ্ৰাম্য সমাজত সততে ব্যৱহাৰ হৈ অহা বিচনীখনৰ কথাকে পোনতে মনলৈ আহে যদিও তামোলৰ ঢকুৱাৰ সহায়ত ব্যৱহাৰযোগ্য পাত্ৰ নিৰ্মাণৰ প্ৰচেষ্টা কেৱল আজিৰ নহয়। এনে পাত্ৰ নিৰ্মাণ কৰা আধুনিক এটি শিল্প-প্ৰতিষ্ঠান বৰপেটা চহৰৰ বিলৰটাৰিহাটীত 'ধৃতি' নামৰ এটি এন.জি.অ'.ই স্থাপন কৰিছে। এই প্ৰতিষ্ঠানটোত তামোলৰ ঢকুৱাৰে কাঁহী, বাটি, প্লেট আদি তৈয়াৰ কৰা হয়। এই শিল্প-সামগ্ৰীসমূহ বৰ্তমান বিভিন্ন বিয়া-সবাহৰ অভ্যৰ্থনাত আলহী-অতিথিক আপ্যায়নৰ বাবে ব্যৱহৃত হয়। প্ৰদূষণ-মুক্ত তথা জৈৱ-বৈচিত্ৰ্যৰ সৈতে মিলি যাব পৰা এই শিল্পবস্তুবোৰে লোক-সমাজত ব্যাপক জনপ্ৰিয়তা লাভ কৰা দেখা গৈছে। শিল্পবস্তুবোৰ নিৰ্মাণৰ বাবে তামোলৰ ঢকুৱা, ঢকুৱাবোৰ ধুই চাফা কৰিবৰ বাবে পানী থোৱা ডাঙৰ পাত্ৰ, ব্ৰাছ, ফটাকানি, কাটিবৰ বাবে দা, কেঁচী আদিৰ প্ৰয়োজন হয়। লগতে ঢকুৱাবোৰ চাপ দি পাত্ৰৰ আকাৰ দিব পৰা এটি মেচিন এই ক্ষেত্ৰত প্ৰধান সঁজুলি।

প্ৰথমে তামোলৰ ঢকুৱাবোৰ পানীত তিয়াই ব্ৰাছেৰে ঘঁহি চাফা কৰা হয়। তাৰ পিছত ঢকুৱাবোৰ ৰ'দত শুকাবলৈ দি কাঁহী, বাটি, প্লেটৰ জোখমতে গোলাকাৰ কৰি কটা হয়। শেষত বিশেষ মেচিনৰ সহায়ত চাপ দি নিৰ্দিষ্ট পাত্ৰৰ আকাৰ প্ৰদান কৰা হয়। একোখন ঢকুৱাৰ পৰা দুখন কাঁহী আৰু তিনিটামান বাটি তৈয়াৰ কৰিব পাৰি। তাৰ বাবে পৈণত ঢকুৱাৰ প্ৰয়োজন হয়। ভাতৰ কাঁহীবোৰৰ জোখ সাধাৰণতে ১০ ইঞ্চি ব্যাসৰ; প্লেটবোৰ ৫ৰ পৰা ৬ ইঞ্চি ব্যাসৰ আৰু বাটিবোৰ ৪ ইঞ্চি ব্যাসৰ জোখত বনোৱা হয়। এই শিল্পটোৰ সৈতে মেনেজাৰ, মেকানিক আৰু শ্ৰমিককে ধৰি ১০গৰাকীমান লোক জড়িত হৈ আছে।

**৫.৭ প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্পত ৰূপাঙ্গ ঃ**

হাতী দাঁতৰ শিল্প বস্তুত প্ৰকৃতিৰ বিভিন্ন জীৱ-জন্তু, চৰাই-চিৰিকটিৰ নক্সা খোদিত কৰা দেখা যায়। গড়, সিংহ, পাৰ, ময়ূৰ আদিৰ মূৰ্তি হাতীদাঁতত কটা হৈছিল। লাঠি, আঙুঠি, গুৰুআসন আদিত সৌন্দৰ্য বঢ়াবলৈ বিভিন্ন লতা-ফুল-পাত আদি কটা হৈছিল। মৃৎ শিল্পজাত সামগ্ৰীৰ ক্ষেত্ৰত বৰপেটাৰ মৃৎশিল্প শৈলী এতিয়াও প্ৰাচীন ৰীতিৰেই বৰ্তি আছে। ইয়াৰ শিল্পবস্তুবোৰত কোনো বিশেষ অলংকৰণ বা ৰূপাঙ্গ খচিত কৰা নহয়; দুই-চাৰিটা আঁক-বাঁক বা মৃৎপাত্ৰৰ ডিঙিত বা শৰীৰত মাটিৰ প্ৰলেপ সনা হয়।

তাঁতশালত প্ৰস্তুত কাপোৰতো বিভিন্ন ফুলৰ নক্সা তোলা হয়। 'নদীৰপাক', 'চন্দ্ৰলতা', 'নাগেশ্বৰ',

‘ঘৰিয়ালৰ ফিচা’, ‘বৰপেইটা লতা-ফুল’ অতি জনপ্ৰিয় বৰপেটাৰ ফুলৰ চানেকি। আকৌ বিভিন্ন কাপোৰত লতা বছাৰ উপৰিও ‘বগৰী গছ’, ‘পখিলা’, ‘ময়ূৰ’, ‘কৰ্দৈৰ চক্‌লা’, ‘কাণপাচা’, ‘গছৰ পাত’ আদিৰ নক্সা নানা ৰঙৰ সূতাঁৰে তোলে। কেতবোৰ শিল্পীয়ে আকৌ ‘আকাশৰ তৰা’, ‘উৰি থকা চৰাই’, ‘জাঁকৈ মৰা মহিলা’, ‘নাচনী’, ‘ঢুলীয়া’, ‘ভূঁইৰোৱা মহিলা’, ‘মাছমৰা মহিলা’, ‘যঁতৰ’, ‘শৰাই’, ‘জাপি’, ‘জোনবিৰি’, ‘ঢোলবিৰি’, ‘বিভিন্ন জীৱ-জন্তুৰ নক্সা’বোৰ সৃষ্টিশীলতাৰে কাপোৰত প্ৰাণ দি বৈ উলিয়ায়। অসমীয়া শিপিনীয়ে “ফুলৰ ক্ষেত্ৰত ‘কদম’, ‘বাবৰি’, ‘বকুল’, ‘পদুম’, ‘বেলপতীয়া লতা’, ‘কেৰেলা লতা’ আদি পৰিচিত প্ৰকৃতি জগতৰ পৰাই আৰ্হি লোৱা দেখা যায়।[৬৫] বৰপেটাৰ শিপিনীৰ ক্ষেত্ৰতো প্ৰকৃতি জগতৰ আৰু নক্সাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা দেখা যায়।

**৫.৮ সামগ্ৰিক আলোচনা ঃ**

প্ৰত্যক্ষভাৱে প্ৰকৃতিৰ পৰা আহৰণ কৰা সমলৰ সহায়ত বৰপেটাৰ লোক-সমাজত বিভিন্ন শিল্প নিৰ্মাণৰ পৰম্পৰা প্ৰচলন আছে। সেই লোকশিল্পবোৰৰ ভিতৰত — হাতীদাঁত শিল্প, মৃৎশিল্প, বাঁহ-বেত শিল্প, কাঠ শিল্প, বয়ন শিল্প আদিয়েই প্ৰধান। এই প্ৰত্যেকবিধ শিল্পৰে নিৰ্মাণৰ ক্ষেত্ৰত শিল্পীসকলে বিশেষ পদ্ধতি অৱলম্বন কৰি আহিছে। সেইদৰে শিল্প-নিৰ্মাণৰ লগতো বিশেষ কেতবোৰ সা-সঁজুলিৰ ব্যৱহাৰ পৰম্পৰাগতভাৱে চলি আহিছে। লোক-সংস্কৃতিৰ বিভিন্ন দিশৰ সৈতে এই সকলোবোৰ শিল্পবস্তুৰে নিবিড় সম্পৰ্ক বিদ্যমান। এনে কাৰণতে লোক-সমাজৰ আচাৰ-ৰীতি, লোকবিশ্বাস, লোকসাহিত্য আদিৰ সৈতে এই শিল্পবস্তুবোৰ প্ৰত্যক্ষভাৱে জড়িত। সম্প্ৰতি কেঁচামালৰ অভাৱৰ বাবে হাতীদাঁত শিল্প বিলুপ্তপ্ৰায় শিল্পৰ শাৰীলৈ গতি কৰিছে। সেইদৰে আনবোৰ শিল্পৰ ক্ষেত্ৰতো অনেক সমস্যা আছে যদিও এই পৰ্যন্ত শিল্পবোৰ সংশ্লিষ্ট লোক-সমাজত ৰক্ষিত হৈ আছে। শিল্পবিশেষে এই লোকশিল্পবোৰে অৰ্থনৈতিক আৰু নিয়োজনৰ ক্ষেত্ৰত কিঞ্চিৎ ভূমিকাও পালন কৰি আহিছে। বৰপেটাৰ লোক-সমাজৰ সৃজনী প্ৰতিভাৰ মূৰ্ত প্ৰকাশ এই লোকশিল্পসমূহ ভৱিষ্যতৰ বাবে অক্ষতভাৱে জীয়াই ৰাখিবলৈ হ'লে ইয়াৰ সৈতে জড়িত লোকশিল্পীসকল দায়বদ্ধ হোৱাৰ লগতে চৰকাৰী পৃষ্ঠপোষকতা আৰু সহায়-সহযোগিতাৰ বিশেষ প্ৰয়োজন বুলি অনুভৱ কৰিব পাৰি।■■

**প্ৰসংগ টীকা ঃ**

১. যুগল দাস (অনুঃ), *ভাৰতীয় লোককলা আৰু হস্তশিল্প,* পৃ. ৬৫

২. যুগল দাস (অনুঃ), উল্লিখিত, পৃ. ৬৭

৩. যুগল দাস, *অসমৰ লোককলা,* পৃ. ৭৮

৪. বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমৰ লোক-সংস্কৃতি,* পৃ. ১৯০

৫. E. B. Cowell, P. W. Thomas (Ed.), Banabhatta's Harsacharita, উদ্ধৃত, মদন চন্দ্ৰ দাস, *বৰপেটা জিলাৰ ভৌতিক সংস্কৃতি ঃ হাতীদাঁত শিল্পৰ বিশেষ উল্লিখনসহ,* অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, আধুনিক ভাৰতীয় ভাষা বিভাগ, কলা শাখা, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৩, পৃ. ১৮৩

৬. সূৰ্যকুমাৰ ভূঞা, হস্তিবিদ্যাৰ্ণৱ পুথি (প্ৰবন্ধ), বিভা ভৰালী (মুখ্য সম্পাঃ), *সাহিত্য সৌৰভ*, চন্দ্ৰ প্ৰকাশ, পৃ. ৪৩-৪৮

৭. Once an important art in the days of the Ahom Rajahs, ivory carving has, since Assam came under British Rule, gradually declined. In those past times the industry throve, the workers, known as Khanikars, worked for Rajahs.. This would seem to indicate that the workin those days much valued. উদ্ধৃত, হিতেশ্বৰ বৰবৰুৱা, *আহোমৰ দিন*, পৃ. ৪৭০

৮. হিতেশ্বৰ বৰবৰুৱা, উল্লিখিত, পৃ. ৪৭০

৯. Bringing the information up to date, we might safely say that there is but one man in the whole of Assam, whose occupation can be described as "Ivory Carver."- Fiznoor Mussalman, of Jorhat. From an important flourishing and honourable industry, it has, in the space of 70 to 80 years, been reduced to the work of one man. উদ্ধৃত, উল্লিখিত, পৃ. ৪৭০

১০. অমিয় কুমাৰ ভাণ্ডাৰ কায়স্থ, অসমৰ হাতীদাঁত শিল্প ঃ অতীত আৰু বৰ্ত্তমান, *আজিৰ অসম*, ২৫ মাৰ্চ, ১৯৯০

১১. যুগল দাস, পূৰ্বোল্লিখিত, পৃ. ৭৭-৭৮

১২. হিতেশ্বৰ বৰবৰুৱা, পূৰ্বোল্লিখিত, পৃ. ৪৭০-৪৭১

১৩. Under the Rajahs the work was not altogether ran optional one. These was a compulsory element. Care was taken to see that each man was kept busy at his trade; while at the same time the means of livelihood was certain. With the disappearance, however, of the Rajahs, these influency ceased. The carvers, who had land and cattle, settled down principally to a life of agriculture, a life involving little labour on their part, yet insuring a comfortable living. Not pressed by force to earn his livelihood, the ivory carver took no steps to push his industry, or to create a demand. উদ্ধৃত, হিতেশ্বৰ বৰবৰুৱা, পূৰ্বোল্লিখিত, পৃ. ৪৭০

১৪. বেণুধৰ শৰ্মা, *মণিৰাম দেৱান*, পৃ. ১৭১

১৫. যুগল দাস, পূৰ্বোল্লিখিত, পৃ. ৭৯

১৬. ধ্ৰুৱকুমাৰ তালুকদাৰ, *অসমৰ লোক শিল্পকলা*, পৃ. ৩৯

১৭. মদন চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ১৯১

১৮. অক্ষয় কুমাৰ মিশ্ৰ (সম্পা.), *জীৱনীমালা,* পৃ. ৪৫

১৯. ধ্ৰুৱকুমাৰ তালুকদাৰ, উল্লিখিত, পৃ. ৩৯-৪০

২০. অক্ষয় কুমাৰ মিশ্ৰ (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ৪৬

২১. উল্লিখিত, পৃ. ৪৬-৪৭

২২. ধ্ৰুৱকুমাৰ তালুকদাৰ, পূৰ্বোল্লিখিত, পৃ. ৪০

২৩. অক্ষয় কুমাৰ মিশ্ৰ (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ৪৭

২৪. ধ্ৰুৱকুমাৰ তালুকদাৰ, পূৰ্বোল্লিখিত, পৃ. ৪০

২৫. ধ্ৰুৱকুমাৰ তালুকদাৰ, উল্লিখিত, পৃ. ৪১

২৬. মদন চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ১৯৯

২৭. ধ্ৰুৱকুমাৰ তালুকদাৰ, পূৰ্বোল্লিখিত,পৃ. ৪২

২৮. অমিয় কুমাৰ ভাণ্ডাৰ কায়স্থ, অসমৰ হাতীদাঁত শিল্প ঃ অতীত আৰু বৰ্তমান, *আজিৰ অসম,* ২৫ মাৰ্চ, ১৯৯০

২৯. দ্বিজেন্দ্ৰ নাথ দাস, হাতীদাঁত শিল্পই যাৰ জীৱন ঃ টিকেন্দ্ৰ নাথ বায়ন, *দৈনিক জনমভূমি,* ৩০ ছেপ্তেম্বৰ, ১৯৮৭

৩০. দ্বিজেন্দ্ৰ নাথ দাস, উল্লিখিত প্ৰবন্ধ

৩১. মদন চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ২০৬

৩২. ধ্ৰুৱকুমাৰ তালুকদাৰ, পূৰ্বোল্লিখিত পৃ. ৪১

৩৩. দ্ৰষ্টব্য ঃ ৫.৫.১ 'হাতী-দাঁতৰ শিল্পৰ ইতিহাস' শীৰ্ষক উপ-অধ্যায়, পৃ. ২৩৩

৩৪. যুগল দাস, পূৰ্বোল্লিখিত, পৃ. ১

৩৫. নগেন শইকীয়া, *অসমীয়া মানুহৰ ইতিহাস,* পৃ. ২২১

৩৬. নগেন শইকীয়া, উল্লিখিত, পৃ. ২

৩৭. নবীনচন্দ্ৰ শৰ্মা, *অসমৰ সাংস্কৃতিক ইতিহাস,* দ্বিতীয় খণ্ড, পৃ. ৩৫২

৩৮. নগেন শইকীয়া, পূৰ্বোল্লিখিত, পৃ. ২২১

৩৯. নগেন শইকীয়া, উল্লিখিত, পৃ.২২২

৪০. নবীনচন্দ্ৰ শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ৩৫২

৪১. নবীনচন্দ্ৰ শৰ্মা, *অসমীয়া লোক-সংস্কৃতিৰ আভাস,* পৃ. ৩৩

৪২. বিৰিঞ্চি কুমাৰ বৰুৱা, পূৰ্বোল্লিখিত, পৃ. ১৮৯

৪৩. নবীন চন্দ্ৰ শৰ্মা, *অসমীয়া লোক-সংস্কৃতিৰ আভাস,* পৃ. ৩৩

৪৪. নবীন চন্দ্ৰ শৰ্মা, উল্লিখিত, পৃ. ৩৬

৪৫. যুগল দাস, পূৰ্বোল্লিখিত, পৃ. ৭-৮

৪৬. ধ্ৰুৱকুমাৰ তালুকদাৰ, পূৰ্বোল্লিখিত, পৃ. ৯০

৪৭. বিৰিঞ্চি কুমাৰ বৰুৱা, পূৰ্বোল্লিখিত, পৃ. ১৮৯

৪৮. প্ৰতুল ডেকা, *অবিভক্ত কামৰূপ জিলাৰ লোকশিল্প, এক বিশ্লেষণাত্মক অধ্যয়ন,* অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়, পৃ. ১০৪

৪৯. প্ৰতুল ডেকা, উল্লিখিত, পৃ. ১০৪

৫০. যুগল দাস, পূৰ্বোল্লিখিত, পৃ. ৯

৫১. ধ্ৰুৱকুমাৰ তালুকদাৰ, পূৰ্বোল্লিখিত, পৃ ৯১ আৰু ৯৩

৫২. যুগল দাস, পূৰ্বোল্লিখিত, পৃ. ১৯

৫৩. ধ্ৰুৱকুমাৰ তালুকদাৰ, পূৰ্বোল্লিখিত, পৃ. ৫৮

৫৪. ধ্ৰুৱকুমাৰ তালুকদাৰ, উল্লিখিত, পৃ. ৫৯

৫৫. দ্ৰষ্টব্য ঃ 'সত্ৰকেন্দ্ৰিক লোকশিল্প' শীৰ্ষক অধ্যায়, পৃ. ৮৮-১৩১

৫৬. অক্ষয় কুমাৰ মিশ্ৰ (সম্পা.), *বৰপেটা জিলাৰ লোক-সংস্কৃতি,* পৃ. ৯-১০

৫৭. দিলীপ ভড়ালী, বৰপেটাৰ নাও আৰু নাওখেল, ভূপেন্দ্ৰ ৰায়চৌধুৰী (সম্পাঃ), *বৰপেটাৰ ঐতিহ্য,* পৃ. ৮৬

৫৮. দিলীপ ভড়ালী, উল্লিখিত, পৃ. ৮৭

৫৯. নবীন চন্দ্ৰ শৰ্মা, *অসমৰ সাংস্কৃতিক ইতিহাস,* দ্বিতীয় খণ্ড, পৃ. ৩৬৭

৬০. নবীন চন্দ্ৰ শৰ্মা, উল্লিখিত, পৃ. ৩৬৭

৬১. মৃণাল চন্দ্ৰ কলিতা, *বৃন্দাবনী বস্ত্ৰ,* পৃ. ৪

৬২. ধ্ৰুৱকুমাৰ তালুকদাৰ, বৰপেটাৰ শিল্পকৰ্ম, ভূপেন্দ্ৰ ৰায়চৌধুৰী (সম্পা.), *বৰপেটাৰ ঐতিহ্য,* পৃ. ১৬৩

৬৩. ধ্ৰুৱকুমাৰ তালুকদাৰ, উল্লিখিত, পৃ. ১৬৩

৬৪. হিৰণ শইকীয়া লহকৰ আৰু শোভাৰাণী দাস (সম্পা.), *বৰপেটা জিলাৰ লোককৃষ্টিত এভুমুকি,* তৰুলতা দাস, তাঁতশাল, পৃ. ১৬৭

৬৫. হিৰণ শইকীয়া লহকৰ আৰু শোভাৰাণী দাস (সম্পা.), উল্লিখিত, পৃ. ১৬৭

৬৬. যদুমাই দাস, শিপিনী, বয়স ৯৫, বৰপেটা

৬৭. দ্ৰষ্টব্য ঃ ৫.৪.৪ শীৰ্ষক উপ-অধ্যায়, পৃ. ২২০

৬৮. নগেন শইকীয়া, পূৰ্বোল্লিখিত, পৃ. ২০৯